# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

JULY SESSION


## VOLUME– VIII

## NO. 5

The 18th July, 1985

Price- 30·60

# CONTENTS

July SESSION

Volume VIII. No. 5

Dated, July 18, 1985


| | | Page |
|---|---|---|
| 1. | Questions & Answers. | 1-21 |
| 2. | Supplementary statement of expenditure for grant for the year 1985-86. | 22 |
| 3. | Voting on Supplementary Demands for grant for 1985-86. | 22-78 |
| 4. | Introduction Consideration and Passing of the Assam Appropriation (No. III) Bill, 1985. | 79-95 |
| 5. | Statement Regarding General Situation in the State. | 96-100 |
| 6. | Calling Attention Notice. | 100-102 |
| 7. | Laying of Report. | 102 |
| 8. | Presentation of Committee Report. | 102 |
| 9. | Motion for Further Extension of time. | 103 |
| 10. | Discussion Under Rule 50. | 103-125 |
| 11. | Consideration and Passing of Government Bill. | 126-160 |
| 12. | Announcement from the Chair. | 160-163 |
| 13. | Adjournment. | 163 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Thursday, July 18, 1985

The House met at ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

### Questions & Answers

( To which oral answers were given )

(Starred Questions 20 & 21 were not called for)

The replies No. 22 were given by the Chief Minister as authorised

**Re : Crop Insurance Scheme.**

Shri Purna Boro asked :

*22. Will the Minister, Agriculture be pleased to state :

(a) Whether crop Insurance Scheme is going to be introduced to the flood affected cultivators of the State ?

(b) If so, how many flood affected villages will be covered ?

Shri Golok Rrjbanshi (Minister, Agriculture) replied :

(a) The matter is under correspondence with Government of India.

(b) Does not arise.

( Minister, Agriculture who is to reply is not present )

Shri Abdul Muhib Mazumdar, Minister : Sir, can it be passed over.

Shri Hemen Das : How can it be passed over ?

Shri Binoy Kumar Basumatari : Sir, has he informed you ?

Shri Hemen Das : Then certainly he has given authority to somebody because there is a cut motion also in his grant.

Shri Afzalur Rahman : Sir, the House cannot sit idle.

(The Chief Minister enters)

Mr. Speaker : The Hon'ble Chief Minister has come. Question No. 22 of hon'ble member Shri Purna Boro and he is present and agriculture Minister is to reply.

Shri Hiteswar Saikia, (Chief Minister) : Sir, I am authorised to reply.

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, শস্য বীমাকৰণ আঁচনি সম্পৰ্কে আমি আজিও ৰেডিঅ'ত বাতৰি শুনিছো। আমি এটা কথা জানো যে কেন্দ্ৰীয় চৰকাৰে যেতিয়া বাজেট পাছ কৰিছিল তেতিয়া বিভিন্ন ৰাজ্যত হোৱা খৰাং বতৰ আৰু বানপানীত ক্ষতিগ্ৰস্ত হোৱা ৰাইজক সাহায্য দিয়াৰ অৰ্থেই এই আঁচনি হাতত লৈছিল। কিন্তু অসমত এই বেইবছৰ প্ৰৱল বানপানী হোৱা স্বত্বেও এই আঁচনিৰ প্ৰয়োগৰ কাৰণে কিয় ব্যৱস্থা হাতত নললে। আৰু এতিয়াও এই আচনিখন কিয় যোগাযোগৰ অৱস্থাতে থাকিব লগীয়া হৈছে। এইটো চৰকাৰৰ হেমাহি নহয়নে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো হেমাহিৰ বিষয় নহয়। এই আচনিখন আমাৰ ৰাজ্যত প্ৰয়োগ কৰিলে কেনেধৰণৰ কাম হয় সেইটোহে চিন্তা কৰিবলগীয়া বিষয়। কিয়নো এই আঁচনিৰ নিয়ম অনুসৰি যিসকল খেতিয়কে বেংকৰ পৰা ল'ন লৈ খেতি কৰে সেইসকল খেতিয়কৰ শস্যহে এই আঁচনিৰ অন্তৰ্ভূক্ত হয়। এতিয়া আমাৰ খেতিয়ক সকলৰ যি অৱস্থা সেই অৱস্থালৈ চাই তেওঁলোকক যদি আকৌ বেংকৰ পৰা ঋণ দি ঋণগ্ৰস্ত কৰা হয় তেনেহলে তেওঁলোকক এইটো ভালুকৰ সাঙী ওলোমাই দিয়াৰ নিচিনাহে হব। সেই কাৰণে এই আটাইবোৰ কথা চোৱা মেলা কৰি আছো আমাক এনে ল'ন নালাগে। এই আঁচনিৰ আন এটা নিয়ম অনুসৰি যিখন জিলাত ৫ বছৰৰ ভিতৰত খেতিৰ উৎপাদন শতকৰা ৮০ ভাগৰ তলত হয় সেই অঞ্চলতহে এই আচনিৰ অন্তৰ্ভূক্ত কৰা হয়। কিন্তু আমাৰ ইয়াত

দেখিছো যে কোনো এখন জিলাৰ কোনো এটা অংশত এই সময়ৰ ভিতৰত উৎপাদনৰ হাৰ যদিও কমি যায় কিন্তু বাকী কেইটা অংশত উৎপাদন ভাল হোৱাৰ কাৰণে এই আচনিৰ অন্তৰ্ভূক্ত কৰিবলৈ অসুবিধা হয়। সেই কাৰণে এই আটাইবোৰ কথা আমি চালি-জাৰি চাবলগা হৈছে আৰু সেয়ে এই আচনি হাতত লওঁতে কিছু দেৰি হৈছে।

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমত যিসকল কৃষকে বেংকৰ পৰা ল'ন লৈ খেতি-বাতি কৰিছে সেই সকল খেতিয়কক এই আচনিৰ যোগেদি সাহায্য আগবঢ়াবলৈ ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছেনে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইবোৰ কথা যোগাযোগ কৰি থকাৰ কাৰণেই কিছু দেৰি হৈছে।

শ্ৰীআফজালুৰ ৰহমান : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিৰ পৰা গল যে এই বিষয়টো লৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। এতিয়া কথা হৈছে আমাৰ ৰাজ্যত প্ৰবল বানপানীৰ ফলত প্ৰতি বছৰে খেতিয়কৰ শস্য নষ্ট হৈ তেওঁলোকক জুৰুলা কৰিছে। ইয়াৰ কাৰণে চৰকাৰে কিবা বিকল্প ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই আটাইবোৰ কথা আইনখনত সাঙুৰি দিয়াৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো। কিন্তু সম্প্ৰতে এই আঁচনিখন আমাৰ ইয়াত প্ৰয়োগ কৰিলে আমাৰ খেতিয়কসকল উপকৃত নহব বুলিয়েই, আমাৰ যিসকল খেতিয়ক বানপানী আৰু খৰাং বতৰৰ বাবে ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকক সকাহ দিয়াৰ কাৰণে আমি শষ্যৰ বীজ বিতৰণ আৰু মাটি ট্ৰেক্টৰাইজেচন আদিৰ ব্যৱস্থা লৈছো।

**বি : কৰ্ম্ম অভিজ্ঞতা**

শ্ৰীমথুৰা ডেকাই সুধিছে :

*২৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) প্ৰাইমেৰী আৰু মজলীয়া স্কুলৰ শ্ৰেণী বিশেষত কৰ্ম্ম অভিজ্ঞতাৰ বাবদ পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ পৰা হাতৰ কাম বিচৰা বিষয়টো বিধান সভাত আলোচনা কৰা বিষয়ে জানেনে ?

(খ) যদি জানে হাতৰ কাম দিয়া বন্ধ কৰি অন্য এক ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, জানে।

(খ) এই বিষয়ে বিভাগে পৰীক্ষা কৰি আছে।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ আমাৰ আগতে সদনত প্ৰশ্ন উঠিছিল আৰু মন্ত্ৰী মহোদয়েও প্ৰতিশ্ৰুতি দিছিল যে এইটো বন্ধ কৰা হব। কিন্তু আজি পুনৰ মন্ত্ৰী মহোদয়ে কৈছে যে এইটো বিবেচনা কৰাহে হব। এইটো বিবেচনাৰ বিষয় নহয়। ইয়াৰ দ্বাৰা গাৱলীয়া ৰাইজক অত্যাচাৰ কৰাহে হৈছে। কাৰণ ছাত্ৰই বজাৰৰ পৰা দলা-চালনি কিনি আনি আৰু ছাত্ৰীসকলে ভাল ভাল কাপোৰৰ এমব্ৰভায়েৰী কৰা ৰুমাল আদি কিনি স্কুলত দিয়ে আৰু সেইবোৰ শিক্ষকসকলে বজাৰত বিক্ৰি কৰি পইচা ঘটে। গতিকে মন্ত্ৰী মহোদয়ক এইটো দাবী জনাওঁ যে যিহেতু এই বিষয়ে তেখেতে আগতে প্ৰতিশ্ৰুতি দিছিল সেয়ে ইয়াত তৎকালে বন্ধ কৰিব লাগে।

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো প্ৰতিশ্ৰুতি হিচাবে দিয়া হোৱা নাছিল। পৰীক্ষা কৰি চোৱা হব বুলিহে কোৱা হৈছিল। আপোনালোকে জানে যে আমাৰ এই শিক্ষাৰ মানদণ্ড আৰু পাঠ্যক্ৰম সম্পৰ্কে বিবেচনা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ এন-চি-ই-আৰ-টিৰ আহিত অসমতো এচ-চি-ই-আৰ-টি নামেৰে এটা নতুন অনুস্থান গঢ়ি তোলা হৈছে। এইখিনিতে আনি আৰু এটা কথা লক্ষ্য কৰিব লগা হৈছে— সৰ্ব্বভাৰতীয় ভিত্তিত কোঠাৰি কমিচনে যি চুপাৰীশ আগবঢ়াইছে সেই চুপাৰীশ মতেও আমাৰ প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ বা স্কুল পৰ্য্যায়লৈ এই পাঠ্যক্ৰমবোৰ কেনে-ধৰণে আমি যুগুত কৰিব পাৰো সেই আটাইবোৰ কথা পৰীক্ষা নীৰিক্ষা কৰিবলৈ এই অনুষ্ঠানটো গঢ়ি তোলা হৈছে। এই অনুষ্ঠানটোৰ বিশেষজ্ঞ সকলে এই ক্ষেত্ৰত আমাক আৰু কিছুমান নতুন পথ দেখুৱাব বুলি আশা কৰা হৈছে।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ কথাৰ পৰা এইটোৱেই বুজা গল যে তেখেতে আমাৰ কথাটো ৰখাৰ ইচ্ছা নাই। তেখেতে সৰ্ব্ব-ভাৰতীয় নীতিৰ কথা কৈ আমাৰ ৰাজ্যৰ যি প্ৰাপ্তবয়স্ক শিক্ষাৰ কথা আৰু এচ-চি-ই আৰ-টিৰ কথা কৈছে তাৰ দ্বাৰা আমাৰ ইয়াত একো কাম নহব।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত আমি সৰ্ব্বভাৰতীয় নীতিকেই মানি লৈছো। ডিগ্ৰী পাঠ্যক্ৰম তিনিবছৰীয়া আৰু প্ৰাথমিক পৰ্য্যা-য়ৰ পৰা কলেজলৈকে দহ যোগ, দুই যোগ তিনি পাঠ্যক্ৰমৰ নীতিকেই আমি

মানি লৈছো। এতিয়া এই আটাইবোৰ কথা অকল প্ৰাইমেৰী পৰ্য্যায়তেই নহয়, গোটেই স্কুলীয়া শিক্ষাৰ পৰ্য্যায়তে কেনেধৰণে কৰিলে ভাল হয় তাক এচ-চি-ই-আৰ-টিৰ আহিবে এচ-চি-ই-আৰ-টিৰ যোগেৰে গৱেষণা কৰি ব্যৱস্থা হাতত লবলৈ চেষ্টা কৰিছো।

শ্ৰীপ্ৰসাদ দলে : অধ্যক্ষ মহোদয়, আমাৰ অসমত হাতৰ কাম দিয়াৰ ব্যৱস্থাটো প্ৰাইমেৰী আৰু অন্যান্য স্কুলবোৰত আছে। সেই পদ্ধতিটো অসমৰ বাহিৰৰ ৰাজ্যবোৰত আছেনে নাই ? যদি আছে তেন্তে তেওঁলোকৰ দৈনিক ৰুটিনত এই শিক্ষা দিয়াৰ যি ব্যৱস্থা আছে আমাৰ ইয়াত তেনে ব্যৱস্থা কৰিবনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই ব্যৱস্থা সমূহ আমি কোঠাৰী আয়োগৰ ব্যৱস্থামতে কৰিবলৈ লৈছো। তেওঁ-লোকে এই চুপাৰীশ সৰ্ব্ব ভাৰতীয় ভিত্তিত আগবঢ়াইছে। এই শিক্ষাৰ ব্যৱস্থা অন্য ৰাজ্যত কেনেধৰণে হৈছে মই কব নোৱাৰো। কিন্তু আমি এই গোটেই ব্যৱস্থাটো কেনেকৈ কৰিলে ভাল হয় তাৰহে চিন্তা কৰিছো।

শ্ৰীঅলিত বড়ো : অধ্যক্ষ মহোদয়, আমাৰ স্কুলবোৰৰ পাঠ্যক্ৰমত যিটো কৰ্ম্ম অভিজ্ঞতাৰ বিষয় আছে সেই বিষয়টোৰ কাৰণে শিক্ষক নিযুক্তি দিয়া হয়নে নহয় সেই বিষয়ৰ অভিজ্ঞতা থকা ? আৰু যদি দিয়া নাই তেনেহলে কি ভিত্তিত এই বিষয়ত ছাত্ৰ-ছাত্ৰীক নম্বৰ দিয়া হয় ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কৰ্ম্ম অভিজ্ঞতাৰ বিষয়টোৰ ওপৰত এই সদনত বহু বাৰ আলোচনা কৰা হৈছে। গতিকে এই বিষয়ত কেনেকৈ শিক্ষক নিযুক্তি দিব পৰা হয় আৰু অন্যান্য দিশ সমূহ চালি-জাৰি ৰোৱাৰ কাৰণে আমি পৰীক্ষা কৰি আছো।

Shri Binoy Kumar Basumatari : Sir, is the Government aware that there is a very big corruption going on the turn over from sale of the work experience in all the schools ? Has the Government made any enquiry as to what is the total turn over from the work experience of the students in various schools of the state ?

Shri Mukut Sarma, (Minister, Education) : I have no such information but I will look into it.

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, আমাৰ স্কুলবোৰত ছাত্ৰ-ছাত্ৰীৰ যিটো

কৰ্ম্ম অভিজ্ঞতাৰ বিষয় সেই বিষয়টোৰ দ্বাৰা তেওঁলোকক আৱন্তণীৰে পৰা দূৰ্নীতিলৈ আগবঢ়াই দিয়া হৈছে। তেওঁলোকক ঠগ-প্ৰবঞ্চনা কৰিবলৈ আৰু মিছা কথা কবলৈ শিকোৱা হৈছে। কৰ্ম্ম অভিজ্ঞতাৰ যিবোৰ বস্তু সেইবোৰ শিক্ষকে বজাৰত বিক্ৰী নকৰি স্কুলতে জমা ৰখাৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই নিজেও গৰমকালি বিছুমান স্কুল পৰিদৰ্শনলৈ গলে তেওঁলোকৰ স্কুলৰ কৰ্ম্ম অভিজ্ঞতাৰ বিচনিবে বা নবলৈ বিচাৰো। ইয়াৰ পৰা দেখা গৈছে তেওঁলোকে গোটেইবোৰ বস্তু বিক্ৰী কৰি নেপেলাই। কিছুমান স্কুলত থবলৈ ঠাই নোহোৱাৰ বাবেহে বিক্ৰী কৰে। গতিকে এই আটাইবোৰ কথা এচ-চি-ই-আৰ-টিৰ যোগেদি পৰীক্ষা কৰি চাব খুজিছো।

Starred Questions 24 was not called for.

**Re : Sukla Irrigation Project.**

Shri Purna Boro asked :

*25. Will the Minister, Irrigation be pleased to state :—

(a) Whether it is a fact that the Sukla Irrigation Project is not capable of irrigating land properly at the time of need of the cultivations ?

(b) If so, the reason thereof ?

(c) Whether it is also a fact that provisions of some field canal are going to be made ?

(d) If so, the number of field canal to be dug ?

Shri Zahirul Islam (Minister, Irrigation) replied :

(a) Yes, to certain extent.

(b) Absence of water course and field channels and excessive transmission loss.

(c) Yes.

(d) The precise number of field channels for the project can be assessed only after detailed survey, planning and design of the entire command area.

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই কথা স্বীকাৰ কৰিছে যে শুক্লা জলসিঞ্চন আচনিৰ দ্বাৰা পানী যোগানত কিছু ব্যৰ্থ হৈছে। এতিয়া

এই অঞ্চলটোত কিছুমান ফিল্ড চেনেল মির্ম্মাণ কৰাৰ কথা চৰকাৰে চিন্তা কৰিছে। এই ফিল্ড চেনেল খন্দাৰ সময়ত কৃষকৰ লগত আলোচনা কৰাৰ কিবা ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই সম্পৰ্কত এটা বিস্তৃত জৰীপৰ কাম সেই অঞ্চলত চলি আছে। এই জৰীপত কিছুমান ৰেল বিভাগৰ বিষয়া, জলসিঞ্চন বিভাগৰ বিষয়া আদিকে লৈ এজন চেয়াৰমেন কাম মেনেজিং ডিৰেক্টৰ আছে। এই গোটেই কমাণ্ড এৰিয়াটোত ১৯১৬৪ হেক্টৰ মাটিক সামৰি লৈ কৰা হৈছে আৰু বিস্তৃত জৰীপৰ কাম শেষ হলেই বৰ্তমানৰ যি ১০ শতাংশ কাম হৈছে আৰু বাকী থকা ৯০ শতাংশ কাম হাতত লব পৰা হব। আৰু এইটো কৰিবলৈ যাওতে আমি স্থানীয় কৃষকসকলৰ লগতো নিশ্চয় আলোচনা কৰিম।

শ্ৰীপূৰ্ণ বড়ো: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই আঁচনিৰ কাম কৰিবলৈ যাওতে কৃষকৰ লগত আলোচনা কৰা হব। কিন্তু ৰামগাওঁ আৰু তাৰ ওচৰে পাজৰে অঞ্চলত এই বিভাগৰ বিষয়াসকল জৰীপ কৰিবলৈ যাওতে ৰামগাওঁৰ ওচৰেৰে এটা ফিল্ড চেনেল লাগে বুলি দাবী জনাইছিল। কিন্তু বিষয়াসকলে পিচে সেই ফিড চেনেল নহব বুলি কৈছে। এনে ক্ষেত্ৰত স্থানীয় ৰাইজৰ কি পৰামৰ্শ এই বিভাগে মানি ললে? সেই কাৰণে মই মন্ত্ৰী মহোদয়ক দাবী জনাওঁ যে ৰামগাওঁৰ ওচৰেৰে এটা ফিল্ড চেনেল দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী): এইটো ৰামগাওঁৰ ওচৰেৰে হব বুলি মই কব নোৱাৰো। আমাৰ যিসকল বিষয়াই সেই কামবোৰ চোৱা-চিটা কৰিছে তেওঁলোকৰ লগত মই কথাটো আলোচনা কৰিম।

শ্ৰীআফজালুৰ ৰহমান: অধ্যক্ষ মহোদয়, এই শুক্ৰা জলসিঞ্চন প্ৰকল্পটো কেতিয়া আৰম্ভ কৰা হৈছিল আৰু এই আচনিৰ জৰিয়তে কিমান হেক্টৰ মাটিত পানী যোগান ধৰাৰ পৰিকল্পনা কৰা হৈছিল আৰু অজিলৈকে কিমান হেক্টৰত পানী যোগান ধৰা হৈছে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই প্ৰকল্পটো ১৯৬২ চনতেই আৰম্ভ কৰা হৈছে। এই প্ৰকল্পত কমাণ্ড এৰিয়া হিচাপে লোৱা হৈছিল—১৯১৬৪ হেক্টৰ। তাৰে শতকৰা ১০ ভাগ মাটিত ইতিমধ্যে পানী যোগান ধৰা হৈছে!

শ্ৰীমথুৰা ডেকা ঃ অধ্যক্ষ মহোদয়, এই টেকনিকেল এডভাইজৰী কমিটিত ভাল অভিজ্ঞতাসম্পন্ন খেতিয়কক মেম্বাৰ কৰি লোৱাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীজেহিৰুল ইছলাম ঃ অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে কৈছে যেতিয়া এইটো বিবেচনা কৰা হব।

শ্ৰীমথুৰা ডেকা ঃ অধ্যক্ষ মহোদয়, এইটো এটা বিৰাট এলেকা। গতিকে প্ৰতিনিধিৰ দ্বাৰা নহয়। যদি কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আছে, তেনেহলে আমাৰ ওপৰা-ওপৰি কৰাৰ দৰ্কাৰ নাই। গাওঁ অঞ্চলত খেতি কৰিব তাৰ বাবে পইচা কেন্দ্ৰীয় চৰকাৰে দিব, পথাৰত পানী দিব গতিকে কৰিবলৈ একো নাই।

শ্ৰীজেহেৰুল ইছলাম (মন্ত্ৰী) ঃ এই বিষয়ে উত্তৰত কোৱা হৈছে।

শ্ৰীআফজালুৰ ৰহমান ঃ এই আঁচনিৰ বাবে ১৯৬২ চনত কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কিমান টকাৰ প্ৰাইজ এস্কেলেশ্বন দিয়া হৈছিল ?

Shri Zahirul Islam, (Ministe ) : Original estimated cost was 67 lakhs. On 13.11.65, 298.50 lakhs on 11.6 69 and 490 lakhs on 6.2.79 from CWC communicating Planning Commission approval. Rs. 475 lakhs is the up-to-date expenditure.

Starred Question 26 was not called for

**Re : Electrification of villages of Rangia and Goreswar Circles.**

Shri Purna Boro asked :

*27. Will the Minister, Power be pleased to state :—

(a) The number of electrified villages of Rangia and Goreswar Circle at present ?

(b) The number of villages of both circles yet to be electrified ?

(c) Whether remaining villages could be electrified now ?

Shri Abdul Muhib Mazumdar (Minister, Power) replied :

(a) Number of electrified villages as on 30th June' 85 in Rangia thana comprising Rangia and Goreswar Circles

are as follows :—

Rangia circle— 91 Nos of villages
Goreswar circle – 30 Nos of villages.

Total – 121 Nos of villages.

(b) Number of villages as on 30th June ' 85 remain to be electrified in Rangia thana comprising Rangia and Goreswar circles are as follows :—

Rangia circle— 26 Nos of villages.
Goreswar circle— 37 Nos of villages.

Total — 63 Nos of villages.

(c) Remaining villages are proposed to be electrified in the 7th plan period.

শ্ৰীআফজালুৰ ৰহমান : অধ্যক্ষ মহোদয়, এই যে ভিলেজ ইলেক্‌ট্ৰিফিকেশ্বন কৰা হৈছে এই ভিলেজ ইলেক্‌ট্ৰিফিকেশ্বনৰ ডেফিনেশ্বনটো কি ?

Shri Afzalur Rahman : How many lights are to be lighted or single light.

Shri Abdul Muhib Mazumder (Minister) : So far as the defination of electrification is concerned I have explained before the House several times earlier. If we take a pole to the village the village is taken to be electrified ( laughter from all sides of the House ).

**বি : মেৰাপানী পুলিচ চকী।**

শ্ৰীতাৰিণীয়ে সুধিছে :

*২৮। মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মেৰাপানী পুলিচ চকীত কিমান চিপাহী নিয়োগ কৰা হৈছিল ?

(খ) এই চকীটো কোন প্ৰদেশৰ মাটিত আছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) মেৰাপানী আৰক্ষী চকীত ৩জন অশস্ত্ৰ উপ-পৰিদৰ্শক, ২জন সহকাৰী উপ-পৰিদৰ্শক আৰু ৯জন আৰক্ষী আছিল।

(খ) অসমৰ মাটিত আছে।

শ্ৰীতাৰিণী ঃ অধ্যক্ষ মহোদয়, এই চকীবিলাক কেতিয়া স্থাপন কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্য মন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, এই চকী বিলাক বহুত পুৰণা আৰু ১৯৭২ চনৰ পৰা চলি আছে।

**Re : Erosion effected area of south Salmara.**

Shri Purna Boro asked :

*29. Will the Minister, Flood Control be pleased to state :—

(a) Whether Government is aware of the fact that Fakirganj of South Salmara is a erosion effected place ?

(b) If so, whether erosion measures have been taken ?

(c) If so, what type of erosion protection measures have been taken ?

Shri Ranendra Narayan Basumatary (Minister, Flood Control) replied :

(a) Yes.

(b) No.

(c) Does not arise.

শ্ৰীপূৰ্ণ বড়ো ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে ফকিৰগঞ্জ ইৰোশ্বন এফেক্‌টটেড অঞ্চল। কিন্তু তাত ইৰোশ্বন প্ৰতিৰোধ কৰিবৰ একো ব্যৱস্থা গ্ৰহণ কৰা নাই কিয় ?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল এনটি ইৰোশ্বন মেজাৰ লোৱাহে। ইৰোশ্বনৰ নহয়।

শ্ৰীপূৰ্ণ বড়ো ঃ অধ্যক্ষ মহোদয়, এনটি ইৰোশ্বনেই দিয়া হৈছিল। চি প্ৰশ্নত আছিল যে এইটো মন্ত্ৰী মহোদয়ে বুজিব লাগে।

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, প্ৰশ্ন বুজি উত্তৰ দিয়া হৈছে। মই এইটো পঢ়ি দিছো। The entire reach of Brahmaputra dyke south bank of Brahmaputra from Kharmuja to Tatipara is an actively erosion affected reach. The erosion

has taken serious turn at Sonahara, Rakhaldubi, Joybhumtila, Chunari, Jaleswar, Mahajanpara, Ghagmari, Fakirganj, Ravatary, South Salmara, Kolchabhanga etc. Erosion problem is such giagantic in nature that a huge resource is necessary to tackle this problem. During the tenure of last few years some anti-erosion measures although most palliative in nature have been taken in the different places such as Rakhaldubi, Chunari, Jaleswar, Ghagmari etc., During the financial year of 1984-85 some anti-erosion works have been taken up in South Salmara. Moreover works for construction of a few number of dampeners have been taken up to check the erosion of Ravatary retirement and Kalchabhanga retirement. (Nine nos. at Ravatary and 4 nos. at Kalchabhanga). The works of these dampeners are almost completed. During this financial year 1985-86 the anti-erosion measures at South Salmara town is under construction with a provision of 14 nos. of dampeners. The works are in progress. But required progress could not be achieved due to paucity of fund.

The following anti-erosion schemes are proposed to be taken up in this financial year of 1985-86, if required fund is recieved from Government of India under 533 Central Loan Assistance Head.

1. Anti-erosion scheme is between Ch. 5.50 KM to 8.50 KM to protect B/dyke at Rakhaldubi (Approximate cost Rs. 26.61 lakhs). The provision of the schemes are—

1. Boulder bed bar – 8 Nos.
2. Boulder apron – 450 M length.
3. Effected reach of the scheme 725 M.

Anti-erosion scheme to protect B/dyke in between Ch. 15.C0 KM to 18.00 KM near Chunari Kasima village (estimated cost Rs. 15.904 lakhs). The provisions of the Scheme are—

1. Boulder bed bar .... 15 nos.
2. Porcupine bar .... 25 nos.
3. In a reach of .... 2.52 KM.

Anti-erosion scheme to protect B/dyke from Ch. 44.C0 KM to 52.00 KM Ghagmari (approx. estimated cost Rs. 39.806 lakhs). The provisions of the scheme are—

1. Timber dampener .... 7 nos.
2. Pile screen .... 3 nos.
3. For a reach of length. .... 840 KM.

It has been observed from the experience that the anti-erosion works so far taken up in the reach from Kharmuja to Tantipara could only hold the bank and check the erosion temporarily. Some major anti-erosion scheme with adequate anti-erosion provisions are necessary in this reach and keeping this in view 2 schemes, namely (1) Channelisation of river Brahmaputra from Balikuchi to Fakirganj from Ch. 41st KM to 52nd KM of the existing Brahmaputra dyke, (2) Channelisation of river Brahmaputra from Fakirganj to Hazirhat from 56th KM to 6lst KM of the existing dyke have been recommended by the 6th TAC in December 1984 and was approved by 4th A.S.B.V.F. Board on 22 3.85 for an approx'mate cost of Rs. 10.14 crores, and Rs. 4.28 crores respectively. In the proposed major schemes, provisions of 7 and 4 Nos. of land spurs respectively have been tentatively fixed along with timber dampeners and spur in beetween.

Deta'led estimates are now under preparation and is being sent to C.W.C shortly. Preparation of this type of scheme taken some time as detailed surface survey, river survey, collection of hydrological data, different data from revenue authority and civil authority are to be collected: It is expected that the schemes will be submitted to C.W.C. very soon preferably at the end of flood season:

**বিঃ গুৰমৌ আৰু দেউলকুচিত স্বাস্থ্য উপকেন্দ্ৰ ।**

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

*৩০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱেশ্বৰ ৰাজহ চক্ৰৰ গুৰমৌ আৰু দেউলকুচিৰ স্বাস্থ্য উপকেন্দ্ৰ নিমাৰ্ণৰ কাম সম্পূৰ্ণ কৰা হৈছে নেকি ?

(খ) যদি হৈছে, নাৰ্চ নিযুক্তি দিয়া হৈছে নে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গোৱেশ্বৰ ৰাজহ চক্ৰৰ গুৰমৌ আৰু দেউলকুচি উপস্বাস্থ্য কেন্দ্ৰৰ কাম সম্পূৰ্ণ কৰা হৈছে, কিন্তু এই ঘৰ দুটা বৰ্ত্তমানলৈকে চমজাই দিয়া হোৱা নাই কাৰণে উপস্বাস্থ্য কেন্দ্ৰ ভাড়া ঘৰতে ৰখা হৈছে।

(খ) উপস্বাস্থ্য কেন্দ্ৰ দুটাত এ, এন, এম্ নিযুক্তি দিয়া হৈছে। কিন্তু জুন মাহলৈকে তেওঁলোকে কামত যোগ দিয়া নাই ।

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ঘৰ বন্ধা হৈছে কিন্তু এইটো হেণ্ড অভাৰ হোৱা নাই। ভাড়া ঘৰতেই কাম চলি আছে। মন্ত্ৰী মহোদয়ে জনাবনে এই চাৰ চেন্টাৰৰ কাম কেতিয়া সম্পূৰ্ণ হৈছে ?

ডঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— তাৰিখটো মোৰ হাতত নাই। সম্পুৰ্ণ হোৱাটো জানো।

শ্ৰীপূৰ্ণ বড়ো :— মন্ত্ৰী মহোদয়ে জানেনে যে সেই ঘৰ এতিয়া ভাঙি যাব আৰম্ভ কৰিছে।

ডঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— সেইকথা মই কৈছোৱেই যে ঘৰ-দুৱাৰ ভাল কৰি তাত এ, এন, এম নিযুক্তি দিব লাগে।

শ্ৰীপূৰ্ণ বড়ো : মন্ত্ৰী মহোদয়ে কৈছে যে ষ্টাফ নিযুক্তি দিয়া হৈছে কিন্তু জইন কৰা নাই।

ডঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— তাত এ, এন, এম বিলাক যাব নোখোজে। সোনকালে যাতে এ, এন, এম যায় তাৰ কাৰণে ব্যৱস্থা লোৱা হব।

শ্ৰীপূৰ্ণ বড়ো :— ঘৰটো লৈ ষ্টাফ নিযুক্তি দিয়াব ব্যৱস্থা সোনকালে কৰিবনে? কাৰণ আমি তালৈ গলে কয় যে ষ্টাফ নাই ইত্যাদি অভিযোগ দিয়ে।

ডঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— অতি সোনকালে কৰা হব।

শ্ৰীআফজালুৰ ৰহমান :— ঘৰটো সোনকালে সম্পূৰ্ণ কৰাৰ কাৰণে কনট্ৰাকটৰক কিমানবাৰ বিমাইণ্ডাৰ দিয়া বা প্ৰেচাৰ দিয়া হৈছিল?

ডঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো পি, ডব্লিউ, ডি বিভাগেহে কৰিছিল।

## SHORT NOTICE QUESTIONS AND ANSWERS

### Re : Training of Supervisors.

Shri Hemen Das asked :

1. Will the Minister, Social Welfare be pleased to state :

(a) Whether it is a fact that the Social Welfare Department recently selected a few lady Supervisors for the two years Post Graduate Studies at the Tata Institute, Bombay and if so, how were they selected ?

(b) Is it a fact that four Supervisors thus selected were allowed to air dash to Bombay after the last date of admission into the Institute was over, without first ascertaining whether seats were available for them at the Institute and if so, who authorised them to travel by air ?

(c) Is it not a fact that all the Supervisors thus sent to Bombay had to come back to Assam by air as they could not be admitted into the Institute for want of seats for them and if so, who is responsible for this wanton loss of public money and what step the Government would take to recover the loss to public exchequer from the person responsible for the loss ?

Shri Dipak Moormoo ( Minister, Social Welfare) replied :

1. (a) Yes, one lady Child Development Project Officer and three lady Supervisors were selected for two years M. A. degree Programme in Social Work. They were selected on the basis of their applications considering their aptitude and experience.

(b) Government did not allow any of the officers to air-dash to Bombay. The question of first ascertaining seats did not arise as the Tata Institute of Social Science requested to depute Government officers for the course of study. As such, question of authorising them to air-dash by any officer does not arise.

(c) Out of the four selected officers only two viz Smti. Renu Gogoi and Smti. Sampriti Barman went to Bombay and returned by train. It is learnt that they did not travel by air from Bomboy to Guwahati. There was no authority from the Government to return by air from Bombay. These two officers reported late after the last date of admission at the Tata Institute of Social Science, hence could not get admission. The question of recovery of Government loss therefore, does not arise.

Shri Hemen Das : Sir, the Minister has replied that they reported late. In view of that may I know form the Hon'ble Minister the last date of admission in Tata Institute of Social Science and the date of selection by the Government for that study ?

Shri Sadhan Ranjan Sarkar (Minister) : Sir, the last date was 19.6.85 and the date of interview was 21.6.85 and the date of starting the class was 24.6.85. Sir, these four officers reported on 26.6.85.

Shri Hemen Das: It is learnt the Government deputed the candidates. Whether the Government knew the last date of admission ?

Shri Sadhan Ranjan Sarkar (Minister): Taking into consideration the last date, the Government completed the selection on 22. 6. 85 but the Officers reported late to Bombay.

Shri Hemen Das: What is the last date for admission ?

Shri Sadhan Ranjan Sarkar (Minister): The last date for starting classes was 24.6.85.

Shri Hemen Das: As per report, they selected on 22.6.85.

Shri Sadhan Ranjan Sarkar (Minister): The last date for submitting application was 19.6.85; interview was taken on 21.6.85 and on the next day, they were selected.

Shri Hemen Das: Suppose they were selected on 22.-6.85. Is it humanly possible for a man or woman to join on 24.6.85 ?

Shri Sadhan Ranjan Sarkar (Minister): The whole question is that as and when the Government received the information from the Tata Institute of Social Science, it took action for selection of the candidates.

Shri Hemen Das: I want to know when did the Government send them ? Whether they were sent by Air or by train ?

Shri Sadhan Ranjan Sarkar (Minister): Government allowed them by train in the first class.

Shri Hemen Das: When did they arrive Bombay ?

Shri Sadhan Ranjan Sarkar (Minister): It is not known when they reached Bombay. It is the business of the candidates to inform us.

Shri Binoy Kumar Basumatary : I have heard that the Government had deputed them on 27.6.85. Will he clarify this ?

Shri Sadhan Ranjan Sarkar (Minister) : Sir, I am replying the questions from the records. He is asking from the heresay.

Shri Binoy Kumar Basumatari : I have sought clarification only.

Shri Sadhan Ranjan Sarkar (Minister) : I shall definitely verify the records and supply the reply.

Shri Binoy Kumar Basumatary : Whether the Government deputed the candidates on 27.6.85 ? I want clarification from him.

Shri Sadhan Ranjan Sarkar (Minister) : The clarification does not arise because I have already reiterated that they were selected on 22.6.85.

Shri Hemen Das : The Hon'ble Miniser has just now stated that they were finally selected on 23.6.85. Sir, I want your rulling. Is it possible for anybody to join at Bombay on 24.6.85, after final selection on 23.6.85 ?

Shri sadhan Ranjan Sarkar (Minister) : I have replied the point.

Shri Hemen Das : The Hon'ble Minister has stated that the final selection was done on 23.6.85:

Shri Binoy Kumar Basumatary ; Just now, he has stated the final date as 23.6.85.

Shri Sadhan Ranjan Sarkar (Minister) : I have said many times about the final date of selection.

Shri Hemen Das : It is strange that final selection was made on 23.6.85, whereas, they were required to re-

port on 24.6.85 to Bombay. They were afterall the depu-ted candidates of the Government.

.........................( Commotion )

Shri Afzalur Rahman : The real thing cannot be concealed by hue and cry.

Shri Hemen Das : The Minister must come prepared.

Shri Binoy Kumar Basumatary : We are authorised to obtain answers from the Minister. Government is bound to give answers— correct answers.

Mr. Speaker : The question hour is over.

Shri Hemen Das : I have not got the final answer to this question.

Mr. Speaker : If there was no financial business today, I would have no hesitation to allow further time. I think the hon'ble member Shri Das will not misunderstand.

Shri Hemen Das : I think it is your duty to compel the Minister to inform us the final date of selection.

Mr. Speaker : The Minister has agreed to produce it afterward. As the financial business is there, we cannot deviate from the Rule.

Shri Hemen Das : Sir, the Chair has become partial in this matter.

Mr. Speaker : The hon'ble members have forgotton that we have a long list of financial matters included in the business schedule of the day. Therefore I have no other alternative to which on to the next item.

Shri Hemen Das : Sir, I think it is your duty to protect our interest. We wanted to know the date of issue of the letter.

Mr. Speaker : That is al-right, but the Minister has

agreed to produce the facts afterwards. It is a busy day for us. Let me pass on to next item.

**Undisposed Questions :**

Short Notice Questions 2, 3, 4 and 5 could not be taken up for want of time. Howevr, written replies deemed to have been laid on the Table of the House as follows :

**Re : Incidence of Encephalitis.**

Shri Binoy Kumar Basumatary asked

2. Will the Minister, Health be pleased to state :—

(a) Whether the Government is aware that several deaths have taken place in the Kundarbil, Amjuli, Daodigaon and Gerua Villages within Udalguri (ST) L.A. constituency due to encephalitis ?

(b) If so, the preventive measures taken by the Government to control the incidences of encephalitis ?

(c) Whether the Government is aware that the attack of encephalitis have taken epidemie form in this area ?

(d) Whether the Government can give the number of death within Udalguri Sub-Division due to encephalitis ?

(e) Whether there is an anti encephalitis vaccine ?

(f) If so, is it available in Assam and if not, will the Government arrange to make available the vaccine ?

Dr. Bhumidhar Barman (Minister, Health) replied :

(a) No.

(b) Does not arise at present.

(c) No.

(d) No death of confirmed cases of encephalitis. However 5 patients clinically diagnosed as Encephal-

itis were treated at Baptis Christian Hospital at Harishinga with one death.

(e) & (f) Yes,, There are four kinds of vaccines :

i) Inactivated chick embryo vaccine.

ii) Live at tenuated tissue culture vaccine,

iii) Inactivated Cell culture vaccine,

iv) Inactivated mouse brain vaccine.

Vaccines are available in very limited quantity. If circumstances demand, the State Government will request the Government of India to import the vaccines from abroad.

**Re : Water harvesting cum-Fishery Scheme.**

Shri Barkat Ullah asked :

3. Will the Minister, Rural Development be pleased to state :

(a) Whether it is fact that a water harvesting cum-Fishery Scheme at Bamundi under RLEGP has been sanctioned ?

(b) If so whether the scheme has been executed ?

(c) If so, whether the scheme is still in continuation ?

(d) If not the reasons thereof ?

Shri Raghunath Pamegum (Minister, Rural Development) replied.

(a) Yes.

(b) The scheme has been partly executed.

(c) & (d) The execution of the scheme has been suspended temporarily because of the rains.

**Re : Posts for L. P. School Teachers.**

Shri Bimal Gayari asked :

4. Will the Minister, Education be pleased to state :

(a) Whether 24 (twenty four) posts of L. P. Schools teachers have been sanctioned by the Government for TSP area within the Nalbari Sub-division during the year 1984-85 ?

(b) Whether appointments have been made against those posts ?

(c) If not why ?

S'iri Mukut Sarma (Minister, Education) replied :

(a) Yes.

(b) No.

(c) The Sub-divisional Advisory Board could not be held.

**বি ঃ সৰুপথাৰৰ বনাঞ্চলত বাস কৰা লোকৰ নিৰাপত্তা।**

শ্ৰীআব্দুল মতলিবে সুধিছে :

৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সৰুপথাৰ সমষ্টিৰ দয়াং নৈ আৰু ধনশিৰী নৈৰ আৰু দক্ষিণে নগা পাহাৰলৈ এই বনাঞ্চলত কিমান লোকে বসবাস কৰি আছে ?

(খ) এইসকল লোকক নগা দুৰ্বৃত্তৰ পৰা ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) ৰেংমা বনাঞ্চলৰ পৰা ভয়ত বহুলোক ভাগি যোৱাৰ কথা চৰকাৰে জানে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰায় ২, ১৯, ৭২০ জন লোক।

(খ) নগালেণ্ড সীমান্ত অঞ্চলত থকা অসমৰ গাওঁবাসীক নগা দুৰ্বৃত্তৰ পৰা ৰক্ষা কৰিবলৈ নগালেণ্ডৰ লগত থকা গোটেই সীমান্ত অঞ্চল মুঠ ছয়টা এলেকাত ভগোৱা হয়। প্ৰতিটো এলেকাত আৱশ্যক অনুসৰি সীমান্ত আৰক্ষী চকী স্থাপন কৰি পহৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ) মেৰাপানীত হোৱা সংঘৰ্ষৰ সময়ত কিছুলোক ৰেংমা বনাঞ্চলৰ পৰা ভয়ত গুচি আহিছিল। কিন্তু তেওঁলোক পুনৰ নিজ নিজ বাসস্থানলৈ ঘূৰি যায়। বৰ্ত্তমান উক্ত অঞ্চলৰ লোক নগাৰ পৰা সদায় ভয়খাই থকাৰ প্ৰশ্ন নাই যদিও কিন্তু তেওঁলোকৰ মনত সংশয়ৰ ভাব এটি দেখা যায়।

**Supplementary Statement of Expenditure**

Item No. 2. : No discussion.

Shri Binoy Kumar Basumatary : Sir, a Point of Order, there is a Short Notice Question.

Mr. Speaker : That will not come up today as there is financial matters in the list, Please see the proviso, you will find it there.

**Voting on Supplementary demands for Grants, 1985-86**

Item No. 3.

Shri Keshab Chandra Gogoi (Minister): On the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 66, 23, 200 be granted to the Minister incharge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Land Revenue and Land Ceiling".

Mr. Speaker : There are two cut motions. One is tabled by Shri Tazhmul Ali Laskar, and Binoy Kumar Basumatary and the other by Shri Afzalur Rahman. Shri Basumatary to move.

Shri Binoy Kumar Basumatary : Sir, I beg to move that the provision of Rs. 66, 23, 200 under Supplementary Demand No. 6 in respect of "Land Revenue and Land Ceiling" at page 1 of the List of Supplementary Demands be reduced by Rs. 100 i. e. the amount of the whole Supplementary Demand of Rs. 66, 23, 200 do stand reduced by Rs. 100/—

Shri Afzalur Rahman : Sir, I beg to that the provision of Rs. 66, 23, 200 under Supplementary Demand No. 6 in respect of "Land Revenue and Land Ceiling" at

page 1 of the List of Supplementary Demands be reduced by Rs. 100 i. e. the amount of the whole Supplementary Demand of Rs. 66, 23, 200 do stand reduced by Rs. 100/—

Shri Binoy Kumar Basumatary : Sir, this relates to Rs. 48,20,000 for payment of remuneration to the gaon-buras. Sir, we are happy that Government have decided to enhance the allowance of the Gaonburas— but the problem is still there. Previously they used to Rs. 800 per year, now they will get Rs. 1800/— per year i. e. Rs. 150 per month. Sir, the Gaonburas are as you know, very important people in the State, whose opinions are accepted in matters of police cases, revenue matters, in emargencies, during natural calamities and law and order. These people are taken into confidence by the Local Administration in all such matters. The Gaonburas cannot stay at home— at the very early morning he used to go out of his house and returns back at night. These Gaonburas are expected to register births and deaths, but now this responsibility has gone to the Panchayat in respect of rural areas and to the town committies and corporations in the town areas. Now in the rural areas the births and deaths are being registered by two agencies and since the Panchayat has come into the picture, the gaonburas do not like to register it. There should be a clear cut direction from the Government in this respect.

Secondly, Rs. 150/— per month is not enough in vew of their heavy work. A gaonbura cannot stay at his home through out the day. He is to go all to parts of his area, settles local disputes and so on. The rate should

be further increased.

Sir, in the Explanatory Note it is said that Rs. 6 lakhs is required for conversion and updating of land records in the Revenue Town of Cachar District in metric system. This is a new system.

Sir, in my area which is still under Bighas and Kathas system, metric system has not yet started whereas the Government proposes to start in Silchar and Cachar District. Sir, for this conversion, I do not think it requires Rs. 6 lakhs. Because the people who are to start this are already existing there. It will be a simple manual calculation to convert Bighas, Kathas into metric system. Rs. 60 plus 6 lakhs are required i. e. total Rs. 66 lakhs are required for this system. With this sir, I would suggest that this allotment should be reduced and so much money should not be given to this department only for the purpose of conversion of the original system into metric system.

Thank you Sir.

শ্রীআফজালুর রহমান ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যে গাওঁবুড়াদেরে বৎসরে ৮০০ টাকা থেকে বাড়িয়ে ১৮০০ টাকা দেওয়ার যে প্রস্তাব এসেছে এটা একদিকে দেখতে গেলে অতি সামান্য কারণ, মাননীয় সদস্য শ্রীবিনয় বসুমতারিও বলেছেন যে এক একজন গাওঁবুড়া সকাল থেকে রাত ১১টা পর্য্যন্ত গ্রামের সাধারণ লোক রেভিনিউ দিচ্ছে কি না বা গ্রামাঞ্চলে সরকারের বিভিন্ন স্কীম দেখতে যেসব অফিসার যান তাদের সঙ্গে বিভিন্ন অঞ্চলে তাদের পরিদর্শনে যেতে হয়— এরকম বিভিন্ন কাজ তাদের করতে হয়। আমরা দেখেছি যে মৃত্যুর পর এক একজন গাওঁবুড়ার পরিবারের যে দুরবস্থা হয় তা মর্মান্তিক। কারণ সরকারের সমস্ত কাজ তারা গ্রাসরুট লেভেলে করে অথচ তাদেরে আমরা অবহেলার চোখে দেখি। আমি আশাকরি সরকার এই ব্যাপারটা আবার বিবেচনা করবেন। মহোদয়, আমরা দেখি যে আজও সারা রাজ্যে

এই গাওঁবুড়ার প্রচলন সমান নয়। ফলে কোনও কোনও অঞ্চলে আমরা দেখতে পাই যে একজন ফিস ডেমোনস্ট্রেটর বা এম এল এ বা অন্য কেউ যদি গ্রামাঞ্চলে যাই তাহলে সেখানে গাওঁবুড়া না থাকলে গ্রামের সমস্ত রেকর্ড ক্লামজি দেখতে পাই। কারণ এমন সব অঞ্চল আছে যেখানে যাতায়াতে অসুবিধার জন্য কোনও অফিসার যেতে চায়না, বিশেষকরে চর এলাকায় অনেক জায়গায় নৌবায় যেতে হয় অথচ সেসব অঞ্চলে গাওঁবুড়া না থাকার ফলে সরকারের সকল সুযোগ সুবিধা থেকে তারা বঞ্চিত হয়। সরকারী সকল রাজকর্ম ঐসব অঞ্চলে দলীয় কোন্দলে পর্যবসিত হয়। মহোদয়, এই গাওঁ-বুড়াদের বেতন বৃদ্ধি হলে গ্রামাঞ্চলে সরকারী প্রশাসন আরও সচল হবে। কারণ, আমি মনে করি যে আজকাল পি আর সি দেওয়ার ব্যাপারে যে সমস্যা দেখা যায় সেক্ষেত্রে যদি আমরা গাওঁবুড়াদেরে পি আর সি দেওয়ার অধিকার দেই তাহলে একদিকে যেমন সাধারণ মানুষ হয়রানি থেকে বাঁচবে অন্যদিকে এই ব্যাপারে সরকারী কাজও ত্রুটিমুক্ত হবে। আমরা বর্তমানে দেখতে পাই যে জমির রেকর্ড দেখার জন্য লাটমণ্ডলকে ৩০-১০০ টাকা দিতে হয়। অথচ আমরা দেখতে পাই যে সবক্ষেত্রে সকলের নামে তো আর জমির পাট্টা নেই তাই তারা কি নাগরিকত্বের সার্টিফিকেট পাবেনা? বিশেষকরে কাছাড় ও গোয়ালপারা জেলায় জমিদারী প্রথা ছিল ফলে সেখানে হাজার হাজার সাধারণ চাষীদের জমির পাট্টা নেই। তারা কি পি আর সি পাবেনা? আর আজ যে অবস্থা হয়েছে যে পি আর সি না থাকলে সাধারণ লোক গ্রামের বাইরে গেলেই তাকে বাংলাদেশী-পাকিস্তানী নাগরিক বলে হয়রানি করা হয়।

মহোদয়, আর একটা কথা হলো যে কাছাড়ে শহর এলাকায় নাকি মেট্রিক সিষ্টেম চালু করা হবে। প্রধানমন্ত্রী আজ গ্রামের না খেতে পেয়ে মরা মানুষ গুলির কথা ভুলে এখন কম্পিউটারাইজেশনের দিকে মনযোগ দিয়ে-ছেন— বড়ই দুঃখের ব্যাপার। দুবেলা খাবার যোগাড় করতে মর্যাল ইম্মর্যাল কাজ কিছুই বাছ বিচার করতে পারছেনা— সে অবস্থায় শহরে মেট্রিক সিষ্টেম চালু করা নিতান্তই হাস্যকর ব্যাপার। এখনো আমাদের গ্রামাঞ্চল এতো অনগ্রসর ও দুর্ভেদ্য যে ২০ দফা কার্যসূচীর বেনিফিট অনেক গ্রামের লোক জানেইনা। উদাহরণ— টালিমারী গেজিং রেভিনিউ ভিলেজ। তাছাড়া নারা-মারী রেভিনিউ ভিলেজ যা অনুসূচীত ও ওবিসি লোকের বাসস্থান— তারা ডি আর ডি এ-র সমস্ত বেনিফিট থেকে বঞ্চিত হচ্ছে। তাই বলি যে আসাম

সরকার ৬০ লক্ষ টাকা খরচ করে যে শিলচরে যে মেট্রিক সিষ্টেম চালু করছেন তার বদলে যদি গ্রামাঞ্চলে উন্নতির জন্য খরচ করতেন তাহলে ভালো হতো। মহোদয়, কম্পোজিট লোন স্কীমের বেনিফিট সাধারণ গ্রামবাসীরা নিতে পারেনা কারণ বেশীরভাগ ক্ষেত্রেই নিজের বা বাবার নামে জমির পাট্টা নেই। কারণ আগের একান্নবর্তী পরিবারের নিয়ম অনুযায়ী জমির মালিকানা ঠাকুরদাদার নামে অথচ ঠাকুরদাদার নামে জমি থাকলে এই জমি মর্টগেজ এই লোনের জন্য গ্রহণ করা হয়না ফলে গ্রামে আরেক পারিবারিক সমস্যাও দেখা দিয়েছে। জমি ভাগ করার প্রবৃত্তির সঙ্গে সঙ্গে পারিবারিক শান্তি নষ্ট হচ্ছে। সুতরাং এদিকেও যেন সরকার নজর দেন। বাংলা একটা বই—পায়জামার কাহিনীতে পড়েছিলাম যে চীনের হোয়াংহো নদীর চর অঞ্চলের লোককে কি ভাবে চির দিনের মতো বন্যার কবল থেকে রক্ষা করে এদের উন্নতির পথে এগিয়ে নেওয়া হয়েছিল। কিন্তু আমাদের ব্রহ্মপুত্র উপত্যকার ১৪০০ হাজার হেক্টার জমি প্রতি বছর ভাসিয়ে নিয়ে যাচ্ছে। ভালকরে একটা পরিকল্পনা করে প্রয়োজনবোধে বিশ্ব ব্যাংক থেকে লোন নিয়েও কি এই সমস্যার সমাধান করা যায় না? ৬০ লক্ষ কেন দরকার হলে রাজস্ব মন্ত্রী ৬০ কোটি টাকা খরচ করে একটা ইতিহাস সৃষ্টি করেন না কেন?

শ্রীপূর্ণ বড়ো : অধ্যক্ষ মহোদয়, "ভূমি ৰাজহ আৰু মাটিৰ সীমা নিৰ্দ্ধাৰণ" এই শিতানত যি প্ৰস্তাৱ আহিছে সেই কৰ্ত্তন প্ৰস্তাৱ মই সমৰ্থন জনাই দুআষাৰ কব বিছাৰিছোঁ।

ইয়াত অৱশ্য গাওঁ বুঢ়া সকলৰ দৰমহা বৃদ্ধি কৰিব বিচৰা হৈছে, ইয়াত মোৰ আপত্তি নাই। তাতকৈ আৰু অলপ বেছি ধন যদি দিয়ে তেতিয়াহে ভাল হ'ব। ৰেভিনিউ ভিলেজত গাওঁবুঢ়াসকল গাওঁবুঢ়া হৈয়ে আছে। এতিয়া ৰেভিনিউ ভিলেজৰ সংখ্যা বাঢ়িছে, গতিকে ৰেভিনিউ ভিলেজ বিলাক নতুনকৈ নিৰ্দ্ধাৰণ কৰাৰ প্ৰয়োজন হৈছে, তাকে কৰা হলে গাওঁবুঢ়াৰ সংখ্যাও বৃদ্ধি হব। কিন্তু কথা হল গাওঁবুঢ়া সকল সদায় গাওঁবুঢ়া হৈয়েই আছে। আমি দেখিছোঁ এজন মৰাৰ পিচত তেওঁৰ লৰা গাওঁবুঢ়া হৈছে, আকৌ তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ লৰাক পতা হৈছে। এই ব্যৱস্থাত যে কাৰো আপত্তি নাই এনে নহয়। ৰাইজৰ আপত্তি আমি বিধায়ক হিচাবে পাইছোঁ। গাওঁবুঢ়াৰ বিৰুদ্ধে যেতিয়া অভিযোগ লৈ ৰাইজ আমাৰ ওচৰলৈ আহে আমি ডি, সিৰ ওচৰলৈ তেতিয়া পঠাই দিওঁ, কিন্তু একো বিচাৰ নহয়। কি কাৰণে ৰাইজে আপত্তি

কৰিছে বৰ্ত্তমান থকা জনে কি কাম কৰি আছে ইয়াৰ বিচাৰ চৰকাৰে নকৰে। তেনে স্থলত যেতিয়া এজন গাওঁবুঢ়া থাকে আৰু তেওঁৰ ওপৰত যেতিয়া কোনো অভিযোগ থাকে তেতিয়া তেওঁৰ অভিযোগ বিচাৰ কৰাৰ ব্যৱস্থা থাকিব লাগে।

গতিকে আজি এই সম্পৰ্কত গাওঁবুঢ়া সকলে যি কাম-কাজ ইতিমধ্যে কৰি আহিছে আৰু যি কামত তেওঁলোকক ন্যস্ত কৰা হৈছে সেই কাম তেওঁলোকে কৰিব লাগিব।

ইয়াৰ পিচত কাচাৰ জিলাত মেট্ৰিক পদ্ধতি প্ৰবৰ্ত্তনৰ কাৰণে ধন বিচৰা হৈছে। কিন্তু কথা হ'ল মাটি জোখ মাখৰ এই পদ্ধতি প্ৰবৰ্ত্তন কৰাৰ লগে লগে আজি চৰকাৰে এই বিষয়টো নজৰ দিয়া উচিত যে আমাৰ কৃষক সকল এনে এটা অৱস্থাত আছে বহুতে একচনীয়া মাটিৰ ম্যাদি পট্টা পোৱা নাই আৰু এনেকুৱা বহুত গাওঁ আছে যত মানুহে ম্যাদি পট্টা পোৱাৰ ব্যৱস্থাই কৰা হোৱা নাই যাৰ ফলত সেই সকলৰ মাটি থকা হিচাবটো চৰকাৰৰ গুচৰত নাই। কাছাৰ জিলাই হওক বা আন জিলাই হওক গোটেই অসমত মাটিৰ সমস্যা কি অৱস্থাত আছে সেইটো চাব লাগে। চৰকাৰে কৈছিল যে কৃষকক ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা কৰা হব আৰু আধিয়াৰ কৃষক সকলক মাটিৰ পট্টা দিয়াব ব্যৱস্থা কৰা হব। কিন্তু দুখৰ বিষয় আজিলৈকে এই ব্যৱস্থা প্ৰবৰ্ত্তন নহল। আমি আশা ৰাখিছোঁ কৃষকক নাৰ্য অধিকাৰ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব।

ইয়াকে কৈ মই সামৰণি মাৰিছোঁ।

Hon'ble Speaker : Mahamad Hussain is to Speak.

*শ্ৰীমহম্মদ হুচেইন: অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থনৰ ওপৰত দুআষাৰ মান কোৱাৰ আগতে এটা সাধাৰণ কথা উনুকিয়াব খুজিছোঁ।

আজি পৰিপূৰক মঞ্জুৰী দাবীৰ শিতানত আমি যি খন কিতাপ পাইছোঁ সেই খন ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে লিখা হৈছে। কিন্তু অসমীয়াত যিখন লিখিছে সেইখনৰ সংখ্যা বিলাক ইংৰাজীত লিখা হৈছে। ইংৰাজী খন কিন্তু ইংৰাজীতে লিখিছে। এই খিনিতে মোৰ এটা কথা মনত পৰিছে। "এজন মানুহে টকা ৮০ টা পাব, তেওঁলৈ চিঠি এখন লিখি টকাৰ সংখ্যাটো ইংৰাজীত লিখা হল। মানুহ জনে পঢ়িব নাজানে, ওচৰৰ এজনক

* Speech not correctd.

মাতি আনি সুধিলে কিমান টকা বুলি লিখা আছে? তেওঁ কলে যে ৪০ টকা। কাৰণ ইংৰাজীৰ ৮ সংখ্যাটো অসমীয়াত ৪ সংখ্যা হয়। সেইদৰে এই মঞ্জুৰীৰ ক্ষেত্ৰতো অসমীয়াত লিখা খনত ইংৰাজী সংখ্যা দিয়াত ১৪ কোটি ৮৮ লক্ষ ১ হেজাৰটো যদি আমি ১৪ কোটি ৪৪ লক্ষ ১ হেজাৰ বুলিব পাৰোঁ। গতিকে ভৱিষ্যতে যাতে এনে নহয় তাৰ বাবে মোৰ আগৰ অভিজ্ঞতাৰ কথা দোহাৰিলোঁ। মাননীয় অধ্যক্ষ উঠি যোৱাত উপাধ্যক্ষ অধ্যক্ষৰ আসনত বহে।

উপাধ্যক্ষ মহোদয়, গাওঁবুঢ়া সকলৰ দৰমহা বৃদ্ধি আৰু কাছাৰ জিলাত মেট্ৰিক পদ্ধতি পৰৱৰ্ত্তন বাৰ্বে আজি যিটো দাবী মঞ্জুৰী হৈছে, তাৰ ওপৰত মই ডুআশাৰ কথা কব খুজিছোঁ। উপাধ্যক্ষ মহোদয়, গাওঁবুঢ়া সকলৰ এনে অৱস্থা যে পুলিচ এজনক যেনেকৈ মাৰ্দাব কেচ এটাৰ সম্বাদ দিলে খোৱা ভাত এৰি থৈ যাব লগা হয় তেনেকৈ গাওঁবুঢ়া সকলেও মৌজাদাৰ বা এচ, ডি, চিয়ে মাতিলে খোৱা ভাত এৰি থৈ যাব লগা হয়। এতিয়া তেওঁলোকৰ দৰমহা ৮০০ টকাৰ পৰা ১৮০০ টকা কৰাত মই বৰ সন্তোষ পাইছোঁ। বছৰত ১৮০০ টকা মানে মাহে ১৫০ টকা। এই মানুহজনক গাওঁখনত মৌজাদাৰকে আদি কৰি এচ, ডি, চি মণ্ডল আদি সকলোৱে পুৰা গধূলি যি কোনো সময়তে বিচাৰে। তেওঁ নিজৰ ঘৰৰ কাম কৰিবলৈ সময় নাপায়। এইখিনিতে আৰু এটা নিজস্ব অভিজ্ঞতাৰ কথা কওঁ এই গাওঁ-বুঢ়া সকলে যেতিয়া দৰমহা লবলৈ যায় তেতিয়া এচ, ডি, চি অফিছত বিল পাছ কৰি আনে কিন্তু টকাখিনি দিবৰ সময়ত অফিছৰ পৰা এখন মৌজাদাৰ আৰু এচ, ডি, চিয়ে লিখি দিয়া চাৰ্টিফিকেট বিচাৰে। মৌজা-দাৰজনে এই মানুহজন মোৰ তাত কাম কৰে আৰু মই যেতিয়াই যেনেকৈ বিচাৰোঁ ঠিক তেনেকৈয়ে কৰিছে বুলি চাৰ্টিফিকেট দিব লাগে। আকৌ এচ, ডি, চিয়েও সেইদৰে এখন দিব লাগে। মৌজাদাৰৰ পৰা চাৰ্টিফিকেট আনিবলৈ গলে মৌজাদাৰে কয় তোক চাৰ্টিফিকেট দিব লাগিলে তই মোক পইচা কেইটামান দে। আকৌ হাকিমৰ ওচৰলৈ গলে হাকিমৰ পৰাও সেই ধৰনেই উত্তৰ পায় গতিকে তেওঁলোকক দিব লগীয়া হয় সেই পইছাবিলাকৰ পৰাই। মই নিজেই এদিন গাওঁবুঢ়াক লৈ গলোঁ কেৰাণী এজনৰ ওচৰলৈ। গৈ কলোঁ আপুনি যে আজি চাৰ্টিফিকেট বিচাৰিছে কিন্তু ট্ৰেজাৰী অফিছৰ পৰা বিল খন পাছ কৰাই আনোতে তেতিয়া জানো মৌজাদাৰ বা হাকিমৰ চাৰ্টিফিকেট বিচাৰিছিল? এতিয়া যদি মৌজাদাৰ বা হাকিমে গাওঁবুঢ়াজন

ভালকৈ কাম কৰা নাই বুলি লিখি দিয়ে তেতিয়া সেই ড্ৰকৰি অনা টকা-খিনি আপুনি ঘূৰাই দিব নেকি ? এইদৰেই অফিছাৰ সকলে মানুহক হেৰাচ্‌মেণ্ট দিয়ে। আজিকালি আমাৰ চাৰ্কোল বিলাকত একোখন চাৰ্কোল লেভেল এড্‌ভাইজৰী বৰ্ড কৰিছে। আপোনাৰ নিশ্চয় মনত আছে যোৱা গণ্ডগোলৰ সময়ত যিবোৰ মানুহ ক্ষতিগ্ৰস্ত হল সেইবোৰৰ পুলিচৰ ফালৰ পৰা ৰিপোৰ্ট কৰিছে। কিন্ত এই সম্পৰ্কত মই মিকিৰভেটাৰ এচ, ডি, চি জনৰ এটা কাহিনী কওঁ, সেইঠাইৰ কমিটী খনৰ চেয়াৰমেন মোক দিছিল। কিন্তু পিচত নটিফিকেচন হোৱাৰ পিচত তাত মোৰ নামটো কাটি কিৰণ বৰা, (আই কংগ্ৰেছৰ)ৰ নামটো সুমুৱাই দিলে। ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে সকলো বিধায়ককে এখন লিষ্ট দিবলৈ কোৱা নিশ্চয় তেখেতৰ মনত আছে। সেই মতে আমিও এখন লিষ্ট পঠাইছিলোঁ। কিন্তু পিচত মোক চেয়াৰমেন দিও কিয় নামটো কাটি দিলে নাজানো। মুঠতে পিচত শ্ৰীবৰাকহে চেয়াৰ-মেন দিলে। তাত দ্বিতীয় এখন লিষ্ট মতে ক্ষতিগ্ৰস্তক সাহায্য দিব লাগে। এচ, ডি, চিয়ে গাওঁবুঢ়াক মাতি আনিলে আৰু কলে যে "এইখিনি মানুহ ভূমিহীন বুলি লিখি দিব লাগে আৰু এই মানুহ জনৰ অনিষ্ট যদিও হোৱা নাই অনিষ্ট হৈছে বুলি লিখি দিয়ক" মই টকা দিম। এইদৰে দ্বিতীয়খন লিষ্টত, এম, এন, পি স্কীমত শ্ৰীকিৰণ বৰাই চেয়াৰমেনস্বিপত দিয়া টকাৰ এখন লিষ্ট মোৰ হাততো আছে। তাত মাটি দিয়া এজন মানুহৰ নাম কণক নাথ, পিতা, মহেন্দ্ৰ নাথ তেওঁ মাটি পাইছে তাৰাবৰীত। কিন্তু আমি ভালকৈ জানো যে তেওঁৰ আৰু বহুতো মাটি আগৰে পৰা আছেই। সেই মানুহজনে কেনেকৈ মাটি পালে ? আকৌ এজন তাৰ মেম্বাৰ নাম দীঘলা গোহাই তেওঁ নিজৰ দুজন লৰাৰ নামত মাটি বেলেগে বেলেগে পাইছে আৰু ৭৫০ কৈ টকাও পাইছে। উপাধ্যক্ষ মহোদয়, এই বিলাক গাওঁবুঢ়াৰ হতুৱাই লিখাই লয়, তেওঁ যদি লিখি দিবলৈ অমান্তি হয় তেতিয়া তেওঁলোকৰ চাকৰি যাব আৰু দৰমহা নাপাব বুলি ভয় দেখুৱাই। এইয়াই হল তেওঁলোকৰ অৱস্থা।

আজি যেনেকৈ চাকৰিয়ালসকলৰ চিকিৎসাৰ ব্যৱস্থা আছে তেনেকৈয়ে গাওঁবুঢ়া সকলৰো চিকিৎসাৰ ব্যৱস্থা কৰি দিলে ভাল হয়। এইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

কালিৰ এটা কথা কওঁ, যোৱা ১৬ তাৰিখে মন্ত্ৰী মহোদয়ে এটা অৰ্ডাৰ দিলে এজন এচ, ডি, চিক ৰাখিবৰ কাৰণে।

এইচিঠিখন আহি পৰিল ছেক্ৰেটাৰীৰ তাত। সেই সমষ্টিৰ বিধায়কজন মোৰ বন্ধু কাৰণে মোক এই বিষয়টো অনুসন্ধান কৰিবলৈ দিলে। মই সচিবৰ পি, এচ, ক সুধিলো তেওঁ কলে নাই আমি চিঠি পোৱা নাই। তেতিয়া ব্ৰান্সলৈ গলোঁ চুপাৰিটেণ্ডেণ্টক সুধিলো তেওঁ কলে মই পোৱা নাই, যিজন ডিলিং এচিচষ্টেণ্ট তেওঁ পাইছে নেকি ? তাতো নাই। তাৰ পিচত মই ডেপুটী চেক্ৰেটাৰীৰ ওচৰলৈ গলোঁ, গৈ দেখোঁ তেওঁৰ কাষত মস্ত ৰাউণ্ড টেবুল কনফাৰেন্স বহি আছে। মই এজন বিধায়ক গৈছোঁ বুলিও কোনো সৌজন্যতা প্ৰকাশ কৰা নাই। এই ডেপুটী চেক্ৰেটাৰী জনৰ নাম এ, কে, চৌধুৰী। পিচত মই নিজেই মাত লগায় কলোঁ যে আপোনাক অকণমান মই আমনি কৰিব খুজিছোঁ।

মই এই বিষয়ে ৰেকৰ্ড চাই কলোঁ যে চিঠিখন ইয়াতে পাইছে। তেতিয়া হুচেইন নামৰ যিজনে চিঠিখন ৰিচিপ্ত কৰিছিল তেওঁ ডেপুটি চেক্ৰেটাৰীলৈ পঠিয়াই দিয়া বুলি কলে। মই ডেপুটি চেক্ৰেটাৰীৰ তালৈ গলো। তেওঁ ৰাউণ্ড টেবুল এখনৰ ওচৰত বহুতৰ লগত বহি আছে। কিন্তু মই বিধান সভাৰ বিধায়ক এজন যোৱা সত্ত্বেও কোনো কাণ-যাৰ নকৰিলে আৰু চিঠিখন নাই পোৱা বুলি কলে। তিনিখন চিঠিৰ দুখন আছে অথচ এখন নাই। ডেপুটি চেক্ৰেটাৰী শ্ৰীএ-কে-চক্ৰৱৰ্ত্তী তেওঁ পোষ্টিং ট্ৰেন্সফাৰ আদিৰ চাৰ্জত আছে বোধকৰো। তাৰ পিচত মই চেক্ৰেটাৰীৰ ওচৰলৈ গলো। তেতিয়া ইতিমধ্যে ডেপুটি চেক্ৰেটাৰীয়ে চিঠিখন তেওঁৰ টেবুলত প্ৰেচাৰ দি ৰাখি চেক্ৰেটাৰীৰ ৰুমলৈ আহিল চেক্ৰেটাৰীয়ে মাতি পঠিওৱা কাৰণে। কিন্তু চিঠি নাই পোৱা বুলি কলে। হুচেইন নামৰ চিঠি ৰিচিপ্ত কৰাজনেও আহি চিঠি লগত ৰখা নাই ডেপুটি চেক্ৰেটাৰীৰ ওচৰলৈ পঠিওৱা বুলি কলে। আৰু কলে যে নিয়ম মতে কোনো ৰেকৰ্ড ৰখা নাই। কেৱল চিঠি আহিলে ৰিচিপ্ত কৰি ডেপুটি চেক্ৰেটাৰীলৈ পঠিওৱা হয়। ১৬-৭ তাৰিখৰ ৰাজহ মন্ত্ৰীৰ নিৰ্দ্দেশ সম্বলিত এই চিঠিখন পিচত ডেপুটি চেক্ৰেটাৰী চেক্ৰেটাৰীৰ ৰুমত বহি থাকোতে চেক্ৰেটাৰীৰ ব্যক্তিগত সচিব শ্ৰীগগৈয়ে ডেপুটি চেক্ৰেটাৰীৰ টেবুলৰ পৰা আনি হাজিৰ কৰালেহি। আমাৰ নিচিনা বিধায়ক এজনৰে যদি এই দশা হয় তেনেহলে সাধাৰণ মানুহৰ চিঠিৰ কি দশা হব ভাবি চাওক। প্ৰশাসনৰ ক্ষেত্ৰত এনে কথাই কি সুচায় বাৰু ? আঠশ টকাৰ পৰা ওঠৰশ টকা দিয়াৰ কাৰণে চাৰ্টিফিকেটৰ কথা কৈছে কিন্তু টকা অনাৰ

পিচত আৰু টকা আদায় দিয়াৰ পিচত চাৰ্টিফিকেট বিচাৰি কি হব। উদাহৰণ স্বৰূপে গাওঁবুঢ়া সকলৰ কথাকে চাওক। তেওঁলোক ধমকনিৰ কোৱত কাম কৰিব লগীয়া হৈছে। মাটি থাকিলেও নাই বুলি লিখি দিব লাগিব। যি ভাবে নিৰ্দ্দেশ দিয়ে সেই ভাবেই লিখি দিব লাগিব। মিকিৰভেটা, চৰাইবাহী, শিলখুটি এই তিনিটা চাৰ্কোলৰ ভিতৰত মিকিৰভেটা চাৰ্কোলৰ চেয়াৰম্যান আচলতে মই হব লাগে কিন্তু বল খেলাৰ নিচিনাকৈ মাৰি পঠিয়াই মোক চেয়াৰম্যান নিদি একে দলৰ বিধায়ক শ্ৰীকিৰণ বৰা বিধায়কক ইয়াৰ চেয়াৰম্যান পাতিলে। এই বিধায়ক কিৰণ বৰা ডাঙৰীয়াৰ চেয়াৰম্যানচিপত কিমান বিলাক কাম হৈছে সেই বিলাক তদন্ত কৰি দোষী বিষয়া সকলৰ শাস্তি প্ৰদান কৰাৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা ইয়াত প্ৰতিশ্ৰুতি বিচাৰিছো। বিধায়ক এজনকে যদি বিষয়া সকলে ডেপুটি চেক্ৰেটাৰী এজনে তেনে ব্যৱহাৰ কৰিব পাৰে তেনেহলে আন অন্য মানুহক কি ব্যৱহাৰ কৰিব ভাবি চাওক উপাধ্যক্ষ মহোদয়, ।

Shri Hemen Das : Sir, against such officer, action should be taken ; the matter should be referred to the Chief Minister.

(Interruption)

Sir, this is serious. Sir, as public representative we may move hither and thither many a time ; but if an officer behaves in this way, then it is really a matter of regret. Such an officer should be unequivocally condemned. Had the Chief Minister been here I would have requested him to take action against him immediately.

Mr. Deputy Speaker : But the Revenue Minister is there.

Shri Hemen Das : The Revenue Minister may be here, but in the Secretariat all officers belong to the Personnel Deptt and the Chief Minister is the Minister in charge who hold the Personnel Deptt.

শ্ৰীমহম্মদ হুচেইন ঃ মই চিলিং সম্পৰ্কে আগতে কৈছোৱেই। আমি বিঘা কঠা লোচাৰ নামত এতিয়াও কৰি আছো। তাতেই আমাৰ ভুল

হবলৈ চায়। এতিয়া আৰ-হেক্টৰ আদি প্ৰচলন কৰিবলৈ ওলাইছো। মণ্ডল কানন্থুগু বিলাকে মেপত কাঠপেন্সিলেৰে আঁক বাক কৰি সলাই দি গোলমাল কৰে বুলি সকলোৱে জানে। তেনে স্থলত বিঘা কঠা গুছাই আৰ-হেক্টৰ আদি প্ৰচলন কৰিবলৈ হলে কি যে কৰিব কোনে জানে ? এই কেৰোণ বিলাক আঁতৰাব লাগে। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

শ্ৰীকিৰণ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মূল দাবীৰ সমৰ্থনত মই দুষাৰমান কথা কব খুজিছো।

মাননীয় উপাধ্যক্ষ : শুনা নাই। ডাঙৰকৈ কওক। মাইক লওক।

*শ্ৰীকিৰণ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মূল দাবীৰ সমৰ্থনত মই দুষাৰমান কথা কব খুজিছো। মই এটা বিষয় দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে যি বিলাক মানুহৰ পঞ্চাশ ষাঠি বিঘা মাটি আছে সেই সকলক মাটি দিব নালাগে আৰু যি সকলৰ মাটি নাই তেনে মাটিহীন লোককহে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰকৃত ভূমিহীন মানুহকহে মাটি দিয়াৰ ব্যৱস্থা ৰাখিব লাগে। ইয়াত মাটি থকা মানুহক মাটি দিয়াৰ কথা উল্লেখ কৰাৰ লগে লগে মোৰ নামটোও ইয়াৰ লগত জড়িত কৰি উত্থাপন কৰা হৈছে। সেই সম্পৰ্কত দুষাৰমান কথা কব লাগিব। মিকিৰভেটা চাৰ্কোলৰ মই চেয়াৰম্যান আছো। দুৰ্ভাগ্যৰ বিষয় যে এটা কমিটিতো এম-এল-এ হিচাবে মোৰ নাম চেয়াৰম্যান কিংবা মেম্বাৰ হিচাবেও নাছিল। তেনে অৱস্থাত টিংবা মিকিৰভেটা কোনোটো চাৰ্কোলত মই প্ৰতিনিধিত্ব কৰিব পৰাকৈ নাম নিদিয়া কাৰণে বিষয়টো দৃষ্টিগোচৰ কৰিছিলো আৰু তেতিয়া মোক চেয়াৰম্যান হিচাবে নিৰ্দ্দেশ নাম পাইছিলো।

কিছুমান বেআইনী মানুহক পট্টা দিয়া হৈছে বুলি অভিযোগ কৰা হৈছে। এম, এল, এ সকল চেয়াৰমেন হলেও চেয়াৰমেনে মাটিৰ পট্টা নিদিয়ে। মাটিৰ পট্টা দিয়াৰ কাৰণে নিয়ম কানুন আছে আৰু সেই হিচাবে বিভিন্ন স্তৰত বিষয়াই অনুসন্ধান আদি কৰি প্ৰচেচ কৰি মাটিৰ পট্টা দিয়ে। মই চেয়াৰমেন হোৱা মাত্ৰ তিনি চাৰি মাহ মাহে হৈছে। গতিকে মোৰ দিনত .... .... ....

Shri Hemen Das : Sir, this is not the practice of the

* Speech not corrected.

House. An hon'ble member is not required to reply to another hon'ble member. He is replying to the allegation.

Mr. Deputy Speaker : He has not mentioned anybodies name.

Shri Sadhan Ranjan Sarkar : If any member brings any allegation against any member he has got the right to reply.

Shri Hemen Das : He has not become the chairman, it is the Govenrment which has dislodged hon'ble member Shri Hussain and appointed Shri Bora. It is a matter of policy, so he is not responsible.

শ্ৰীকিৰণ বৰা ঃ মাটি দিয়া সম্পৰ্কে তেখেত সকলে যেনেকৈ অনুসন্ধানৰ দাবী কৰিছে মই তাক সমৰ্থন কৰিছো। যদি কিবা কৰা হৈছে ভাল ৰকমে চিন্তা আদি কৰিহে কৰা হৈছে। কিবা দোষ হৈছে যদিও কাৰ দিনত হৈছে কব নোৱাৰো কিন্তু মোৰ দিনত হৈছে বুলিও কব নোৱাৰো।

শ্ৰীমহম্মদ হুচেইন ঃ যদি মোৰ দিনত হৈছে তেনেহলে মই সদনক আশ্বাস দিব পাৰো যে মই ৰিজাইন দিম।

শ্ৰীকিৰণ বৰা ঃ তেখেতে উল্লেখ কৰা কাৰণে কথাখিনি কৈছো চেয়াৰমেন সকলে মাটি দিব নোৱাৰে তাৰ কাৰণে উপদেষ্টা কমিটি আছে। উপদেষ্টা কমিটিয়ে সকলো কথা বিবেচনা কৰিব।

শ্ৰীমহম্মদ হুচেইন ঃ উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। তেখেতক যেতিয়া কবৰ কাৰণে সময় দিছে মোকো সময় দিব লাগিব। বিধায়ক হিচাবে আমাৰ এটা দায়িত্ব আছে। তাত থকা উপ প্ৰতি সমাহৰ্ত্তাজনৰ বিৰুদ্ধে অভিযোগ অনা হৈছিল যে তেওঁ তাত যোৱা তিনি মাহৰ ভিতৰতেই ৯২ হাজাৰ টকা দি এখন ট্ৰেকাৰ কিনিছিল। এজন উপপ্ৰতি সমাহৰ্ত্তাই ৩ মাহৰ ভিতৰতেই কেনেকৈ ইমান টকাৰে গাড়ী কিনিলে।

Mr. Deputy Speaker : Hon'ble Minister will take note of it.

Shri Binoy Kumar Basumatary : Sir, the debate on the

cut motion has so developed that there are particular allegations against officers and also the workings of the Government. As the debate has developed you should not stop us from dicussing it.

Mr. Deputy Speaker : It has already been discussed.

Shri Keshab Chandra Gogoi, (Minister) : Sir, it is very difficult for me to say specifically on all the points. I only request my friends to withdraw the cut motion and help the Revenue Department to carry out its functions.

Shri Binoy Kumar Basumatari : Sir, we have in support of our cut motion raised some pertinent points. Sir, it is the custom and tradition of the House that the points so raised should be replied to by the Minister concerned. Now the Minister has said that he is not in a position to reply. Sir, then what would be our protection ? What sort of assurance and reply we will get ? Sir, please clarify it. Sir, I have raised a point of order. It is the custom and tradition of the House that when points are raised in course of debate on the cut motion Minister concerned should reply to the points raised. Sir, will you allow the Minister to reply to our points or will you deny us the right to get answers.

Shri Keshab Chandra Gogoi, (Minister) : Sir, I have already said that it is not possible at this stage to reply to each and every individual member. I would only request the hon'ble members to withdraw the cut motion.

( Mr. Deputy Speaker vacated and Mr. Speaker occupied the Chair at 11.57 A. M. )

Mr. Speaker : Are you withdrawing the cut motion ?

Shri Binoy Kumar Basumatary ; Sir, without getting

a reply we cannot withdraw the cut motion.

Mr. Speaker : Now, I put the cut motion before the House that the provision of Rs. 66, 23, 200 under Supplementary Demand No. 6 in respect of "Land Revenue and Land Ceiling" at page 1 of the List of Supplementary Demands be reduced by Rs. 100, i. e. the amount of the whole Supplementary Demand of Rs. 66, 23, 200 do stand reduced by Rs. 100.

Shri Binoy Kumar Basumatary : Sir, I have raised a point of order and you have not given us a ruling.

(The cut motion is lost)

শ্রীআফজালুর রহমান : স্যার, আমরা গণতন্ত্রে বিশ্বাসী। গণতান্ত্রিক পদ্ধতিতে আমরা বিধানসভায় সরকারের সমালোচনা করি এবং সরকারের তরফ থেকে তার যথাযথ উত্তর আশা করি। কিন্তু ট্রেজারি বেঞ্চ যদি মেজরিটি সদস্যের সমর্থনের গর্বে আমাদের বক্তব্যের যথাযথ উত্তর না দেন তাহলে আমরা ভাবতে বাধ্য হবো যে গণতন্ত্র আর নেই এবং আমরা বিরোধীরা এক একজন পলিটিকেল প্রিজনার। আজ রেভিনিউ মিনিষ্টার যেভাবে আমাদের সমস্ত বক্তব্য এড়িয়ে— উত্তর দিতে অস্বীকার করলেন তা গণতান্ত্রিক নীতির পরিপন্থী এবং আপনি যদি এভাবে সদনের কাজ চলতে দেন তাহলে গণতন্ত্র নিঃশেষ হয়ে যাবে। বাংলাদেশে যেভাবে ডিক্‌টেটারশিপ চলছে আমাদেরও একই অবস্থা হবে। সুতরাং আমি আজ রাজস্ব মন্ত্রীর এই আচরণের প্রতিবাদে সদন ত্যাগ করলাম।

Mr. Speaker : I put the cut motion that the provision of Rs. 66, 23, 200 under Supplementary Demand No. 6 in respect of "Land Revenue and Land Ceiling" at page 1 of the List of Supplementary Demands be reduced by Rs. 100 i. e. the amount of the whole Supplementary Demand of Rs. 66, 23, 200 do stand reduced by Rs. 100.

(After a pause)

The cut motion is lost.

Now I put the grant No. 6 that an additional amount of Rs. 66, 23, 200 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Land Revenue and Land Ceiling".

(After a pause)

**The grant is passed.**

Now grant No. **12.** Shri Mazumdar to move.

Shri Abdul Muhib Mazumdar, (Minister) : Sir, on the recomendation of the Governor of Assam, I beg to move that an additional amount of Rs. 11, 00, 000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the **31st** March, 1986 in respect of "Electrical Inspectorate".

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টোৰ সম্পৰ্কত মই দুষাৰ মান কব বিচাৰিছো। কিয়নো এই বিষয়ত গোটেই বছৰটোৰ প্লেন এলোকেশ্যনৰ সম্পৰ্কত মঞ্জুৰী দাবী অনা হৈছে। আজি আমাৰ বিদ্যুত বিভাগৰ বিষয়টোৰ ওপৰত এই সদনত আলোচনা উত্থাপন কৰা হৈছে। এই ক্ষেত্ৰত এটা কথা কব খোজো যে এই বিভাগটোৱে যি ধৰণে কাম কৰিব লাগিছিল তেনে ধৰণে কাম হোৱা আমি দেখা নাই। আজি যদি আমি বিদ্যুত বিভাগৰ কাৰ্য্য কাৰিতালৈ লক্ষ কৰো তেনেহলে এটা কথা প্ৰথমেই দেখিবলৈ পাওঁ যে অসমৰ অন্যান্য ঠাই বোৰৰ কথা বাদেই আনকি গুৱাহাটী চহৰতো আমি কেতিয়াও একেৰাহে ২৪ ঘণ্টা বিজুলি যোগান দিয়া দেখিবলৈ পোৱা নাই। আজি আমাৰ বিদ্যুত বিভাগে যিবোৰ যন্ত্ৰপাতি ব্যৱহাৰ কৰি অসমত বিজুলী যোগানৰ ব্যৱস্থা হাতত লৈছে তাৰ দ্বাৰা ৰাইজক বিজুলী যোগান দিয়াৰ পৰিবৰ্তে বিপদাপন্নহে কৰি তুলিছে। আজি অসমৰ সৰু সৰু ঠাই কিছুমানত সৰু সুৰা উদ্যোগ গঢ়ি উঠিছে। কিন্তু এই উদ্যোগবোৰে ২৪ ঘণ্টাৰ ঠাইত যদি ৪ ঘণ্টাও বিজুলী যোগান নেপায় তেনেহলে তেওঁলোকৰ সেই উদ্যোগবোৰ তিকি থাকিব কেনেকৈ? মই অলপতে তেজপুৰলৈ গৈছিলো

পি - এ - চি মিটিঙৰ সংক্ৰান্তত। তাত কেইজনমান স্থানীয় যুৱকে বেঙ্কৰ পৰা ল'ন আদি লৈ এটা উদ্যোগ গঢ়ি তুলিছিল। কিন্তু বিজুলীৰ নিয়মীয়া যোগানৰ অভাৱত তেওঁলোকৰ সেই উদ্যোগটো একেবাৰে মৃতপ্ৰায় অৱস্থালৈ গৈছে। সেইদৰে বঙাইগাওঁৰ ওচৰত চালাকাঠিত বিদ্যুত বিভাগে যিটো থৰ্মেল পাৱাৰ প্ৰজেক্ট আছে সেইটোৰ যন্ত্ৰপাতিবোৰ একেবাৰে নিম্নখাপৰ বুলি অভিযোগ উঠিছে। অলপতে এই বিষয় লৈ মই তাৰে এজন জুনিয়ৰ ইঞ্জিনীয়াৰক এই বিষয়ে সোধাত তেখেতে কৈছিল যে এই ক্ষেত্ৰত আমাৰ কৰিবলগীয়া একো নাই। এইবোৰ চব ওপৰৱালাইহে জানে। কিন্তু আপোনালোকে যদি এই বিভাগৰ ওপৰৱালা সকললৈ চায় তেনে সেই ফালেও তথৈবচ। মই নিজে জানো এই বিদ্যুত বিভাগৰ এজন উচ্চ পদস্থ বিষয়াই অনবৰতে খাই বৈ টং হৈ থাকে। তেওঁলৈ যিয়েই ফাইল আহে তাতে চকু মুদি চহী কৰে। গতিকে এনে ধৰণৰ বিষয়াৰ পৰা এই বিভাগটোৰ কি উন্নতি হব।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিদ্যুত বিভাগৰ যিখন বোৰ্ড আছে সেই বোৰ্ডৰ মেম্বাৰ সকলৰ কাৰ্য্যকলাপৰ প্ৰতিও চৰকাৰে দৃষ্টি দিয়া উচিত। আজি অসমৰ সামগ্ৰিক উন্নতিৰ কাৰণে কিছুমান উদ্যোগ গঢ়ি তুলিব খোজা হৈছে আৰু খেতিয়কৰ সুবিধাৰ অৰ্থে লিফট্ ইৰিগেচনৰ কথাও ভবা হৈছে। কিন্তু বিদ্যুত বিভাগে যদি এনেদৰেই বিজুলী যোগান নধৰে তেন্তে আমাৰ সকলো আচনি শেষ হব। সেই কাৰণে বিদ্যুত বোৰ্ডখনৰ মেম্বাৰ সকল নিয়োগৰ ক্ষেত্ৰত চৰকাৰে ব্যক্তি স্বাৰ্থ লৈ মন নিদি দেশখনৰ তথা জনসাধাৰণলৈ বিশেষ মনোযোগ দিব লাগে। যাতে ইয়াৰ দ্বাৰা দেশৰ তথা জনসাধাৰণৰ উন্নতি হয়। বিদ্যুত বিভাগৰ ওপৰত এই খিনিকে কৈ মই সামৰণি মাৰিলো।

**শ্ৰীচন্দ্ৰধৰ কলিতা :** অধ্যক্ষ মহোদয়, মই আজি আমাৰ বিদ্যুতৰ ওপৰত দুষাৰমান কব খুজিছো। আজিৰ এই আধুনিক যুগত আমি বিদ্যুত বিনে একো কাম কৰিব নোৱাৰো। চিকিৎসালয়ত অপাৰেচনৰ কাৰণেও বিদ্যুতৰ প্ৰয়োজন, কলকাৰখানা চলাবৰ কাৰণেও বিদ্যুতৰ প্ৰয়োজন, আধুনিক কৃষি প্ৰণালীৰ বাবেও বিদ্যুতৰ প্ৰয়োজন। অথচ আজি সমগ্ৰ অসমতে বিদ্যুত যোগানৰ যি খেলি-মেলিয়ে দেখা দিছে ই সচাকৈয়ে বৰ দূৰ্ভাগ্য জনক। আৰু এই বিদ্যুতৰ অনিয়মিয়া যোগানৰ বাবেই আজি অসম উন্নতিৰ পথত আগবঢ়াত লেহেম গতি লৈছে। অধ্যক্ষ মহোদয়, গুৱাহাটীত থকা জন-

সাধাৰণে এই বিদ্যুত যোগানৰ পৰা বৰ এটা অসুবিধাত পৰা নাই। কিন্তু আমাৰ গাৱলীয়া অঞ্চলত বা সৰু সুৰা চহৰবোৰত এই বিদ্যুতে জনসাধাৰণত নাকনি কাননি শিকাইছে। এদিন লাইট জলিলে তিনিদিন নজলাকৈ থাকে। মানুহে কেৰাচিন তেলৰ কাৰণে হাহাকাৰ কৰিব লগাত পৰে। আৰু বিদ্যুত যোগান বন্ধ থকাৰ ফলত কল-কাৰখানা বিলাকৰ বিৰাট লোকচান হয়। মই এই খিনিতে এটা সৰু উদাহৰণ দিও। নলবাৰীত চাহপাতৰ পৰা কেথাইনতৈয়াৰ কৰা এটা কাৰখানা আছে। ইয়াৰ মালিকজন মাৰোৱাৰী ভদ্ৰলোক। যোৱা মে' দিৱশত সেই কাৰখানাত কাম কৰা শ্ৰমিক সকলক কাৰখানা বন্ধ কৰিবলৈ দিয়া নহল। মালিকৰ যুক্তি হল ৰেল চলিছে তাত মানুহে কাম কৰিছে, বাচ চলিছে তাতো শ্ৰমিক কাম কৰিছে গতিকে তেওঁৰ কাৰখানাটো শ্ৰমিকে কাম কৰিব লাগে। বিশেষকৈ যিহেতু সেই দিনটোত কাৰখানাত বিদ্যুতৰ যোগান চলি আছিল গতিকেই তেওঁ শ্ৰমিক সকলক কাম কৰিবলৈ অনুৰোধ কৰিছিল। আনহাতে মে দিৱসটো দৰমহা-সহ সকলোৰে বাবে বন্ধৰ দিন। মালিকৰ আৰু যুক্তি হল- বিদ্যুতৰ যোগান প্ৰায়ে বন্ধ থাকে তেতিয়া শ্ৰমিক সকলক কাম নকৰাকৈয়ে দৰমহা দিব লগাত পৰে যাৰ কাৰণে কাৰখানাৰ মালিকে বিৰাট লোকচান ভৰিবলগীয়া হৈছে। সেয়ে সেই দিনটোত যিহেতু বিদ্যুত যোগান আছে সেয়ে কাৰখানাৰ কাম বন্ধ কৰিব নোৱাৰি। শ্ৰমিক সেই দিনটোত কাম নকৰিলে তেওঁলোকক কামৰ পৰা ছাটাই কৰা হব বুলিও ভাবুকি দেখুৱা হয়। এইটো হবলৈ পালে বিদ্যুত যোগানৰ অনিয়মিয়াৰ কাৰণে। অধ্যক্ষ মহোদয়, দেশৰ প্ৰগতি ৰুদ্ধ হোৱাৰ মূল কাৰণ হৈছে এই বিজুলী যোগানৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰা অৱস্থা। অধ্যক্ষ মহোদয়, দুখীয়া জনসাধাৰণক আজি ল'ন দিবৰ কাৰণে চৰকাৰৰ টকা নাই। অথচ কিছুমান কাৰখানাৰ মালিকক পাৱাৰা জেনেৰেটৰ কিনিবৰ কাৰণে চৰকাৰে লাখ লাখ টকা ল'ন দিছে আৰু চাবচিদি দিছে। আমাৰ অসমত হাইডেল বিদ্যুত উৎপাদনৰ ইমান বহুল সুবিধা থকা স্বত্বেও আজি আমি বিদ্যুতৰ কাৰণে হাহাকাৰ কৰি থাকিবলগীয়া হৈছে। এই খিনিতে মই বিদ্যুত বিভাগৰ হেমাহিৰ কথা এটা কও, মোৰ সমষ্টিৰ বৰিগোগ লকৰ এখন গাৱত মেইন লাইন চিঙি পৰি ১২ বছৰীয়া লৰা এজন মৰে। তেওঁক বছাবলৈ গৈ তেওঁৰ ককায়েক জনো চিৰদিনৰ কাৰণে পংগু

* Speech not corrected.

হবলগীয়া হল্ল। যোৱাকালি মই এই কেচটোৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰীৰ সাহায্য পূজীৰ পৰা লৰাজনৰ ফটোসহ কাগজপত্ৰ জমা দিছো। থকা হলে মই এতিয়া সদনত তেওঁৰ ফটোখন দেখুৱাব পাৰিলোহেতেন। এইটো হবলৈ পালে কেৱল বিদ্যুত পৰিষদৰ লোকৰ হেমাহিৰ কাৰণেই। এই বিভাগটো ভালদৰে চলাবৰ কাৰণে চৰকাৰে কিছু কাণ দিয়া উচিত। আৰু যদি চলাবই নোৱাৰে তেন্তে ইয়াক টাটা বা বিৰলাক চলাবলৈ দিব লাগে। তেতিয়া তেওলোকে ইয়াৰ পৰা প্ৰচুৰ টকা লাভ কৰিবলৈও সুবিধা পাব আৰু আমিও নিয়মীয়াকৈ বিজুলী যোগান পাম বুলি আশা কৰিব পাৰো। ইয়াকে কৈ মই সামৰণি মাৰিলে।

*Shri Abdul Muhib Mazumdar (Minister) : Sir, I beg to say that I appreciate the observations made by some of the Hon'ble Members from the opposition. Even if there is no Cut-motion on this grant, you have allowed this discussion. This discussion could have taken place when we would have taken Grant No. 67 which is for power. Sir, I move this motion for an additional grant of Rs. 11,00,000 to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986, in respect of "Eloctoral Inspectorate". Sir, the purpose of this additional expenditure is to meet the expenses of the Inspectorate to check the electrical installation set up by the Electricity Board and also for issuing necessary licences. It is a very important subject and for this reason I move this additional amount. I hope the Hon'ble Members will allow me to have the additional amount for this purpose. This is necessary for Sir, proper functioning of the Inspectorat. With these words, I request the Hon'ble Members to allow this grant to be passed.

Mr. Speaker : Now, I put the motion. The motion is that an additional amount of Rs. 11,00,000, be granted

---

* Speech not corrected.

to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Electoral Inspectorate".

( Grant No. 12 is passed ).

Now, Grant No. 15.

* Shri Hiteswar Saikia (Chief Minister): On the recommendation of the Governor of Assam I beg, Sir, to move that an additional amount of Rs. 55,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986, in respect of "Civil Secretariat and attached offices".

Mr. Speaker : There is a cut motion. The mover of the motion is Hon'ble Member Shri Binoy Kumar Basumatary and the Hon'ble Member Shri Tajamul Ali Laskar. Now, Shri Basumatary is to move.

* Shri Binoy Kumar Basumatary : Sir, before I move the cut motion, I would like to refer to Rule 147 of the Rules and Procedure of the House. Sir, according to this rule "the Speaker shall decide whether a cut motion is or is not admissible under these rules and may disallow any cut motion..........." Sir, I have raised this point because the Hon'ble Speaker has admitted my cut-motion but my previous cut motions were not heard. Therefore, Sir, I seek your protection and subsequently Rule No. (149-2) of the said procedure will speak like this " such demands shall be dealt with by the Assembly in the same manner as demand for grants in connection with the Budget and the rules on the subject shall apply to such demands sub-

---

* Speech not corrected.

ject to such modifications as the Speaker may deem necessary". Therefore, sir, I seek your protection. Unless you protect up, we can withdraw our cut motion in protest. So, sir, your clarification is necessary.

* Shri Md. Idris (Minister): Sir, the rules provide for the cut-motion as well as replies from the Government, Sir, in this instant case Hon'ble Member Shri Basumatary's feeling is that he is not getting the answer. Sir, I may point out that we are to pass the Appropriation Bill on this demand and during that time Government will have the opportunity to reply and the Hon'ble Members will also get the answer for the points raised in the cut-motion. Therefore, Sri, I think Hon'ble Member Shri Basumatary will get the reply at that time.

Mr. Speaker : I think the Hon'ble Member Shri Basumatary is now satisfied on hearing the Hon'ble Minister, Finance. So, the Hon'ble Member is given the protection.

* Shri Binoy Kumar Basumatary : Sir, I am now satisfied. Since the Hon'ble Speaker is assured us protection, I am now moving the cut-motion. That the provision of Rs. 55, 00, 000 under Supplementary Demands for Grant No. 15 in respect of "Civil Secretariat Attached Offices" at page 3 of the List of Supplementary Demands be reduced by Rs. 100. i. e., the amount of the whole Supplementary Demand of Rs. 55,00,000 do stand reduced by Rs. 100. Sir, I am moving this cut motion as I have not understood it properly from the explanatory notes where it is stated that an additional amount of Rs. 51, 00, 000

* Speech not corrected.

is required for Science, Technology and Environment programme as per annual plan allocation of 1985-86. The additional amount of Rs. 4,00,000 lakh is required to be provided in the current year's budget for payment of salaries for the staff and office expenses. Sir, we are confused to see that Science, Technology and Environment programmes are also included in the secretariat and attached offices when we are hearing a lot of news-item that Government offices are going to be computerised. Therefore, sir, we want clarification whether the amount is required for protection of environmental programme or for civil secretariat and attached offices. We fail to understand this. Sir, I think it is hightime now to open a new branch instead of keeping this in the civil secretariat.

*Shri Hiteswar Saikia ( Chief Minister ) : Sir, this department is newly created and, therefore, it is included in the civil secretariat and attached offices. Very soon we are going to have a separate office of Science and Technology. Sir, the whole intention is to develop the science and technology in Assam. As you know, sir, the Prime Minister is giving stress for computerising and we are also trying to develop accordingly. Sir, for the development of this Department we are taking all possible steps and we hope to open a new office separately soon. Some steps for computerising have also been taken under Assam Science Society during 1985-86. We propose to construct a Science Museum. We have started some works. We also propose to intensify our bio-gas scheme. In this way, sir, we have taken some measures and we hope with the

* Speech not corrected.

cooperation of all the Hon'ble Members we shall be able to go ahead with our programmes. With these words, sir, I request the Hon,ble Member to withdraw the cut-motion.

Shri Binoy Kumar Basumatary : Yes, sir, I am satisfied. I beg leave to withdraw the cut-motion.

Mr. Speaker : The cut motion is withdrawn. Now, I put the main motion. The motion is that an additional amount of Rs. 55,00,000 be granted to the Minister-in-charge to defray the charges which will come in the course of payment during the year ending the 31st March, 1986, in respect of "Civil secretariat and attached offices".

(Grant No. 15 is passed).

Now, the House stands adjourned till 2/30 p. m.

(The House reassembled at 2-30)

Grant No. 22

Shri Hiteswar Saikia, (Chief Minister) : On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 13,37,000 be granted to the Minister-in-charge to defray certain charges which will come in course of payment during the year ending the 31st March, 1986 in respect of "Fire Service".

Mr Speaker : There is a Cut Motion to be moved by Shri Chandradhar Kalita.

The member is absent.

Now I put the Grant No. 22 that an additional amount of Rs. 13,37,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Fire Services".

(Grant No. 22 is passed)

Grant No. 25

Shri Hiteswar Saikia (Chief Minister): On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 3,90,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Guest Houses, Government Hostels, etc."

Mr Speaker : There is a Cut Motion to be moved by Shri Tajamul Ali Laskar and Shri Binoy Kumar Basumatary. Shri Tajamul Ali Laskar is absent. Shri Binoy Kumar Basumatary is to move.

Shri Binoy Kumar Basumatary : I beg to move that the provision of Rs. 3,90,000 under Supplementary Demands for Grant No. 25 in respect of "Guest Houses, Government Hostels etc" at page 5 of the list of Supplementary Demands be reduced by Rs. 100, i. e. the amount of the whole Supplementary Demands of Rs. 3,90,000 do stand reduced by Rs. 100.

Sir, it is very clear, the amount is not too big. But that this amount is required for hiring of taxis and Buses for Ministers and entitled officers during the plan discussion at New Delhi. Since this head is under the Guest Houses; we had an experience of staying in the Assam House, New Delhi a few days back and we have found, there is no water and we were given mudy water to drink. The services there were in absolute neglect. Not only that, when we enquired about the new Assam House, we were told that the new Assam House was to be completed by April this year. But now; it is

not sure when this new Assam House will be completed. So, we took this opportunity only to get an information from the Government whether the new Assam House will be completed immediately because it has already exceeded the time. It is also for information whether the taxi charges claimed are reasonable or not. These are the points in respect of the Cut Motion.

Shri Hiteswar Saikia, (Chief Minister) : It is a fact that the functioning of the Assam House, New Delhi is not upto the standard as it is expected. There are some problems and lapses and we are trying to improve its functioning. At the same time, we are trying from our side to see that new Assam House is completed shortly. I assure the House that we will be able to complete the new Assam House by September next. I request, therefore, to Shri Basumatary to withdraw the Cut Motion.

Mr Speaker : It the pleasure of the House to withdraw the Cut Motion ?

(Leave is granted and Cut Motion is withdrawn)

Now I put Grant No. 25 that an additional amount of Rs. 3, 90, 000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Guest Houses, Government Hostels etc."

( Grant No. 25 is passed )

Grant No. 26

Shri Hiteswar Saikia, (Chief Minister) : On the recommendation of the Governor of Assam, I beg, sir, to move that an additional amount of Rs. 50,900 be granted to the Minister-in-charge to defray certain charges which

will come in the course of payment during the year ending the 31st March, 1986 in respect of "Administrative Training."

Mr. Speaker : There is no Cut Motion.

Now, I put the Grant No. 26 that an additional amount of Rs. 50900 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Administrative Training."

( Grant No. 26 is passed )

Hon'ble Speaker : Grant No. 31.

Shri Mukut Sarma, (Minister, Education) : Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 2,49,93,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Education".

Mr. Speaker : There are 4 cut motions one tabled by Shri Binoy Kumar Basumatary and Shri Tajamul Ali Laskar. No. 2 by Shri Mathura Deka. No. 3 by Shri Afzalur Rahaman and No, 4 by Shri Chandradhar Kalita.

Now Shri Binoy Kumar Basumatary.

Shri Binoy Kumar Basumatary. Sir, I beg to move that the provision of Rs. 2, 49. 93, 000 under Supplementary Demands for Grant No. 31 in respect of "Education" at pages 7-9 of the List of Supplementary Demands be reduced to Rs. 100 i. e,. the amount of the whole Supplementary Demand of Rs. 2. 49, 93, 000 do stand reduced by Rs. 100.

Mr. Speaker: Now, Shri Deka to move - absent.

Shri Afzalur Rahaman - absent.

Shri Chandradhar Kalita - absent.

So, Shri Binoy Kumar Basumatary.

Shri Binoy Kumar Basumatary: Sir, this is a grant which is very popular for all of us and the Minister also is very popular for having the largest amount of grants but his works are very unpopular. His works are so deplorable, it is so exciting, it has incited us to criticise his department.

Sir, earlier we had already given him 210 crores, today he wants almost 2½ crores and when we meet in March next I do not know how many crores he will take again but it appears that this huge allocation is virtually mismanaged. Because, Sir, earlier there was only one D. P. I.; now the Government has decided to have 3 normal directorates and there are two other directorates. So, now he has 5 directors under him and it is natural that with the expansion of these offices he will be wanting so much of money but our question is whether this amount which is allotted to him is spent usefully. For instance, Sir, he has recently upgraded so many Higher Secondary Schools but he has not been able to appoint teachers. Not only that, Sir, Assam is now seriously lacking in qualified personnel in Education Department. Many Schools have been upgraded to be Higher Secondary Schools and many Schools have been given the Science stream. But sir, I can bet that 80% of these schools, these Higher Secondary Schools do not have Mathemetics teachers do not have English teachers, do not have Assam-

ese teachers, do not have the required number so Science stream teachers. Therefore, Sir, it is very good that they have claimed to have used 10 plus 2 plus 3 system as recommended by the U. G. C. It is very good that they have claimed they have enforced it but what is the end result for the students. It is good when they say that due to the demand for higher education we have extended these facilities. It is very good but what about the teachers and now what is happening ? In my School demonstrators are taking classes of XI and XII. These Demonstrators are not entitled to take the XI and XII classes. Therefore, Sir, by taking these secondary level classes from the college section they have deprived our students, the students of the State, are deprived of the correct education. Can you imagine that these Higher Secondary Schools are without a full compliment of teachers and it is very natural for the teaching staff as well as others to go on casual leave. Sir, I know about my school. There are only tow Master Degree holders in the Higher Secondary School section and when one of them take C. L. the P. U. Teachers or the Intermediate School teachers take XI and XII classes. Is it justified ? So, what are you going to do ? I have already said that there are a lot of anomalies in the appointment of teachers. Earlier in the House I have produced some evidence and claims. Sir, I belong to a very backward area and every one is very anxious of getting higher education. But even if I represent my constituency there is someone here in this capital who has authority and power to meddle in my affairs to an extent which I cannot tol-

erate and I have been denied the right that is normally available to me. I do not know why these things are allowed. For instance, for the last 4/5 years we were trying to have Bodo medium M. E. and High Schools and for the last 2 years the Hon'ble Minister who has brought this Demand for Grant No. 31 has assured that the problems in the M.E. Schools will be solved ; he has assured us in the House and last year in the month of September, the then Director of Elementary Education had also given me a letter provincialising that school from October, 1985 but unfortunately even today that school has not been provincialised. The letter which was issued in August has not been honoured. When I enquired it about two months back I was told that this will be provincialised from February, 1985 but today this is the month of July and even today the Headmaster came and told me that he has not been able to get the letter provincialising the school and he said that unless and until some 'Baksis' is given to the staff to the relevant staff in the directorate level he may not get it. How can you imagine that the educational atmosphere in the State will improve when this office which we have created for the interest of the people of the State is doing something which is against the objective of the Education Department. In fact, the three types of offices, namely, the Principals of Colleges, the Principals of Higher Secondary Schools and the Headmastars of the Schools who are in charge of the institutions of the State are uncontrollable and the primary reason for that is that this Government have made the Managing Committees ineffective. Sir, the Headmastars

and Principals use the Government grants in such a manner that they cannot be questioned. And, the Government has not declared any procedure to oversee the financial aspects of these institutions. As a result, I think, all over the State, for the last 2/3 years no Managing Committees have been functioning in the institutions, and these Principals and Headmasters are behaving like dictators and they have a sort of connection with the officers of the Inspectorate of Schools and with the connivance of the headclerk in the office of the Inspectorate and the Headmasters they do so many things. Sir, the educational atmosphere in the schools and colleges have deteriorated and since the Government have created 5 directorates with the purpose of overseeing the educational operation of the State, I believe, Sir, these Directorates should be made responsible for all these grants that are allotted to them and the Government should make the Managing Committees effective and the procedure of appointing ad-hoc Managing Committees and governing bodies in Schools and Colleges should be immediately scrapped. Because, as a result of that public support and cooperation is lacking. When the normal procedure is brought to work the public will come forward and cooperate in the works of education in the State. Sir, I do not wish to lengthen but there are many more points on which I can say. For, instance, in page 9, Rs, 50 lakhs are given for Text Book Production and Research Corporation. But, Sir, what is happening in Text Book production ? Money has been given as advances but how many Presses have honoured the commitments of supplying books ?

Is is not a fact that there is a general scarcity of Text Books in the entire State but what is this Text Book Production committee doing ? Their purpose is to supply Text Books to the students in Assam but the number of press in the State is not sufficient to meet the demands of the State and there are so much of allegation against this Corporation that they are taking allotments of quotas for papers from central Government for printing books and what is allocated to them they are selling at market prices to various presses and they are also using money to go outside the State to place orders outside the State and they use a lot of money in a manner which is not proper.

Then with regard to the teachers at page 8, item No. 9, Grants in aid/Contribution (b) Government. Teachers serving in Non-Government Secondary Schools , 1. Salaries 1,73,72,C00. But what is happening with regard to this ? There are many schools, I have repeatedly said, which have dual mediums where Assamese medium teachers are all regular whereas the Bodo medium teachers are not paid even today and there are teachers in regard to Bodo mediums who have been given a lump sum salary of only 2/3 hundred rupees ; neither they have been regularised nor have they got regular salary i. e. , as per scale. Therefore, Sir, I draw the attention of this Government to these many factors and we hope that the grant that is so allocated will be used for the purpose for which this is meant.

শ্ৰীহেমেন দাস : চাৰ, এই বিভাগটোৰ বিষয়ে কিছু কবলগা আছে কাৰণ এই ৰিভগাটো শিক্ষা দিয়া বিভাগ । আমাক হাড়ে হাড়ে শিকাই আছে। মোৰ হাতলৈ খবৰ আহিছে এইবাৰ বহু এম, ই স্কুল প্ৰাদেশীকৰণ

কৰিছে। আমি ভাল পাইছো। শিক্ষক সকল কিছু মুক্ত হব। ৪ খন এম, ই, স্কুলৰ নাম পালো—এই ৪ খন স্কুল প্ৰাদেশীকৰণ কৰাৰ পাচত এটা নিৰ্দ্দেশ গৈছে যে তেওঁলোকক টকা দিয়া বন্ধ কৰিব লাগে। এই কেইখন স্কুল হ'ল বালিকুৰি স্কুল, ডেকাৰবৰি, উত্তৰ গোবৰ্দ্ধনা মাদ্ৰাছা আৰু পশ্চিম খাৰিয়া এম, ই, স্কুল। আমি আচৰিত হৈছো এই ৪ খন স্কুল কেনেকৈ ট্ৰাইবেল চাব প্লেনত পৰিছে। বালিকুৰি স্কুল খন জনীয়া সমষ্টিৰ ভিতৰত। এই জনীয়া সমষ্টিত ট্ৰাইবেলৰ সংখ্যা নিচেই তাকৰ। ৫০ টা মানো পৰিয়াল নহব। গোটেই সমষ্টিটোত সৰু সৰু চুবা আছে। একে ঠাইতে ৫০ টা মান পৰিয়ালো নাই। ইয়াৰ আশে পাশে ধৰ্ম্মীয় সংখ্যালঘুৰ জনসংখ্যা বেচি। চাৰি পাচ মাইল দূৰত কৰবাত দুই এজন জনজাতীয় লোক আছে। সেইদৰে ডেকাৰবৰি স্কুলৰ এলেকাতো শতকৰা এশ জনেই সংখ্যালঘু সম্প্ৰদায়ৰ লোক আছে। এইখনো চাবপ্লেনত দিছে। উত্তৰ গোবৰ্দ্ধনা এম, ই, মাদ্ৰাছা স্কুল য'ত অৱস্থিত তাতো সেই একেই অৱস্থা। এইখনো চাব প্লেনত পৰিছে। সেইদৰে পশ্চিম খাৰিয়া স্কুলৰ আশে পাশে তেনেকৈ জনজাতীয় মানুহ নাই। গতিকে এই ৪ খন স্কুল কেনেকৈ চাবপ্লেনত পৰিল তাৰ এটা তদন্ত কৰিব লাগে আৰু অতি সোনকালে যাতে শিক্ষক সকলক দৰমহা দিব পৰা যায় তাৰ ব্যৱস্থা শিক্ষামন্ত্ৰী মহোদয়ে কৰিব লাগে।

আমাৰ পাঠ্যপুথি নিগম সম্পৰ্কীয় কথাটো বসুমতাৰী ডাঙৰীয়াই ইতিমধ্যে কৈ গৈছে। এটা প্ৰকাশন নিগম আছে, এই নিগমে ঠিক মতে কিতাপ পত্ৰ যোগান ধৰিব পৰা নাই। এই নিগমে যুগুত কৰা কিতাপ পত্ৰ সমূহৰ বা পাঠ্য পুথিৰ কাৰণে ৰেহাই মূল্যত কেন্দ্ৰীয় চৰকাৰৰ পৰা কাগজ পায়। কিন্তু তেওঁলোকে এই কাগজ ৰেহাই মুল্যত নিকিনি গুৱাহাটীৰ কিছুমান বৃহত্ পুস্তক ব্যৱসায়ীৰ পৰা কাগজ কিনে। আমাৰ চৰকাৰৰ অৱশ্যে এটা অভ্যাস আছে। কিনাৰ সময়ত দাম বেচি দিয়ে আৰু বিক্ৰী কৰাৰ সময়ত কম দামত বিক্ৰী কৰে। কম দামত বিক্ৰী কৰিবলৈ ভাল পায়। আৰু এইদৰে অবাবত পইচা খৰচ কৰে। কোটাত ৰেহাই মূল্যৰ কাগজ পায় কিন্তু সেই কাগজ নিকিনি বৃহত্ পুস্তক ব্যৱসায়ীৰ পৰা বেচি দামত কিনে। গুৱাহাটীত অসম কাৰ্বনৰ ডিৰেক্টৰৰ এটা গুদাম আছে। এই গুদামৰ ভিতৰ খন ভাড়া লোৱা বুলি কৈছে। ভিতৰত তাৰ ওপৰত আকৌ চাঙ পাতিছে।

নলবাৰীৰ বানপানীত বহুতো টকাৰ কিতাপ নষ্ট হৈছিল যদিও এক লাখ

টকাৰ কিতাপ ক্ষতি হোৱা বুলি কোৱা কথাটো তদন্তৰ বিষয়। কিতাপ ছপাবৰ কাৰণে প্ৰেছত দিয়া হয়। কিন্তু প্ৰেছে সময়মতে কেতিয়াও ছপা কৰি নিদিয়ে। যি ছপাখানাৰ লগত যোগাযোগ কৰিছে তেখেত সকলে এইটো কথা বুজি পায় যে কিতাপ লবৰ সময়ত অতি সহজে আৰু কম সময়ত কিতাপ ছপাই দিম বুলি লয়। কিন্তু পিচত কিতাপ লবলৈ যাওঁতে জোতাৰ তল ক্ষয় যায়। তাৰোপৰি আৰু এটা কথা হৈছে যে প্ৰকাশন পৰিষদে সময়মতে কিতাপ ছপা কৰি দিব নোৱাৰিলে সৰু সৰু প্ৰেছ বিলাকক জৰিমনা কৰে। কিন্তু ডাঙৰ ডাঙৰ প্ৰেছক একো কৰিব নোৱাৰে। আজিলৈকে চাওক প্ৰকাশন পৰিষদে সৰু সৰু প্ৰেছ কিমানক সময়মতে ছপা কৰি দিব নোৱাৰাৰ কাৰণে জৰিমনা কৰিছে আৰু ডাঙৰ প্ৰেছ কিমানক জৰিমনা কৰিছে? ডাঙৰ প্ৰেছৰ সাতক্ষুন মাফ। এই প্ৰকাশন পৰিষদত কি চলি আহিছে সকলোৱেই জানে। আগতে এখন বাগচি কমিটি কৰি দিছিল তদন্ত কৰিবৰ কাৰণে। কিন্তু তদন্ত কৰিবলৈ নাপালে। এই বিষয় বিলাক ভালকৈ চাব লাগে। ছাত্ৰ ছাত্ৰীক উপযুক্ত সময়ত কিতাপ পত্ৰ দিব নোৱাৰাটো এটা অপৰাধ। এতিয়া অতি আচৰিত কথা এটা চলিছে যে নকল বিক্ৰী হৈছে।

অধ্যক্ষ মহোদয়, মই কেইটামান বিষয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এটা হৈছে বিহপুৰীয়াৰ এখন কলেজিয়েট স্কুলত ক্লাচ টেনৰ চেকচন ৬টা দেখুৱাইছে, নাইনত চেকচন ৫টা দেখুৱাইছে। আৰু প্ৰত্যেকটো চেকচনৰ কাৰণেই একোজন গ্ৰেজুয়েট টিচাৰ লৈছে। ইয়াৰ কাৰণ হৈছে যে প্ৰভিনচিয়েলাইজ হোৱাৰ পিচত শিক্ষক লবলৈ টান হব সেই কাৰণে প্ৰভিন-চিয়েলাইজ হোৱাৰ আগতেই এখন ডাঙৰ লিষ্ট কৰি থৈছে। ইয়াত অকল সেই স্কুলৰ হেড মাষ্টৰজনহে যে জগৰীয়া এনে নহয় ইয়াৰ কাৰণে স্কুল পৰিদৰ্শকো জগৰীয়া হব। এই ধৰনৰ শিক্ষানুস্থানত ব্যৱসায় বন্ধ কৰিব লাগে। এই বিলাক কুকাণ্ড কোনে কৰিছে এই বিলাক কথা অনুসন্ধান কৰি ব্যৱস্থা লব লাগে। স্কুলৰ মেনেজিং কমিটিয়ে অনুমোদন কৰাৰ পিচত স্কুল পৰিদৰ্শকে নিযুক্তি দিয়ে। গতিকে এনে ধৰণৰ এখন স্কুলত এটা ক্লাচত ৬টা চেকচন থাকিলে সেই বিলাক চাব লাগে সেই ক্লাচত কিমান লৰা আছে, সিমান লৰা বহিবলৈ ঘৰ আছেনে নাই সেই বিলাক কথা চাব লাগে।

আমি বাটে পথে কিছুমান খবৰ পাওঁ। আজি এটা খবৰ বাটতে পালো যে এখন এল পি স্কুলত চাকৰি কৰি থকা শিক্ষকৰ নাম হাইস্কুল প্ৰভিনচিয়ে-

লাইজ হোৱাৰ পিচত তাতো তেওঁৰ নাম আছে এই বিলাক কাম কোনে কৰাইছে ? এই বিলাক কথা চাই ব্যৱস্থা লব লাগে । স্কুল খনৰ নাম হৈছে খাৰাজবাৰী । তাত এজন শিক্ষকে ১৭।১৮ বছৰ এম ই স্কুলত কাম কৰি আহিছে । এতিয়া দেখুৱা হৈছে যে তেওঁ ১৯৮৩ চনৰে পৰাই হাই-স্কুলত কাম কৰি আহিছে। এফালে এম ই স্কুলৰ দৰ্মহা খাই আছে আৰু এতিয়া ইফালেও পাব । এতিয়া এই শিক্ষক জন কোনফালে যাব ভাবিব নোৱাৰা হৈছে। এই বিলাকৰ বিচাৰ হব লাগে। মন্ত্ৰীৰ হাতত যি ক্ষমতা আছে সেই ক্ষমতাৰে যাতে স্কুল বিলাক ভাল হয় তাৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ ৰাজ্যৰ পৰীক্ষাৰ ফল দেখিলে ভয় লাগে । এইবাৰ হায়াৰ চেকেণ্ডাৰী আৰু পি, ইউৰ শতকৰা হাৰ হৈছে ৩৩ আৰু ৩৯। তাৰ মানে ফেলৰ সংখ্যা অতি বেচি। এই কথাৰ ওপৰত গুৰুত্ব দিবলগীয়া হৈছে । আজি কুৱালিটি অৰ এডুকেচন নাইকীয়া হৈছে । আমি বাজেটত গোটেই টকাৰ প্ৰায় আধা টকাই দিছো শিক্ষাৰ শিতানত । কিন্তু বছৰি আমাক কেইটা শিক্ষিত লৰা উলিয়াই দিব পাৰিছে ? আজি কালি পৰীক্ষা হৈছে ছাত্ৰ বধৰ দুৰ্গ। কিয় ইমান ছাত্ৰই ফেইল কৰে সেই কথা আজিলৈকে কিয় তদন্ত কৰোৱা হোৱা নাই। হাইস্কুল বিলাকত এই বিলাক কিয় হৈছে সেই বিলাক কথা চাব লাগে। কাৰণ হাইস্কুলৰ শিক্ষাৰ ওপৰতেই সৰ্বাধিক গুৰুত্ব দিবলগীয়া হৈছে ।

চাৰি কুৰি ফেইল কৰিছে, মাত্ৰ একুৰিয়ে পাচ কৰিছে। বিনিয়োগ কৰিছো জাতিৰ কাৰণে, কিন্তু দেশখনে কি পাইছে ? আজি বাজেটৰ পৰা আধা ভাগ টকা শিক্ষাত দিছো, আমি পাইছো কি ? পাইছো পাচ কুৰি ছাত্ৰৰ ভিতৰত চাৰি কুৰি ফেইল। এইবাৰৰ পি ইউ পৰীক্ষাত শতকৰা ৬১ জন লৰাই ফেইল কৰিছে। এইটো কিয় হব পাৰে ? হায়াৰ চেকেণ্ডেৰীত ফেইলৰ সংখ্যা আৰু বেছি। এইটো কিয় হব পাৰে ? এই বিষয়টোত মনো-নিৰেশ কৰিব লগা হৈছে। আন এটা বিষয় হল প্ৰশ্ন ভাণ্ডাৰ। এই প্ৰশ্ন ভাণ্ডাৰ ওলিওৱাৰ ফলত প্ৰচণ্ড ক্ষতি হৈছে। এইটো কাৰ দুৰ্বুদ্ধি। শিক্ষা-বিদৰ কেতিয়াও হব নোৱাৰে। প্ৰশ্ন ভাণ্ডাৰৰ ফলত, বেছি ভাগৰে বিষয় জ্ঞান নোহোৱা হৈছে, আৰু বিষয়ৰ গভীৰতালৈ যাব পৰা নাই। প্ৰশ্নোত্তৰ শিকিবৰ কাৰণে স্কুল কলেজ পতা নাছিলো। প্ৰশ্নোত্তৰ শিকাটো শিক্ষাৰ উদ্দেশ্য নাছিল। ভাৰতত কোনো যুগতে পৰীক্ষাত পাচ কৰাটো শিক্ষাৰ

উদ্দেশ্য নাছিল। পৰীক্ষাত পাচ কৰাটো অন্যতম উদ্দেশ্য, চাকৰি বাকৰিৰ ক্ষেত্ৰত লাগে। আজি চাৰিওফালে আৱাজ উঠিছে মডাৰ্ণাইজেচন, অটমেচন, কম্পিউটেৰাইজেচন। প্ৰশ্ন মুখস্থ কৰি কেনেকৈ লৰাৰ বৌদ্ধিক বিকাশ হ'ব। মানসিক বিকাশ, বৌদ্ধিক বিকাশৰ কাৰণে বিষয় জ্ঞানৰ প্ৰয়োজন। কিন্তু বিষয় জ্ঞান দিয়াৰ কোনো প্ৰচেষ্টা নাই। কেৱল প্ৰশ্নোত্তৰৰ জ্ঞান দিয়া হৈছে। ইয়াৰ দ্বাৰা অসমখনৰ বেছি ক্ষতি কৰিছে। এই বিষয়ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যিমান সোনকালে পাৰে শিক্ষাবিদৰ লগত বহি আলোচনা কৰক। ইয়াৰ দ্বাৰা দেশখনৰ লাভ হোৱা নাই। প্ৰশ্নোত্তৰ শিকোৱাটো বন্ধ কৰিব লাগে। মৌলিক জ্ঞান শিকোৱাৰ পৰা বঞ্চিত কৰিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলে অসমৰ বাহিৰৰ বহু ঠাইত টান পাইছে। ইয়াত প্ৰশ্ন ভাণ্ডাৰ পঢ়ি ভাল নম্বৰ পায়, কিন্তু বাহিৰত বিষয় জ্ঞান লাগে। শতকৰা ৭০ ভাগ নম্বৰ পোৱা লৰাক সুধিছো– তেওঁলোকে কয় বিষয় জ্ঞান নিশিকায়। প্ৰশ্ন ভাণ্ডাৰৰ ফলত অনেক ক্ষতি হৈছে। মেধাবী লৰাক ধ্বংস কৰাৰ ষড়যন্ত্ৰ চলিছে। এই ষড়যন্ত্ৰ ব্যৰ্থ কৰিব লগা হৈছে। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে চেষ্টা কৰি আছে, এই বিষয়ৰ ওপৰত চেষ্টা কৰিব যাতে এক অংশক বিষয় জ্ঞানত আগুৱাই দিব পাৰে তাৰ কাৰ্য্য ব্যৱস্থা লব। ধন্যবাদ।

শ্ৰীপূৰ্ণ বড়ো: শিক্ষাৰ শিতানত অলপ কব বিচাৰিছো। ইতিমধ্যে পৰীক্ষা সংক্ৰান্তত কিছু কথা কৈছে। মোৰ অঞ্চলত এটা ঘটনা ঘটিছে আৰু সেই সন্দৰ্ভত প্ৰশ্ন এটা ৰাখিছিলো আৰু আশা কৰিছিলো এই বিধান সভাৰ অধি-বেশনত উত্থাপিত হব। গোবেশ্বৰ পৰীক্ষা কেন্দ্ৰত যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এটা বিষয়ৰ পৰীক্ষা নিৰ্দ্ধাৰিত দিনত অনুষ্ঠিত হোৱা নাছিল আৰু সেই সংক্ৰান্তত প্ৰশ্ন আছিল। কিন্তু বিভাগে তথা শিক্ষামন্ত্ৰীয়ে বোধ কৰো উত্তৰ দিবলৈ সাজু নহয়, গতিকে প্ৰশ্নটো উত্থাপিত হোৱা নাই। এই বিষয়ৰ পৰীক্ষা আন দিনা পতা হৈছে আৰু প্ৰশ্ন কাকত নতুন দিয়া হৈছে। গোটেই অসমত যি প্ৰশ্ন কাকতত পৰীক্ষা হল সেই প্ৰশ্ন কাকতমতে পৰীক্ষা দিব নোৱাৰিলে। এতিয়া ৰিজাল্ট দিবৰ সময় হল, তেওঁলোকে নিশ্চয় প্ৰশ্নোত্তৰ পৰীক্ষা বহীত লিখিছে আৰু পৰীক্ষাৰ মাপ কাঠি হিচাবে উত্তীৰ্ণ কৰি দিব লাগিব। কথা হল নিৰ্দ্ধাৰিত দিনত গোবেশ্বৰ পৰীক্ষা কেন্দ্ৰলৈ প্ৰশ্ন কাকত কিয় নগল? কাৰ ত্ৰুটিৰ কাৰণে প্ৰশ্ন কাকত গৈ নাপালে? চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে আমাক জনাব লাগে। ইয়াৰ বাবে নিশ্চয় ছাত্ৰ-ছাত্ৰী

দায়ী নহয়। পৰীক্ষা লোৱাৰ ভিত্তিত নিশ্চয় উত্তীর্ণ কৰি দিব লাগিব।

তাৰ পিচত শিক্ষক সকলক প্রশিক্ষণ দিয়াৰ কাৰণে ৫ লাখ ৪০ হাজাৰ টকা ধৰা হৈছে। শিক্ষকসকলৰ প্রশিক্ষণৰ প্রয়োজন আছে। এই বিষয়ত বিৰোধীতা নকৰো। এই ক্ষেত্ৰত শিক্ষক সকলে কি কি সমস্যাৰ সন্মুখীন হৈ আহিব লগা হৈছে, এখন বাতৰি কাকতত কেইজনমান শিক্ষকে চিঠি লিখিছে। "ডি, পি, আই অফিচলৈ আমিও গৈছিলো" – অসমৰ একমাত্র শিক্ষাধিকর্ত্তাৰ কার্য্যালয়ত চলি থকা দুর্নীতি, স্বজন প্রীতি আদিৰ বিষয়ে কাকতত প্রকাশ পাই আছে যদিও স্বয়ম্ভু আমোলাসকলৰ নোম এডালো লৰচৰ কৰিব পৰা নাই। অথচ নিজা কার্য্য-কলাপ আগতকৈও বেছিকৈয়ে চলাইছে যেন অনু-মান হৈছে। তাৰে এটি নমুনা ৰাইজৰ জ্ঞাতার্থে দিয়া হল।

প্রতি বছৰে অসমৰ শিক্ষাধিকর্ত্তা মহোদয়ে উচ্চ, উচ্চতৰ মাধ্যমিক বিদ্যা-লয়ৰ শিক্ষকসকলক ভাৰতৰ বিভিন্ন স্থানত থকা কেন্দ্রীয় চৰকাৰৰ 'আঞ্চলিক ভাষা প্রশিক্ষণ কেন্দ্র' (আৰ, এল, চি) বোৰলৈ আঞ্চলিক ভাষা শিক্ষাৰ কাৰণে ডেপুটেচনত পঠায়। এই বাৰো ১৯৮৫-৮৬ চনৰ কাৰণে যি সকল শিক্ষকৰ নাম তালিকাভুক্ত কৰা হল, দেখা গৈছে যে শিক্ষাধিকর্ত্তাই জাননী দিয়া মতে অর্হতা সম্পন্ন শিক্ষকক বাদ দি কিছুমান নতুন আৰু অনভিজ্ঞ শিক্ষকহে বাচনি কৰিছে। ইয়াৰ পম খেদি গম পোৱা গল যে তালিকাত থকা ৭৩ জন শিক্ষকৰ প্রত্যেকে হেনো যিখন মেজত উক্ত তালিকা তৈয়াৰ কৰা হয়, সেইখন টেবুলে ৩০০ টকাৰ পৰা ৫০০ টকা পর্য্যন্ত মাননি লৈছে। যি সকল দুর্ভগীয়া উপযুক্ত শিক্ষকে এই টেবুলখনক মাননিয়েই হওক বা অন্য কোনো প্রকাৰে সন্তুষ্ট কৰিব পৰা নাই সেইসকল উক্ত সুবিধাৰ পৰা বঞ্চিত হল। আপুনি যদি সোধে আপোনাৰ নামটো কিয় তালিকাভুক্ত নহল, কব "আপুনি তালিকা প্রস্তুত হোৱাৰ আগতে এবাৰ দেখা দিছিল জানো।" প্রশি-ক্ষণ দিয়াৰ কাৰণে যিটো অর্হতা সম্পন্ন লোক তেওঁক পঠাব লাগিছিল। বি, টিৰ ক্ষেত্ৰত এটা মাপ কাঠি আছে। এবছৰৰ বেছি চাকৰি কাল বা ইমানখিনি অভিজ্ঞতা থাকিব লাগে। নহলে কোনো স্কুলৰ নামেই নাহিব আৰু বি টি প্রশিক্ষণ লব নোৱাৰিব। তেওঁলোকে অহা যোৱাও কৰিব নোৱাৰে আৰু ডি, এচ, ই অফিচেও তেওঁলোকৰ নামটো লিষ্টিভুক্ত নকৰে।

এনে স্থলত আজি শিক্ষা বিভাগৰ এইবিলাক কথা বিচাৰ কৰা অতি প্রয়োজন হৈছে। পাঠ্য পুথি প্রণয়ণ আৰু প্রকাশনৰ ক্ষেত্ৰত ইতিমধ্যে কোৱা

হৈছে। এইটো কথা ঠিক যে আজি বহুতো বিষয়ৰ পাঠ্য পুথি ছাত্র ছাত্রীৰ হাতত নাই আৰু বজাৰলৈ গলেও সেইবিলাক কিনিবলৈ নেপায়, কাৰণ সেই-বোৰ প্ৰকাশ হৈ উঠা নাই। অথচ পাঠ্যপুথি প্ৰকাশৰ কাৰণে আমাৰ এটা নিগম আছে। তাত কি ঘটিছে? ইয়াৰ এটা প্ৰধান কাৰণ আমি দেখিছোঁ যে একোটা বিষয়ৰ অসংখ্য কিতাপ ছপাই কিতাপৰ গুদাম ভৰ্ত্তি কৰি দিছে যিবিলাক এবছৰত নহয় দুবছৰতো বিক্ৰী শেষ নহয়। এনে কৰাৰ সলনি যদি আন বিষয়ৰ কিছু কিতাপ ছপালেহেঁতেন তেন্তে কিছু চাহিদা পূৰণ হলহেঁতেন।

কাগজৰ ক্ষেত্ৰত পোৱা গণ্ডগোলৰ কথা কোৱা হৈছেই, বহু দাম দি ব্লেকত কাগজ কিনিছে। অথচ চাবচিদি কাগজো পোৱা যায়। ব্যক্তিগত মানুহৰ পৰা এই কাগজ কিনাৰ কাৰণে আজি এই সমস্যাই দেখা দিছে।

শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত আমি বাৰে বাৰে কৈ আছোঁ, যিহেতু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে, গতিকে শিক্ষকৰ সংখ্যা বঢ়াব লাগে। এটা বছৰত অতিৰিক্ত পদত এজনো শিক্ষক নিযুক্তি দিয়া হোৱা নাই, কেৱল অৱসৰ হলেহে নিযুক্তি দিয়া হয়। বড়ো মাধ্যমৰ হাইস্কুল আৰু এম, ই স্কুলত শিক্ষক নিযুক্তিৰ যি পোষ্ট চেংচন হব লাগিছিল কিয় নহল? শিক্ষকে চাৰি-পাচ মাহ ধৰি বেতন নেপায়, এইটো স্বভাৱ সিদ্ধ হৈ পৰিছে। শিক্ষক সকলৰ ইমান সীমিত টকা, সেই কেইটাকে যদি সময়মতে নেপায় তেন্তে তেওঁলোকৰ অৱস্থা কি হব? এই সমস্যা কেৱল বড়ো মাধ্যমতে নহয়, বঙালী মাধ্যমৰ স্কুলত অসমীয়া ভাষা শিকোৱা শিক্ষক অনেক স্কুলত নাই। ইয়াৰ কাৰণে বিধান সভাৰ মজিয়াত প্ৰশ্ন উত্থাপন কৰিব লগা হয় এই ক্ষেত্ৰত চকু ৰখাটো চৰকাৰৰ অতীব প্ৰয়োজন। বৃত্তিৰ ক্ষেত্ৰত কব খোজোঁ যে দুখীয়া ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত অ' বি, চি, এম অ' বি, চি যাৰ আয় কম সেই সকলৰ ক্ষেত্ৰত বৃত্তি পুনৰ প্ৰৱৰ্ত্তন কৰিব লাগে। তেহে তেওঁলোকে উচ্চ শিক্ষা লব পাৰিব। কলেজৰ ক্ষেত্ৰত ৰঙিয়াৰ প্ৰতিনিধি হিচাবে মই কব খোজোঁ যে ৰঙিয়া কলেজৰ যি গভৰ্ণিং বডি আছে, বিভিন্ন কলেজতো এনে গভৰ্ণিং বডি আছে, তেওঁ-লোকে যিটো প্ৰয়োজনীয় বা ভাল বুলি কৰিব খোজে সেইটো কৰিবলৈ দিব লাগে। কিন্তু বাতৰি কাকতত পোৱা যায় যে ৰঙিয়া কলেজত দুজন প্ৰিন্সি-পাল আছে। এইটো বিষয় এতিয়া পুৰণি হৈ গৈছে, তথাপি ইয়াৰ সমস্যাৰ সমাধান হোৱা নাই। গভৰ্ণিং বডিয়ে যি জনক প্ৰিন্সিপাল হিচাবে দিছিল

সেইজনক নিযুক্তি এতিয়াও দিয়া নহল। এতিয়া কোৱা হৈছে যে নিযুক্তি ডি, পি, আইয়ে বন্ধ কৰি দিছে, আকৌ বিজ্ঞাপন দিয়া হব। যদি একো কৰাৰ অধিকাৰে নাই, গভাৰ্নিং বডিক কি কাৰণে ৰখা হৈছে আৰু কিহৰ দায়িত্ব দিয়া হৈছে এইটো চোৱাৰ প্ৰয়োজন হৈ পৰিছে। এই খিনিকে কৈ মই সামৰিছোঁ।

* শ্ৰীচন্দ্ৰধৰ কলিতা : অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি শিক্ষাৰ শিতানত মন্ত্ৰী ডাঙৰীয়াই যি কৰ্তন প্ৰস্তাৱ আনিছে এই ক্ষেত্ৰত কেইটামান কথা মই সমালোচনা কৰিম। আচলতে শিক্ষা শিতানত এই টকা খৰচ কৰাত মোৰ আপত্তি নাই, কিন্তু কথা হল যি টকা খৰচ কৰা হয়, সেই টকাৰ ব্যৱহাৰ অতি গুৰুত্ব পূৰ্ণ। কাৰণ দেশ এখনৰ উন্নতি আৰু অৱনতিয়েই হৈছে শিক্ষা বিভাগৰ উন্নতি আৰু অৱনতি। এই শিতানত যি খিনি টকা ধৰা হৈছে সেই খিনিৰ সৎ ব্যৱহাৰ হৈছে নে নাই ? আৰু যি খিনি ধাৰ্য্য কৰা হৈছে সেইখিনিৰ নাৰ্য্য প্ৰয়াগ হব নে নাই ?

প্ৰথমতে মই কব খোজোঁ যে এল পি স্কুলৰ ক্ষেত্ৰত মাননীয় শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি মই কব খোজো যে কোঠাৰতো কথাই নাই চাল নোহোৱাকৈয়ে বহুতো স্কুল চলি আছে।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই চেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰতহে এই দাবী মঞ্জুৰী আনিছোঁ। প্ৰাইমেৰী শিক্ষাৰ কথা পিচত কলেও হব।

শ্ৰীচন্দ্ৰধৰ কলিতা : প্ৰাইমেৰী স্কুলৰ কথা কোৱাৰ অধিকাৰ মোৰ আছে।

মিঃ স্পীকাৰ : মানে তেখেতে যিটো দাবী আনিছে সেইটোৰ ওপৰত কওক, নানাটোৰ ওপৰত কৈ কি লাভ ?

* শ্ৰীচন্দ্ৰধৰ কলিতা : চেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰত যি খিনি টকা ধাৰ্য্য কৰা হৈছে এই নন চাব প্লেন ভিলেজত যি বিলাক ট্ৰাইবেল স্কুল আছে এই বিলাকত খৰচ কৰাৰ কাৰণে এই খিনি টকা ধৰিব লাগিছিল। এইটোৰ স্পষ্ট ব্যাখ্যামূলক কথা যে প্ৰাথমিক প্ৰৰ্য্যায়ত আমি কিমান টকা খৰচ কৰিম ? মোৰ সমষ্টি নলবাৰীত চাল নেৰ নথকা এল, পি স্কুল আছে, বেৰাৰতো কথাই নাই। আজি যিখন দেশত শ শ শ্ৰমিকৰ শ শ লৰা-ছোৱালীয়ে এল পি, স্কুল পঢ়ে সেইখন দেশৰ লৰাই পঢ়িবলৈ যত ঘৰ নাই, ঘৰৰ চাল নাই, যত তিনিজন শিক্ষক থাকে তিনিজনে ঘৰৰ ভিতৰতে কোঠা ভগাই লব লাগে

* Speech not corrected.

সেইখন দেশৰ প্ৰাইমেৰী শিক্ষাৰ কথা নকলে কেনেকৈ হব ?

এনেহেন এটা অৱস্থাৰ প্ৰতি প্ৰাধান্য দিব লাগে, বিশেষকৈ বড়ো মাধ্যমৰ স্কুলত বহুতো ছাত্ৰ আছে, যিবিলাক ট্ৰাইবেল চাব প্লেনৰ ভিতৰত নপৰে, সেইবিলাকত এশ জনৰ ভিতৰত এশ জনেই বড়ো শিকা লৰা-ছোৱালী আছে। তাত কোনো স্পেচিয়েল বড়ো শিক্ষকৰ গ্ৰাণ্ট নাই। উদাহৰণ হিচাবে মই কব খোজো যে ঘগৰাপাৰা হাইস্কুলত যিটো ঘৰ আছে তাৰ আৰ, চি, চি, বিল্ডিঙত জেনেৰেল ক্লাচ চলে, কিন্তু বড়ো ভাষাৰ কাৰণে ৰাইজৰ পৰা তুলি অনা এজবেষ্টচৰে সজা চালি এখনহে আছে। অলপ বৰষুণ পৰিলেই তাত পানী উঠে ।

এই সকলোবোৰ দিশ চাই মই ভাবোঁ যে বিধায়সকলৰ এইবোৰত দৃষ্টি থাকিব লাগে আৰু এই বিলাক সময়মতে দৃষ্টিগোচৰ কৰাৰ অধিকাৰ আমাৰ আছে । সেই অধিকাৰ সাব্যস্ত কৰিয়েই মই এই শিতানত এইবোৰ দিশত গুৰুত্ব দিয়াৰ বাবে দাবী কৰিছোঁ ।

অন্য এটা কথা হল নিযুক্তিৰ কথা, নিযুক্তিৰ ক্ষেত্ৰত কিছু সীমিত কৰি দিছে। তথাপিও ইয়াত বহুতো বিসঙ্গতি আৰু খেলি মেলি আমি দেখি আছোঁ। সেয়ে আমি বিশেষকৈ এই বিষয়ত মনোনিবেশ কৰিব লাগিব । এম ই স্কুল বিলাকে দৰমহা ড্ৰ কৰি আছে। চৰকাৰে স্কুল বোৰ লোৱাৰ পিচত তাত কাম কৰি থকা শিক্ষক বিলাকৰ নাম শেষৰ নংলৈ গৈছে। পাচ বছৰৰ পৰা দহ বছৰলৈকে কাম কৰিছে বুলি ৰেৰ্কড তেওঁলোকে প্ৰতিষ্ঠা কৰিব লাগিব । মই প্ৰাথমিক শিক্ষাৰ উন্নতিৰ কাৰণে কৈছোঁ। অন্যান্য দিশততো বৈষম্য চলিয়েই আছে অন্ততঃ শিক্ষাৰ ক্ষেত্ৰত বৈষম্য দূৰ কৰিব পাৰিলে ভাল হয়। আগতে পুলিচ থানালৈ মানুহে যাবলৈ ভয় কৰিছিল। আজি কালি তেনে নহয়। শিক্ষা বিভাগৰ ডি, পি, আই অফিছটো যি দূৰ্নীতি চলি আছে সেইটো কলে এতিয়া প্ৰমান কৰি দিব নোৱাৰে বুলিয়েই কব। এই কাৰণে মই শিক্ষা মন্ত্ৰী মহোদয়ক জগৰীয়া কৰিব নোৱাৰোঁ কিন্তু ক্ষমতাত যেতিয়া থাকে তেতিয়া এই বিলাক অলপ চাব লাগে । কিবা দলীয় বা অন্য কাৰণত তেখেতে এৰাই যাব খুজিছে নেকি আমি নাজানো। বহুতো নথিপত্ৰ সহ আনিছিলোঁ পিছে সময় নাই । মই ব্যক্তিগতভাৱে তেখেতক লগ ধৰি কম । এই বিলাকৰ কিবা এটা সমাধান পাম বুলি আশা কৰি মই সামৰণী মাৰিলোঁ ।

শ্ৰীমথুৰা ডেকা ঃ উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতনত যি কৰ্ত্তন প্ৰস্তাৱ

দাভি ধৰিছে মই তাক সমৰ্থন কৰি কিছুকথা কব বিচাৰিছোঁ। আমাৰ এই শিতানত চৰকাৰ পক্ষৰ পৰা যি প্ৰতিশ্ৰুতি দিয়া হৈছিল তাক কাৰ্য্যকৰী কৰা হোৱা নাই বুলি মই কৈছোঁ। কাৰণ এটা কথা মই কওঁ স্নাতক পৰ্য্যয়লৈকে স্নাতক শ্ৰেণীৰ ছাত্ৰী সকলক বিনামূলীয়া শিক্ষা দিয়াৰ কথা আছিল। কিন্তু মোৰ ছোৱালীজনীয়ে আজিও মাছুল কলেজত দি আছে। গতিকে এইটো কথা কেনে সত্য কিমান যুক্তি সংগত মই বুজা নাই। এটা প্ৰতিশ্ৰুতি দি তাক ৰক্ষা নকৰাটো মই কাৰণ কি বুজি পোৱা নাই। নে আমাৰ জনসাধাৰণৰ মাজত এটা প্ৰচাৰ চলাবৰ কাৰণেই এই কথা কোৱা হল নেকি? অৱশ্যে আমাৰ চৰকাৰে প্ৰচাৰৰ কাৰণেই কিছুমান অন্যায় আচৰন কৰাও দেখা যায়। আমাৰ শিক্ষা মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ যি যাদুঘৰ আছে সেই যাদুঘৰৰ এটা নতুন ঘৰৰ আধাৰশিলা স্থাপন কৰিবলৈ গৈছিল, আমিও গৈছিলোঁ। তাত এজন ইঞ্জিনীয়াৰে বক্তৃতা দি কৈছিল যে ঠাইৰ অভাৱৰ কাৰণে যাদু-ঘৰৰ বাহিৰৰ ফুল বাগিছাৰ মাটিও কিছু অন্যায় কৰি লোৱা হৈছে। পিচত দেখা গল মিউজিয়ামৰ মাটি যথেষ্ট আছে। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে এই বাতৰি কাকত বোৰক বৰ ভয় কৰে কিবা অন্যায় কৰিব পাৰে বুলি। সেয়ে তেওঁলোকে এটা ঘৰ বান্ধি তাত এটা প্ৰেছ ক্লাব কৰি দিলে।

উপাধ্যক্ষ মহোদয়, তাত যদি কোনোবাই অনধিকাৰ প্ৰৱেশ কৰি সোমাল হেতেন তেন্তে হুলস্থুল লাগি গলহেতেন। প্ৰেছ ক্লাৱে কেনেকৈ তাত মাটি দখল কৰিলে? সেয়ে আমি ভাবি পাইছোঁ যে আমাৰ চৰকাৰে প্ৰেছলৈ বৰ ভয় কৰে। আৰু প্ৰেছেও চৰকাৰৰ লগত হাত মিলাই নিজৰ সুবিধা আদায় কৰি আছে। আমাৰ জাতিৰ সম্পদ এই যাদুঘৰ। কিন্তু যাদুঘৰৰ কিছুমান আপুৰুগীয়া সম্পদ জনসাধাৰণে চাবলৈ পোৱা নাই। কাৰণ সেই বিলাক যতে ততে থব নোৱাৰি আৰু সেয়ে ওপৰত ডাইৰেক্টৰৰ কোঠাত সুমুৱাই থৈছে।

এই যাদুঘৰৰ মাটিৰ ওপৰতে আগতে এটা কলা বোবাৰ স্কুল আছিল এতিয়া আতৰি গল আকৌ পিচত তাতে বহিল চেণ্ট্ৰেল স্কুল। সেইটোও গল তাৰ পিচত এতিয়া ইন্সপেক্টৰ অৱ স্কুল আৰু চাপ্লাই আদিৰ অফিছ বহিছে।

ইফালে আমাৰ শিক্ষা বিভাগৰ মাটি ভেকুৰা লাগিছে। অভাৰ ব্ৰীজৰ ওচৰত ঘৰ বান্ধি আছে তাকো আধৰুৱাকৈ পেলাই থৈছে। শিক্ষা মন্ত্ৰী মহোদয়ে এইটো সাজি উলিয়াব লাগিছিল। কিন্তু সেইটোত গুৰুত্ব দিয়া নাই।

আজি শিক্ষামন্ত্ৰী মহোদয়ে এইবিলাক কথালৈ গুৰুত্ব দিয়া উচিত। যাদুঘৰৰ মূল্য কি ইয়াৰ ব্যৱহাৰ্য্যতা কি এইবিলাক এতিয়া আৰু কবলৈ দৰকাৰ নাই। গোটেই ভাৰতবৰ্ষতে পৃথিৱীৰ বিভিন্ন ৰাজ্যত কিমান ধৰণৰ কাৰ্য্য চলি আছে সেই বিলাক আমাৰ সকলোৱেই জানে। অসমৰ পৰা ভাৰতৰ পৰা পূৰণা মূৰ্ত্তি চুৰি কৰি অন্য দেশলৈ নিয়াৰ কথা কাগজে পত্ৰে ওলায়েই থাকে। যাদুঘৰে ভাত নিদিয়ে সেইটো ঠিক কিন্তু সংস্কৃতি শিক্ষাৰ মূল ভৰাল হ'ল এই যাদুঘৰ। এই শিক্ষা-সংস্কৃতিৰ জাতীয় আধাৰৰ ওপৰত অনধিকাৰ কৰিছে ইন্সপেক্টৰ অব স্কুলৰ অফিচে, চাপ্লাই অফিচে, এচ-ডি-চি আৰু প্ৰেছ ক্লাবে। এইবিলাক কথা অচিৰে চাব লাগে আৰু ইয়াৰ ব্যৱস্থ্যা গ্ৰহণ কৰিব লাগে। আমবাৰীৰ খননকাৰ্য্যই গোটেই ভাৰতবৰ্ষতে চমক লগাইছিল। আলোড়ণ উঠা সেই সময়তেই উপৰাষ্ট্ৰপতি জাকিৰ হুচেইন আহিছিল আৰু তেওঁক পইচাৰ অভাৱৰ কথা কোৱাত এনে বিলাক কামৰ কাৰণে টকা পইচাৰ অভাৱৰ কথা আহিব নালাগে বুলি কৈছিল। বাতৰি কাকততো সেইবিলাক কথা ওলাইছিল। আমবাৰীৰ খননকাৰ্য্য আকৌ চলিব লাগে। তাৰ তলত হয়তো আৰু বহুত সম্পদ উদ্ধাৰ হব। প্ৰেছ ক্লাব আদি অফিচ বিলাকো উঠাই দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু আমবাৰীৰ খননকাৰ্য্য সম্পূৰ্ণ কৰিব লাগে। সেইবিলাক যাদুঘৰত ৰাখিব লাগে। বিভিন্ন ঠাইৰ পৰা মূৰ্ত্তি আদি আনি কিয় খৰচ কৰা হৈছে যদিও সেই বিলাক যাদুঘৰত ঠিকমতে ৰাখিব নোৱাৰে বা মানুহক দেখুৱাৰ কাৰণে ব্যৱস্থা কৰিব নোৱাৰে। যাদুঘৰ নিৰ্ম্মাণৰ সাৰ্থকতাই বা থাকিব ক'ত? মই শিক্ষামন্ত্ৰীক এই বিষয়ত ব্যক্তিগত ভাবে ব্যৱস্থা হাতত লবলৈ অনুৰোধ জনালো। দ্বিতীয় কথা হ'ল গাওঁ অঞ্চলত থকা লাইব্ৰেৰী বিলাকৰ কাৰণে আগতে কিতাপ পত্ৰ আদি বিতৰণ কৰা হৈছিল সামাজিক শিক্ষা বিভাগৰ যোগেদি। এতিয়া কিন্তু সেইটো গুচাই দি বয়স্ক শিক্ষা শিতানৰ পৰা তেওঁলোকৰ যোগেদি লাইব্ৰেৰী সমূহলৈ কিতাপ পত্ৰ যোগান ধৰাৰ ব্যৱস্থা কৰিছে। এইটো কথা কেনে ধৰণৰ বুজিব পৰা নাই। কিয়নো বয়স্ক শিক্ষা বিভাগৰ এটা কাম হৈছে লেম্প কিনে কিন্তু কেৰাচিন নিকিনে। সেই বিভাগক লাইব্ৰেৰীৰ কিতাপ যোগান ধৰিবলৈ দিয়া মানে কি হব পাৰে ভাবি চালেই ওলাই পৰিব। ইয়াৰ সলনি জিলা পুথি-ভড়াল আছে ৰাজ্যিক পুথিভড়াল আছে সেই বিলাকৰ দ্বাৰা এই কিতাপ যোগান ধৰা হলে ভাল হলহেঁতেন। বয়স্ক শিক্ষা বিভাগৰ পৰা কিতাপ

যোগান ধৰাৰ কি যুক্তিযুক্ততা থাকিব পাৰে আমি ভাবি নাপাওঁ। মই নিজে বয়স্ক শিক্ষা নামৰ কমিটি দুটামানৰ চেয়াৰম্যান। আজিলৈকে৷ মিটিং এখনো কৰি পোৱা নাই। খবৰ আদিও নাই। কেতিয়াবা কব'বাত যাবলৈ ওলালে গম পাওঁ মিটিং হব বুলি। কেন্দ্ৰৰ পৰা টকা দিছে কাৰণেই ইমান যধে মধে খৰচ কৰিব পায়নে? বিনামূলীয়াকৈ বিষ দিলে কোনোবাই খাব নেকি উপাধ্যক্ষ মহোদয় নাজানো কিন্তু বয়স্ক শিক্ষা বিভাগৰ নামত দিয়া টকা পইচা বিলাক এনেই গৈ আছে। তাতে আকৌ তেওঁলোকৰ হাতত দিছে লাইব্ৰেৰীলৈ কিতাপ দিয়া ব্যৱস্থাটো। তেওঁলোকে ওজন কৰি চানাচুৰ ৱালাক বিক্ৰী কৰিব। শিক্ষাৰ নামত কলঙ্ক হৈছে। এনেকৈ অসমৰ শিক্ষাৰ নামত কলঙ্ক সনা উচিত হোৱা নাই। স্কুল বিলাকৰ বহুততে ছাত্ৰ নাই কিন্তু ষ্টেটমেণ্ট মতে সকলো আছে, শিক্ষক নাই কিন্তু মঞ্জুৰীৰ কাৰণে দিয়া ষ্টেটমেণ্টত সকলো আছে। মাটি নাই অথচ মাটি দেখুৱা হয়। লোকৰ মাটি দহ বাৰ মাইল দূৰত থকা বুলি, স্কুলৰ নামত আছে বুলি দেখুৱাই স্কুলৰ পাৰ্মিশ্বন লৈ আছে। গাওঁ পঞ্চায়তৰ মাটি, মহকুমা পৰিষদৰ মাটি স্কুলৰ বুলি দেখুৱাই স্কুলৰ পাৰ্মিশ্বন আনি আছে। এনেকৈয়ে এম ই স্কুল হাইস্কুল নতুন নতুন কৰিয়েই আছে। অনুমতি লৈয়েই আছে শিক্ষা বিভাগৰ কৰ্ম্মচাৰী সকলে যায় নে নাযায় নাজানো। মই মাজে মাজে কমলপুৰ অঞ্চলৰ স্কুলৰ কাষে পাজৰে যাওঁ। স্কুল চাবলৈ নহয়। কি হৈ আছে নাই তাৰে বুজ লবলৈ যাওঁ। গম পাওঁ প্ৰায়বিলাক স্কুলতে শিক্ষক নাই। একেই আপত্তি শিক্ষক সকল নাযায়। তাত যিজন স্কুল এচ আই আছে তেওঁৰ বিৰুদ্ধে কোনো শিক্ষকৰ অভিযোগ নাই। সেই এচ আই জন তাত চৈধ্য বছৰ ধৰি আছে। হাল বাই খেতি কৰি নিজৰ ঘৰতে থাকে আৰু শিক্ষকসকলে বহী আদি লৈ আহে আৰু তেওঁ চহী কৰি দিয়ে। শিক্ষামন্ত্ৰীক কৈ এই এচ আই জনক এবাৰ ট্ৰেন্সফাৰ কৰা হৈছিল যদিও দলীয় হেচাত আকৌ নি ঠাইতে বহুৱাই দিছে। এই খন কাৰ দেশ। কোনে খবৰ ৰাখে। দেশ জহন্নামে যাওক পাৰ্টি থাকক এইটোৱেহে অৱস্থা এতিয়া। কানি বেপাৰীয়ে হওক বা আফিং বেপাৰীয়ে হওক পাৰ্টি থাকিব লাগিব।

মাননীয় উপাধ্যক্ষ: আপুনি প্ৰাইমাৰী শিক্ষাৰ কথা কওক।

শ্ৰীমথুৰা ডেকা: প্ৰাইমাৰী আহিয়েই চেকেণ্ডাৰি হয়। মই এবাৰ শিক্ষা মন্ত্ৰী মহোদয়ক অলপ আঘাট দিয়া ধৰণেৰেই কৈছিলো। প্ৰাইমাৰীয়ে এতিয়া

চেকেণ্ডাৰীক দেখি দেখি তেওঁলোকো ডাঙৰ হৈছে। চেকেণ্ডাৰী হ'ল আন্দোলনৰ মূল চাবি কাঠি। ল'ৰাই পৰীক্ষা দিবলৈ গলেও কয় অসম বন্ধ। প্ৰয়াত প্ৰধান মন্ত্ৰীৰ মৃত্যুৰ দিনাও হাইস্কুলত ভোজ পাতে, তিনিদিনীয়া প্ৰতিযোগিতা পাতে। মুখ্য মন্ত্ৰী শিক্ষা মন্ত্ৰীয়ে অনুতাপ কৰিব পাৰিব। দৈবশক্তি ডেকাই ইন্দিৰা গান্ধীৰ মৃত্যুত এজনী ৰেণ্ডি মৰিছে গতিকে পুণ্যৰ দিন পবিত্ৰ দিন বুলি কৈ ফট্‌কা ফুটুৱাই। এইটো এতিয়া কেচ চলি আছে। এই বিলাকেই হ'ল ভুৱাবাজ দল। সেই দৈৱশক্তি ডেকায়ে এতিয়া দলত। কংগ্ৰেছ দলত আছে।

মাননীয় উপাধ্যক্ষ: আপুনি শিক্ষালৈ আহক।

শ্ৰীমথুৰা ডেকা: আমাৰ একো আপত্তি নাই। যাকে লয় লওক ৰাজনৈতিক দলত। কিন্তু ৰাজনৈতিক দলৰ লগত লাগি যাতে সামূহিক ক্ষতি নহয় বা দেশখনৰ ক্ষতি নহয় সেই কথাটো চাব লাগিব। এইটো এটা আদৰ্শৰ কথা। মই যোৱাবাৰ বিধান সভাতো কৈছিলো যে শিক্ষা বিভাগে ৰাজ্যখনক পৰিষ্কাৰ কৰিব পাৰে, পবিত্ৰ কৰিব পাৰে আৰু এই শিক্ষা বিভাগে ৰাজ্যখনলৈ অধগতিও টানি আনিব পাৰে। বৰ্ত্তমানৰ শিক্ষা বিভাগে ৰাজ্যখনলৈ অধগতিহে টানি আনিছে। প্ৰাইমেৰী স্কুলবিলাক বেয়া হ'ল এই চেকেণ্ডাৰী স্কুল বিলাকৰ কাৰণে। চেকেণ্ডাৰী স্কুল বিলাকৰ ক্লাচেই নহয় প্ৰাইমাৰী স্কুলবিলাক কিয় বহিব? প্ৰাইমাৰী স্কুল বিলাকে ক'ৰবাত দুই এঘণ্টা পঢ়ালেও চেকেণ্ডাৰী স্কুলবিলাক নবহে। কাৰণ তেওঁলোক ডাঙৰ শিক্ষক। আজিকালি লৰা ছোৱালীয়ে প্ৰায় নকল কৰাটো ধৰিছে, কিছুমানে বাহিৰতে লিখি আনে। ভিতৰত বহীটো চাইন হোৱাৰ পাছতে বহীটো বাহিৰলৈ পঠিয়াই দিয়ে আৰু বাহিৰৰ পৰা লিখি পঠিয়ায়। সেই কাৰনে গাওঁৰ চেণ্টাৰ বিলাকত প্ৰথম বিভাগ অনাৰ্চ আদি বেছি কিন্তু পিচত যেতিয়া ইয়ালৈ আহে তেতিয়া ফেল কৰে। এই অৱস্থা হৈছে। এজন শিক্ষকে মিটিঙত নকল কৰা সম্পৰ্কে লম্ফ জম্ফ লেকচাৰ দিলে, তাৰ পিচত এদিন মোৰ পৰিবাৰে লগ পায় কলে যে আপুনি দেখোন আপোনৰ নিজৰ পৰিবাৰকে নকল যোগান ধৰিলে। তেতিয়াৰ পৰা আৰু তেওঁ লাজতে ইনভেজিলেটৰ হোৱা নাই। আমাৰ শিক্ষা ব্যৱস্থা এনেকুৱা হৈছে। এই শিক্ষা ব্যৱস্থা ভাল কৰিব লাগে মানুহৰ মাজত পৰিবৰ্ত্তন আনিব লাগে। মোৰ সমষ্টিৰে এখন স্কুলত কাৰীকৰী শিক্ষা ব্যৱস্থাৰ কাৰনে এজন শিক্ষক আছে। তেওঁক মাত্ৰ মাহেকত

২০০ টকা দৰ্মহা দিয়ে। তেওঁ মোৰ ওচৰলৈ আহিলে পোষ্টটো চেংচনৰ কাৰনে মই সুধিলো তুমি কি পঢ়োৱা? মিস্ত্ৰী কাম শিকোৱা নেকি? বিহ-কৰমৰ কাম শিকোৱা নেকি? তেওঁ কলে যে যদিও তেওঁ সেই বিষয়ৰ শিক্ষক তেওঁ বৰ্ত্তমান ক্লাচ টিচাৰ। তাৰ পিচত মই কথাটো উলিওৱাত তেওঁক কথাটো বুজাই দি ক্লাচ টিচাৰ হোৱাৰ বাবে চেষ্টা কৰিবলৈ দিলো। মই অৱশ্যে তেওঁক বেলেগ স্কুলত সোমাই দিলো। এতিয়া জানিব পাৰিছো সেই পোষ্টটো ডি পি আই অফিচে পুনৰ চেংচন দিছে। এই ধৰণে স্কুল চলি আছে। ক্ৰাফ্ট টিচাৰে ক্লাচ টিচাৰ হয়। অথচ কৰত কুঠাৰ নাই। ক্ৰাফ্ট টিচাৰ। এইবিলাক কিহৰ প্ৰহসন? কিহৰ ভেকোভাওনা? এই ভেকোভাওনা শিক্ষা বিভাগে চলাইছে। এইবিলাক কথা অকল এঠাইতে নহয় সকলো ঠাইতে চলিছে। আগতে ক্ৰাফ্ট টিচাৰ আছিল মাল্টি পাৰ্পাচ স্কুল বিলাকত অন্য স্কুলত সাধাৰণতে দিয়া হোৱা নাছিল। কিন্তু মন্ত্ৰী মহোদয় সকলে লৰাজনক অন্য একো কৰিব নোৱাৰি ক্ৰাফ্ট টিচাৰকে কৰি দিছে। এই বিলাক বন্ধ কৰিব লাগে। স্কুল মাতৃৰ ক্ষেত্ৰত যেনেকৈ তেওঁলোক অৱসৰ পোৱাৰ পাছত বেলেগক আৰু নতুনকৈ নিযুক্তি দিয়া নহয় বুলি সিদ্ধান্ত লৈছে তেনেকৈ এই পদবিলাকো ভৱিষ্যতে বন্ধ কৰিব লাগে। শিক্ষা বিভাগে এই কেৰোনবিলাক আতৰ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে মোৰ লগত জেদ কৰিছে। মোৰ অঞ্চলৰ তিনিজন শিক্ষকক শেষ কৰি দিছে অৰ্থাৎ ড্ৰপ কৰিছে। তাৰে এজন শিক্ষকে অৱসৰ পাবলৈ মাত্ৰ ২ বছৰমানহে আছে। এই কথাটো মই যোৱা বিধান সভাত আৰু আগৰ বিধান সভাতো উল্লেখ কৰিছো। কিন্তু তেখেতে জেদভাবত গৈছে - শিক্ষক তিনিজনক হাৰাশাস্তি কৰিছে। তেওঁলোকৰ এজনে ১৪ বছৰ, এজনে অৱসৰ পাবৰ সময় হৈছে এতিয়া তেওঁলোক কেনেকৈ এক্সেচ টিচাৰ হ'ল বুজি নাপাওঁ। টকা তেওঁলোকক দিবই লাগিব। কিন্তু কষ্ট পাইছে। তেওঁলোকৰ মাটিবাৰী গৰু বিক্ৰী হৈ গৈছে। শিক্ষা মন্ত্ৰীয়ে নিদিও বুলি আজি ইয়াত কলেও টকা দিবই লাগিব। কাৰণ যিহেতু লেবাৰ কোৰ্টত যোৱাৰ ব্যৱস্থা আছে। টকাখিনি তেওঁলোকে পোৱা উচিত। মোৰ বোধেৰে জেদ কৰি লাভ নাই সকলো সমস্যাৰে সমাধান কৰিব লাগে। তেওঁলোকক দৰ্মহাটো দি সমস্যাটোৰ যিমানেই সমাধান কৰিব পৰা যায় সিমানেই ভাল।

উপাধ্যক্ষ মহোদয়, ইয়াৰ আগতে এলিমেণ্টেৰী শিক্ষাৰ ক্ষেত্ৰত বোৰ্ডৰ এখন মিটিঙত আমি এটা প্ৰস্তাৱ আনিছিলো। সেই প্ৰস্তাৱত এই কথাটো গ্ৰহণ কৰা হৈছিল যে প্ৰতিজন প্ৰাইমেৰী স্কুলৰ শিক্ষকে তেওঁলোকৰ নিজৰ পচন্দ মতে এখন সাপ্তাহিক বাতৰি কাকত লব লাগিব আৰু সেইটো তেওঁ নিজে পইচা খৰচ কৰি লব লাগিব। এইটো এই কাৰণেই কৰা হৈছিল যাতে ইয়াৰ দ্বাৰা তেওঁলোকৰ সাধাৰণ জ্ঞান বৃদ্ধি পায়। ইয়াৰ বাহিৰেও আন এটা প্ৰস্তাৱ লোৱা হৈছিল যে প্ৰ.ত্যকজন স্কুল উপ-পৰিদৰ্শকে স্কুললৈ গৈ সেই স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকক লগ ধৰি তেওঁলোকৰ স্কুলৰ প্ৰতি থকা দায়িত্ববোৰ বুজাই দিব লাগিব। এইটো এই কাৰণেই কৰা হৈছিল এই অভিভাৱক সকলৰ স্কুলৰ প্ৰতি থকা যি দায়িত্ব সেই দায়িত্ব তেওঁলোকে বুজি নেপায় আৰু শিক্ষক সকলৰো স্কুলৰ প্ৰতি যি দায়িত্ব সেই দায়িত্ব শিক্ষক সকলে মানি নচলে। কেতিয়াবা যদি অভিভাৱক সকলে কোনো এজন শিক্ষকৰ প্ৰতি অসন্তুষ্ট হয় আৰু আপত্তি তুলিব বিচাৰে তেনেহলে শিক্ষক জনে কয় যে মই আপোনালোকৰ তলত চাকৰি কৰা নাই। আপোনালোকে মোক বদলিৰ কাৰণে ওপৰলৈ দৰখাস্ত কৰক। আজি আমাৰ এল পি স্কুলবোৰত লৰা-ছোৱালীক শিক্ষা দিয়াৰ কাৰণে প্ৰতিখন স্কুলতে ২-৩ জন শিক্ষকক প্ৰতিজনকে ৮০০ মানকৈ টকা দি ৰাজহুৱা ধন খৰচ কৰি নিয়োগ কৰা হয়। সেইদৰে ২-৩খন এল পি স্কুলৰ মাজত একোখনকৈ হাইস্কুল পাতি হেজাৰ হেজাৰ ধন খৰচ কৰা হৈছে। গতিকে ইমানবোৰ ৰাজহুৱা ধন খৰচ কৰি সেইবোৰৰ পৰা যে আমি প্ৰকৃত ফলাফল লাভ কৰিব পৰা নাই, সেইটো আমাৰ অভিভাবক সকলে আজিও বুজা নাই। উপাধ্যক্ষ মহোদয়, এসময়ত এক সম্প্ৰদায়ৰ মানুহে গৰুৰ গাখীৰ নেখাইছিল, কিন্তু যেতিয়া গৰুৰ গাখীৰৰ উপকাৰীতা বুজি পালে তেতিয়া তাক খাবলৈ ললে। সেই দৰে হিন্দু সমাজৰ কুকুৰা খোৱা অভ্যাস নাছিল। কিন্তু যেতিয়া টি-বি ৰোগত আক্ৰান্ত হোৱা লোকক ডাক্তৰে কুকুৰা খাবলৈ কলে- তেতিয়াৰ পৰা কুকুৰা খোৱা হল। আজি আমাৰ খেতিয়ক সকলৰ সুবিধাৰ কাৰণেই এচ ডি চি সকলক নিয়োগ কৰা হয়। তেওঁলোকে মাটি থকা খেতিয়ক সকলক চাৰ সম্বোধন কৰিব লাগে। কিন্তু সেইটো নকৰি খেতিয়ক সকলেহে তেওঁক চাৰ বুলি কব লাগে। সেইদৰে আমি ভোটাৰ সকলক চাৰ কব লাগে কিন্তু ভোটাৰ সকলেহে ওলোটাই আমাক চাৰ বুলি কয়। গতিকে আমাৰ অভি-

ভাৱক সকলক স্কুলৰ প্ৰতি দায়িত্বৰ কথা ভালকৈ বুজাই দিব লাগে।

উপাধ্যক্ষ মহোদয়, এই খিনিতে মই শিক্ষামন্ত্ৰী মহোদয়ৰ আৰু এটি কথালৈ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে মোৰ সমষ্টিৰ তিনিজন শিক্ষকক তেখেতে কামৰ পৰা বৰ্খাস্ত কৰিছে। এই বিষয়টো মই যোৱা দুটা অধিবেশনত তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। কিন্তু তেখেতক পিচত এই বিষয়ে আকৌ সোধাত তেখেতে প্ৰায়েই পাহৰা শব্দটো ব্যৱহাৰ কৰে। গতিকে এইবাৰ মই আকৌ তেখেতক শেষ বাৰৰ কাৰণে অনুৰোধ জনালো যাতে এই শিক্ষক কেইজনক পুনৰ নিযুক্তি দি তেওলোকৰ পাবলগীয়া টকা-পইচাবোৰ আদায় দিয়ে।

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী): মাননীয় সদস্য গৰাকীয়ে স্কুল কেইখনৰ নাম কেইটা কলে ভাল হয়।

শ্ৰীমথুৰা ডেকা: উপাধ্যক্ষ মহোদয়, এই স্কুল কেইখন হল - দগাও হাইস্কুল আৰু কবৰা হাইস্কুল। দগাওঁ হাইস্কুলৰ যিজন শিক্ষকক কামৰ পৰা বৰ্খাস্ত কৰিলে তেওৰ চাকৰি কাল আৰু দুমাহমানহে বাকী আছে। তেওৰ বৰ্ত্তমান অৱস্থা ইমানেই শোচনীয় যে ঘৰৰ মাটিবাৰী আৰু গৰু গাই সকলো বেছি বৰ্ত্তমান বেমাৰত পৰি আছে। এই শিক্ষক জনক বৰ্ত্তমান যি অৱস্থা সেই অৱস্থালৈ চাই চৰকাৰে যদি অনতিপলমে কিবা এটা ব্যৱস্থা নলয় তেনেহলে মন্ত্ৰী মহোদয়ক তাৰ পাপে চুব। গতিকে মই মন্ত্ৰী মহোদয়ক পুনৰ অনুৰোধ কৰো যাতে এসপ্তাহৰ ভিতৰতে এই শিক্ষক কেইজনক পুনৰ কামত যোগদান দিবলৈ অনুমতি দিয়ে।

মই কৰ্ত্তণ প্ৰস্তাবটো উঠাই লোৱাৰ আগতে এটা কথা কব বিচাৰিছো।

মিঃ স্পীকাৰ : আপুনি সময়টোলৈকো চাব। এতিয়া ৪টা বাজিছে।

শ্ৰীমথুৰা ডেকা : আমাৰ বিৰোধি পক্ষৰ সদস্য সকলে যি বিলাক অভিযোগ, পৰামৰ্শ আগবঢ়াইছে সেই বিলাক চাবলৈ অনুৰোধ কৰি মই কৰ্ত্তণ প্ৰস্তাবটো উঠাই ললো।

* শ্ৰীমুকুট শৰ্ম্মা (শিক্ষামন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয় শিক্ষাৰ পৰিপূৰক মঞ্জুৰীৰ ওপৰত ভালেকেইজন মাননীয় সদস্যই অংশ গ্ৰহণ কৰি শিক্ষা বিভাগক কিছু পৰামৰ্শ আগবঢ়াইছে এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলক আন্তৰিক ধন্যবাদ জনাইছো। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এই শিতানত এটা গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰিছে আৰু সেইটো হৈছে আমাৰ ৰাজ্যত যি সংখ্যক লৰা-ছোৱালীয়ে পৰীক্ষাত ফেইল কৰিছে সি সচাকৈয়ে এটা চিন্তাৰ

বিষয় হৈ পৰিছে। আমি দেখিছো যে যোৱা বছৰ উচ্চ মাধ্যমিক পৰীক্ষাত আৰু হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাত শতকৰা ৩০ জন লৰা-ছোৱালী-য়েহে পাছ কৰিছে।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে শিক্ষাৰ ক্ষেত্ৰত আমি আমাৰ ৰাজ্যত যথেষ্টখিনি ব্যৱস্থা গ্ৰহণ কৰিছো আৰু মই অতি গৌৰবেৰে কব পাৰো যে শিক্ষাৰ শিতানত আমি ভাৰতবৰ্ষৰ ভিতৰত তৃতীয় স্থান লাভ কৰিছো। এই ক্ষেত্ৰত প্ৰথম স্থান অধিকাৰ কৰিছে কেৰালা ৰাজ্যই তেওঁলোকৰ বছৰেকীয়া বাজেটৰ শতকৰা ৪০ ভাগ খৰচ কৰি, মহাৰাষ্ট্ৰই শতকৰা ৩৫ ভাগ খৰচ কৰি ২য় স্থান আৰু আমি শতকৰা ৩০ ভাগ খৰচ কৰি তৃতীয় স্থানত আছো। আমাৰ ৰাজ্যৰ তুলনাত ধনী ৰাজ্য উত্তৰ প্ৰদেশে — এই শিতানত খৰচ কৰিছে শতকৰা — ২২ ভাগ, ৰাজস্থানে শতকৰা ২৪ ভাগ, কৰ্ণাটকে শতকৰা ২৪ ভাগ আৰু আমাৰ নিচেই ওচৰচুবুৰীয়া ৰাজ্য যিখন ৰাজ্যত শ্ৰীদাস ডাঙৰীয়াৰ দলে শাসন কৰি আছে সেইখনত খৰচ কৰিছে শতকৰা ২৫ ভাগ। এইখিনিতে মই আৰু এটা তথ্য আপোনালোকৰ আগত ডাঙি ধৰিব খুজিছো যে আমাৰ ৰাজ্যত আমি প্ৰতি জন ছাত্ৰ-ছাত্ৰীকে প্ৰাথমিক শিক্ষা দিবৰ কাৰণে গাইপতি ১৩০ টকাকৈ খৰচ কৰিছো। সেইদৰে মাধ্যমিক শিক্ষা দিবৰ কাৰণে গাইপতি ১৯০ টকা আৰু হাইস্কুলীয়া শিক্ষা দিবৰ কাৰণে ৫৮০ টকাকৈ খৰচ কৰিছো। কিন্তু ইমানখিনি ধন খৰচ কৰাৰ পিচতো আমাৰ এক বৃহৎ সংখ্যক লৰা-ছোৱালীয়ে এতিয়াও পৰীক্ষাত ফেইল কৰিছে। আপোনা-লোকৰ জ্ঞাতাৰ্থে মই আৰু এটা তথ্য ডাঙি ধৰিব খোজো যে আমাৰ প্ৰথম-মান শ্ৰেণীত যোগদান কৰা প্ৰত্যেক ১০০ জন লৰা-ছোৱালীৰ ভিতৰত ৬০ জন লৰা ছোৱালীয়ে চতুৰ্থমান পায় আৰু তাৰে শেষলৈ গৈ ১৪ জনেহে মেট্ৰিক পৰীক্ষা দিয়ে আৰু তাৰে শতকৰা ৩০ জনে পাছ কৰে। সেই কাৰণে এই বিষয়টো আমি যথেষ্ট চিন্তা কৰিবলগীয়া হৈছে। ইতিমধ্যে এই বিষয়ত মই নিজে বহুতো হাইস্কুলৰ প্ৰধান শিক্ষকক আৰু একাডেমিক কাউন্সিলৰ সদস্য সকলক লগ ধৰি এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছো। আৰু ইয়াৰ কাৰণে যথেষ্ট ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। কিন্তু ফলাফল আমি অতি সোন-কালে পাম বুলি আশা কৰিব নোৱাৰো।

অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও আমি আমাৰ ৰাজ্যত কেন্দ্ৰীয় চৰকাৰৰ এন-চি-ই-আৰ-টিৰ আহিত এখন এচ-চি-ই-আৰ-টি যোৱা ৯ জুন তাৰিখে

উদ্বোধন কৰা হৈছে আৰু এই অনুষ্ঠানটোৰ যোগেদি আমাৰ অন্যান্য স্কুলীয়া পাঠ্যক্রমবোৰ গবেষণা কৰি তেওঁলোকৰ চুপাৰীশ দাঙি ধৰিব আৰু সেই চুপা-ৰীশৰ পৰা আমি যথেষ্ট উপকৃত হম বুলি আমি আশা কৰিব পাৰো। এই বিষয়টো লৈ মই কিছুদিন আগতে দিল্লীলৈ যাওঁতে এন-চি-ই-আৰ-টিৰ লগত বিশেষ গুৰুত্ব সহকাৰে আলোচনা কৰিছিলো আৰু অলপতে আমাৰ ৰাজ্যৰ ৭০ জন শিক্ষকক লৈ এটা ওৱৰ্কচপ ট্রেইনিঙৰো ব্যৱস্থা কৰিছিলো। এই প্রশিক্ষণত এন-চি-ই-আৰ-টিৰ জইন্ট ডাইৰেক্টৰ প্রফেচাৰ জালালউদ্দিন আৰু কেইবাজনো বিশেষজ্ঞ আহি আমাৰ ইয়াত কেইবাদিনো থাকি তেওঁলোকক পৰামৰ্শ দি গৈছে।

অধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা জনাব খুজিছো যে আমি ৪ খন বেচৰকাৰী বি টি কলেজ চৰকাৰীকৰণ কৰিছো আৰু ইয়াৰ শিক্ষক সকলকো প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছো। আমাৰ মাননীয় সদস্য কেইজন-মানে বি, টি কলেজলৈ প্রশিক্ষণলৈ পঠোৱা শিক্ষক বাচনিৰ ক্ষেত্রত ডি, পি, আই অফিচে খেলি-মেলিৰ সৃষ্টি কৰে বুলি কৈছে আৰু এই নিৰ্ব্বাচনৰ কাৰণে কোনো নীতি নিয়ম লোৱা নাই বুলি কৈছে। কিন্তু এই ক্ষেত্রত মই কব খোজো যে এই প্রশিক্ষণলৈ শিক্ষক পঠাওঁতে সেই শিক্ষকজনৰ জেষ্ঠতা, সেই স্কুলৰ পৰা কেইজনে বি, টি প্রশিক্ষণ লৈছে ইত্যাদি কথাবোৰ লক্ষ্য কৰা হয়। গতিকে সেই ফালৰ পৰা মই কব খোজো যে এই ক্ষেত্রত কোনো খেলি মেলি হোৱা নাই। তথাপি মাননীয় সদস্যই যদি নিৰ্দ্দিষ্ট অভিযোগ দিয়ে তেন্তে অনুসন্ধান কৰি ব্যৱস্থা গ্রহণ কৰিম।

অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হৈছে মাননীয় সদস্য শ্রীবিনয় বসুমতাৰী ডাঙ-ৰীয়াই শিক্ষাৰ শিতানত বহুতো আলোচনা সমালোচনা কৰিছে কিন্তু তেখেতে কিছুমান ক্ষেত্রত চৰকাৰে লোৱা ব্যৱস্থা সমূহৰ প্রসংশাও কৰিছে। অধ্যক্ষ মহোদয়, আমি যোৱা বছৰ পিচপৰি থকা অঞ্চলবোৰত উচ্চশিক্ষা লাভ কৰাত সুবিধা হব বুলি ভালেকেইখন হাইস্কুল হায়াৰচেকেণ্ডাৰী কৰা হৈছে। ৫৩খন হায়াৰচেকেণ্ডাৰী কৰা হৈছে আৰু ৩০ খন উপৰন্তু আচনিত ধৰা হৈছে। কিন্তু এই খিনিতে মই এটা কথা কব লাগিব যে আমাৰ পিচপৰা অঞ্চল বোৰত উচ্চশিক্ষাৰ কাৰণে যিবোৰ হায়াৰ চেকেণ্ডেৰী স্কুল পতা হৈছে সেই-বোৰত এম-এ, এম, এচ, চি পাছ কৰা লৰা-ছোৱালী শিক্ষকতা কৰিবলৈ

* Speech not corrected.

যাবলৈ ইচ্ছুক নহয়। উদাহৰণস্বৰূপে মাননয় সদস্য শ্ৰীপেগু ডাঙৰীয়াৰ সমষ্টি জোনাইত যিখন হায়াৰ চেকেণ্ডেৰী স্কুল পতা হৈছে তাত কেইবাটাও বিষয়ত শিক্ষক দিব পৰা নাই। কাৰণ তালৈ যাবলৈ কোনো ইচ্ছুক নহয়। অধ্যক্ষ মহোদয়, মই আৰু এটা কথা উল্লেখ নকৰি নোৱাৰিলো যে আমাৰ কেই-জনমান সদস্যই আপত্তি দৰ্শাইছে যে কেন্দ্ৰীয় চৰকাৰৰ আৰ্হিত আমাৰ শিক্ষা নীতিৰ কোনো ফলাফল হোৱা নাই। কিন্তু এই খিনিতে এটা কথা মন কৰিব লাগিব যে আমি যেতিয়া হাইস্কুলবোৰ চৰকাৰীকৰন কৰো তেতিয়া তাৰ শিক্ষক সকলকহে আমি চৰকাৰীকৰণ কৰিলো কিন্তু স্কুলৰ ঘৰকে আদি কৰি যাবতীয় সম্প্ৰতিবোৰৰ দায়িত্ব মেনেজিং কমিটিয়ে তদাৰক কৰে। এই ক্ষেত্ৰত বহুতো স্কুল কলেজৰ মেনেজিং কমিটিৰ পৰিচালনাৰ অভাৱত সেই স্কুল-কলেজবোৰে গা কৰিব পৰা নাই। আমি বহুতো ক্ষেত্ৰত দেখিবলৈ পাইছো যে অসমত চলি থকা কেইখনমান ভ্ৰাম্যমান থিয়েটাৰৰ যোগেদি বহুতো অঞ্চলত স্কুল কলেজ গঢ়ি উঠিছে আৰু ই একমাত্ৰ হৃবলৈ পালে মেনে-জিং কমিটিৰ সুপৰিচালনাৰ কাৰণে। সেই ফালৰ পৰা এই মেনেজিং কমিটি-বোৰে স্কুল কলেজ নিৰ্ম্মাণৰ ক্ষেত্ৰত আমাক যে অৰিহণা যোগোৱা নাই সেইটো আমি অস্বীকাৰ কৰিব খোজা নাই।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সকলে টেক্স বুকৰ কথাও কৈছে। ব্যক্তিগত প্ৰেছৰ মালিক সকলৰ ওপৰতে আমি টেক্স বুকৰ বাবে নিৰ্ভৰ কৰিব লগা হয়। তেওঁলোকে সময় মতে আমাক স্কুলীয়া কিতাপ আদি দিব নোৱাৰে। তাৰোপৰি মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই বাহিৰৰ পৰা কাগজ কিনাৰ কথাও কৈছে। মই আপোনালোকৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে, যোৱা বছৰ কনচেচন ৰেটত কিতাপ যোগান ধৰা বন্ধ আছিল বাবেই আমি উপায়-হীন হৈ আমি বাহিৰৰ পৰা কাগজ ক্ৰয় কৰিবলগীয়া হৈছিল। আগতে সমবায়ৰ জৰিয়তে ভাৰত চৰকাৰৰ পৰা কনচেচন ৰেটত কাগজ পোৱা হৈছিল। যোৱা বছৰ কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীয়েও এই কথা সদনত আলোচনা কৰিছিল। কনচেচন ৰেটত কাগজ নোপোৱাৰ বাবেই অসমত কিতাপৰ অভাৱ হৈছে। কিন্তু এই বছৰ কাগজ পোৱা হেতুকে পাঠ্যপুথি নিগমে কোনো কাগজ বাহিৰৰ পৰা ক্ৰয় কৰিবলগীয়া হোৱা নাই। অধ্যক্ষ মহোদয়, মই আপোনাক এই কথাও জনাব বিচাৰিছো যে, প্ৰাইভেট প্ৰেছ আৰু ব্যক্তিগত মালিক সকলে সময় মতে কিতাপ দিব নোৱাৰাৰ বাবে টেক্স বুক প্ৰিণ্ট কৰাৰ বাবে নিজস্ব

প্ৰেছ কৰাৰ কাৰণে চিন্তা কৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অলপতে আমি এই কাম হাতত লব পাৰিম। আৰু তেতিয়া আমাৰ বহুখিনি সমস্যা সমাধান হব। মাননীয় হেমেন দাস ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ দুখন আৰু জনিয়া সমষ্টিৰ দুখন বালিপুৰ আৰু ডেকাপুৰৰ যি তথ্য দাঙি ধৰিছে এইবিষয়ে আমি নিশ্চয় চাম। তেখেতে কৈছে যে নলবাৰীত কিতাপৰ অভাৱ এই কাৰণেই হৈছিল যে, তাত বানপানীয়ে কিতাপ নষ্ট কৰিছিল। এই সম্পৰ্কে যথেষ্ট তদন্ত কৰা হৈছে। এই সম্পৰ্কে ডাইৰেক্টৰ এলিমেণ্টৰী এডুকেশ্যন আৰু পাঠ্যপুথি নিগমৰ বৰ্ড অৱ ডাইৰেক্টৰৰ লগত আলোচনা কৰাও হৈছে আৰু নলবাৰীত থকা চৰকাৰী বিষয়াৰ দ্বাৰা পৰীক্ষা নিৰিক্ষা কৰি দেখা গৈছে যে, প্ৰায় সম্পূৰ্ণ কিতাপ বানপানীত ক্ষতিগ্ৰস্থ হৈছে। বিহপুৰিয়াৰ কলেজীয়েট স্কুলৰ সম্পৰ্কত মই কব বিচাৰো যে, এই স্কুল টি, এচ, পি এৰিয়াত পৰে বৰ্ত্তমানৰ জইন ডাইৰেক্টৰ ট্ৰাইবেল এফেয়াৰচে এই সম্পৰ্কত তদন্ত কৰে। আৰু তাত দুটা চেকচন খোলাৰ ব্যৱস্থা কৰিছে। কিয় ৫টা বা ৬টা ছেকচন দিয়া হৈছিল এই বিষয়ে নিজেই চিন্তা কৰিছে। এইচ, এচ, এল, চিৰ সময়ত পৰীক্ষা নোহোৱাৰ কথা আমাৰ পূৰ্ণ বড়ো ডাঙৰীয়াই উত্থাপন কৰিছে। মই এই সম্পৰ্কে নিশ্চয় সেৱাৰ লগত আলোচনা কৰিম। আমাৰ মাননীয় সদস্য সকলে ভালেকেইটা পৰামৰ্শ দিছে সেইবিলাক আমি গ্ৰহণ কৰিবলৈ চেষ্টা কৰিম। স্ত্ৰী শিক্ষা বি, এ পৰ্য্যায়লৈকে বিনামূলীয়া কৈ দিয়া হব বুলি প্ৰচাৰ কৰা হৈছিল, এইটো ভুৱা প্ৰচাৰ নহয় আমি যিটো ঘোষণা কৰিছো সেইটো নিশ্চয় কাৰ্য্যকৰী কৰা হব। মই আৰু বেছি দীঘলীয়া নকৰো। মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শ বিলাক চালি জাৰি চাই আমি কিমানদুৰ কাৰ্য্যকৰী কৰিব পাৰো চাম আৰু সদস্য সকলে যাতে এই প্ৰস্তাৱটো উঠাই লয় তাৰ বাবে অনুৰোধ কৰিলো।

* মহম্মদ হুচেইন : অধ্যক্ষ মহোদয়, মই আজি যি কাট মোচন অনা হৈছে সেই সম্পৰ্কত এটা পষ্টীকৰণ বিচাৰিছো। এইটো ভাৰতবৰ্ষৰ কেৰেলাৰ পৰা আৰম্ভ কৰি হেমেন দাস ডাঙৰীয়াৰ চি, পি, এমৰ, চৰকাৰলৈ সৰ্ব্বমুঠ বাজেটৰ পৰা দেখা গৈছে যে, কেৰেলাত শতকৰা ৪০ শতাংশ খৰচ কৰে, অসমত শতকৰা ৩০ শতাংশ খৰচ কৰে ওৱেষ্ট বেঙ্গলত শতকৰা ২৫ শতাংশ খৰচ কৰে। আমি দেখিছো যে, পশ্চমবঙ্গত কৰি অসমৰ খৰচ বেছি। যদি এটা শ্ৰেনীত ১০০ জন লৰা ছোৱালী থাকে তেনেহলে মেট্ৰিক দিয়াৰ

সময়ত ১৪জন লৰা-ছোৱালীহে থাকে। অসমত যদি শতকৰা ১৪ জন তেনেহলে ওৱেষ্ট বেঙ্গলত কিমান হব জনাবনেকি ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : এইটোৰ হিচাব মোৰ হাতত নাই। আমাৰ এন, চি, ই, আৰ, টিয়ে এনে ধৰণৰ এটা ওৱৰ্কচপ কৰিছে। ভাৰত চৰকাৰে চিন্তা কৰিছে নন ফৰমেল এডুকেশ্যনৰ কথা কৈছে। অপেন ইউনিভাৰচিটিৰ কথা কৈছে।

Shri Binoy Kumar Basumatary : Whether the Minister, Education will confirm that the two medium High Schools and Middle English Schools in Boro medium area will be provincialised immediately?

He has been saying this for the last many occasions: Will he really do this time?

Shri Mukut Sarma, (Minister, Education) : I will look into this seriously.

Shri Binoy Kumar Basumatary : I withdraw the Cut Motion.

Mr. Speaker : Is it the pleasure of the House to withdraw the Cut Motion?

(Leave is granted & Cut Motion is withdrawn)

Now I put the Cut Motion that an additional amount of Rs. 2, 49, 93, 000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Education".

(Grant No. 31 is passed)

Grant No. 32.

Shri Hiteswar Saikia, (Chief Minister) : On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 37, 50, 000 be granted to the Minister-in-charge to defray certain charges which

will come in course of payment during the year ending the 31st March, 1986 in respect of "Art and Culture."

Mr. Speaker : Now I put the Grant No. 32 that an additional amount of Rs. 37, 50, 000 be granted to the Minister-in-charge to defray certain charges which will come in course of payment during the year ending the 31st March, 1986 in respect of " Art and Culture ".

(Grant No. 32 is passed)

* শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, এইখিনিতে মই অলপমান কব বিচাৰিছো। বাজেটত ২লাখ ধৰা হৈছিল আৰু ২লাখ টকাৰ প্ৰয়োজন হৈছিল। আমাৰ নিচিনা দেশৰ কাৰণে থিয়েটাৰৰ প্ৰয়োজন সেই প্ৰয়োজনীয়তালৈ লক্ষ কৰি ২লাখ টকা কোনো ৰকমে বেছি বুলি কব নোৱাৰি। মই মাত্ৰ জানিব বিচাৰিছো যে, অসমত এই আচনি কেনেকৈ প্ৰযোজ্য কৰা হব আৰু কোন ঠাইত এতিয়ালৈকে অপেন থিয়েটাৰৰ ব্যৱস্থা কৰা হৈছে ? এই আচনিয়ে আমাৰ গোটেই ৰাজ্যকে সামৰি লবনে ? আমাৰ কামৰূপ জিলাত ভ্ৰাম্যমান কেইটামান ব্যৱসায়িক থিয়েটাৰ পাৰ্টি আছে, বাকী জিলা বিলাকত তেনে ধৰণৰ ভ্ৰাম্যমান থিয়েটাৰ হোৱা নাই। গাৱে ভুয়ে এনেধৰণৰ হৈছে থিয়েটাৰ অনুষ্ঠিত কৰাৰ ঠাই নাই। পাব্লিকৰ বাবে আমোদ প্ৰমোদৰ কোনো ঠাই নাই। কিছুমান সৰু সৰু টাউন আছে যিবিলাক অফিচৰ আমোদ প্ৰমোদৰ বাবে ঠাই নাই, বহিবলৈ কোনো ঠাই নাই। ৰিক্ৰিয়েচনৰ কোনো সুবিধা নাই। গতিকে অপেনিং থিয়েটাৰৰ উৎকৰ্ষ সাধন কৰি যাতে ৰাইজৰ উপকাৰ কৰিব পাৰে তাৰ বাবে আশা কৰিলো

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় দাস ডাঙৰীয়াই অপেনিং থিয়েটাৰৰ কথা কৈছে। আমি বৰ্ত্তমান গুৱাহাটীত অপেন এয়াৰ থিয়েটাৰৰ কাম আৰম্ভ কৰিছো। আৰু যিমান পাৰো অন্যান্য ঠাইতো কৰাৰ কথা চিন্তা কৰিছো। আমি সপ্তম পৰিকল্পনাত সকলোবিলাক উন্নয়ন খণ্ডতে একেটাকৈ মিনি থিয়েটাৰ কৰাৰ ব্যৱস্থা কৰিছো। তাৰোপৰি গাৱলীয়া অঞ্চলত ৫০টা চিনেমা হল খোলাৰ কাৰণে লাইচেন্স দিয়াৰ কথা চিন্তা কৰিছো। এই খিনি কৰিব পাৰিলে বহুখিনি আমোদ-প্ৰমোদৰ সৃষ্টি হব। গতিকে এই কথাবিলাক যেতিয়া উংথাপন কৰিছে গতিকে আমি গুৰুত্ব আৰোপ কৰিছো।

---

* Speech not corrected.

Grant No. 35.

Shri Sadhan Ranjan Sarkar (Minister): On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 12,46,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Anitation and Swerage".

শ্ৰীহেমেন দাস : ইয়াত কোৱা হৈছে যে, ( Explanatory Note, 12,46,000 Scavenger free town programme ). টকা কম হোৱাৰ ক্ষেত্ৰত বেছিকৈ টকা দিয়া হৈছে। মই জানিব বিচাৰিছো যে, এতিয়ালৈকে এচিভমেণ্ট কিমান হৈছে ? আগতেও বছৰে বছৰে টকা খৰচ কৰা হৈছে কিন্তু এই উদ্দেশ্যত কিমান সফলতা অৰ্জন কৰা হৈছে মই এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী) : আমি এনে ধৰণৰ পলিচি ভাৰত চৰকাৰৰ পৰা বহুতো পাইছো । আমি হৰিজন সকলৰ মাজতো এইবিলাক কভাৰ কৰিবলৈ চেষ্টা কৰিছো। (Scavenger free town programme, Government of India allegation sanitation)

শ্ৰীহেমেন দাস : আজি নানা আচনি কৰিছে, কিন্তু টকা পইচা বিলাক কেনেকৈ খৰছ কৰিছে ? টকা খৰচ কৰিলে এচিভমেণ্ট হব লাগে। আৰু কামত কিমান পাৰচেণ্ট সফল হৈছে ?

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী) : আমি টকা দি আছো আৰু এইবিলাক ৰিভিউ কৰিও আছো ।

শ্ৰীহেমেন দাস : আজি মিউনিসিপেল বৰ্ড, লোকেল এদমিনিচট্ৰেচন, আৰু পঞ্চায়ত বিলাকক চৰকাৰে টকা দি আছে কিন্তু এতিয়ালৈকে কিমান ইউটিলাইজেচন চাৰ্টিফিকেট পাইছে ? গতিকে টকা দিছে যেতিয়া সেই উদ্দেশ্যত খৰচ কৰিব লাগে ।

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী) : এই প্ৰশ্নৰ উত্তৰ আগতেই দিয়া হৈছে।

Shri Hemen Das : It is more than a Question. The Minister is bound to answer all these, because the Assem-

bly has given the money. If we do not know how the money is being spent. Whether Government received any utilisation certificate from the Municipality ? These are not there I know.

Mr. Speaker : Now, I put "that an additional amount of Rs. 12,46,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Sanitation and Swerage".

The motion is adopoted.

Grant No. 38.

Shri Jagannath Sinha (Minister) : On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 27, 50, 000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1986 in respect of "Urban Development".

Mr. Speaker : There is a Cut Motion tabled by Shri Mathura Deka.

* শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, মূল প্ৰস্তাৱ ২৭ লাখ ৫০ হাজাৰ যিটো পৰিপূৰক দাবীৰ মঞ্জুৰী পেজ ১২ৰ ৩৮নং গ্ৰেণ্টৰ উৰবন ডেভেলপমেণ্টৰ শিতানত যিটো দাবী আহিছে সেইটো বিৰোধীতাকৰি দুযাৰমান কথা ডাঙৰ ধৰিব বিচাৰিছো।সেইটো হ'ল এই টকাতো বৰ কম হৈছে। উৰবন ডেভেলপমেণ্টৰ বস্তুটো চৰকাৰে চলাই আছে। কিন্তু আজি উৰবন ডেভেলপমেণ্ট কিমান হ'ল। যিমানেই ইয়াৰ কথা উঠিছে সিমানেই বাটি থকাটো টান হৈ পৰিছে। আপোনালোকে চাওক আমি আজি আন ঠাইলৈকে চাবগৈ নালাগে। গুৱাহাটীত আজি কিছুদিন আগতে সমস্ত অঞ্চল প্লাৱিত হৈ আছিল। মানুহে ঘৰ দুৱাৰ এৰি ভগনীয়া হৈছে। আনকি ৰিলিফ দিবলগীয়াও হৈছে। অসমীয়া জাতিতো [illegible] জাতি আৰু আমি তাৰেই বংশধৰ। আমাৰ যিখিনি মাটি

ঘৰ বনোৱা

হয় ততেই ৰাস্তা ঠেলা হয়। নলা বনাবলগীয়া হলেও কেনেকৈ মাটিতো বঢ়াব পাৰি সেইটোৱেহে চেষ্টা। অথচ ৰাস্তা লাগে, নলা লাগে, পানীৰ পাইপ ইত্যাদি লাগে এইবিলাকৰ প্ৰতি আওকাণ কৰা হয়। এই প্ৰক্ৰিয়া চলি আছে। এনে অৱস্থাত উৰবন ডেভেলপমেণ্টৰ প্ৰশ্নটো অলপ টান হৈ পৰে। উৰবন ডেভেলপমেণ্টত চেনিটাৰী লেটৰিণৰ অত্যান্ত প্ৰয়োজন। গুৱাহাটীত এনে এটা ভৈয়াবহ দিন আহিব চেনিটাৰী লেটৰিণ বিলাক লিক হৈ ওপচি পৰিব, ফলত মহামাৰীৰ সৃষ্টি হব। কিয়নো চেনিটাৰী লেটৰিণৰ গুলাই যোৱা পানীৰ কাৰণে বাট নোহোৱা হৈ গৈছে। সেই বিলাকে কেতিয়াবা সম্পূৰ্ণ ফেইল হৈ যাব। আমাৰ অধ্যক্ষ মহোদয় থকা ঠাই গান্ধিবস্তীত যি অৱস্থা হৈছে তাত এটা লেটৰিণ চাফা কৰিবলৈ হলে ঘৰ দুৱাৰ বন্ধ কৰি ধূপ-ধূনা জলাই দিব লাগিব নহলে দূৰ্গন্ধত ৰব নোৱাৰিব। এইবিলাক হৈছে গুৱাহাটীত ঠিকমতে প্লেন কৰি কোনো কামেই কৰা হোৱা নাই। কেৱল মাষ্টাৰ প্লেনেই তৈয়াৰ হৈ আছে। গুৱাহাটীৰ বাহিৰতো আন আন ঠাইত মাষ্টাৰ প্লেন তৈয়াৰ হৈছে। সেই প্লেন বিলাক গেজেটত পাবলিচ হয় আৰু বাতৰি কাকততো ওলায় কিন্তু কাৰ্য্যত একো হোৱা নাই। মানুহ বিলাকে যতেই সুবিধা হৈছে তাতেই ঘৰবাৰী বান্ধি লৈছে। কোনফালে অহা যোৱা কৰিব তাৰ কোনো প্লেন নাই। ফলত কেউফালে ময়লা, আবৰ্জনা আদিৰে ভৰি পৰিছে। মানুহ বিলাকক কেৱল চহৰত থাকিবলৈ লাগে। কিছুদিন মাটি দখল কৰি লৈ ঘৰ বনায় আৰু মণ্ডলৰ লগত মিতিৰালি পাতি তৌজি খাজনা দিয়ে। এইবিলাক আমাৰ চৰকাৰে চোৱা নাই। এনেকুৱাও হব পিচত সেই বিলাক ঠাইত মন্ত্ৰী সভাই উচ্ছেদ কৰিব লাগিব। নতুন ৰাজ-নৈতিক দল আহিব তেওঁলোকে বহাবও পাৰে আৰু উচ্ছেদও কৰিব পাৰে। গতিকে এইবিলাক ঘৰ বান্ধোতে প্লেন কৰি বান্ধিব লাগে। অসমৰ এখন চহৰতো পৰিকল্পনা নাই। আৱশ্যক হলে এই মানুহ বিলাকক উঠাই দিব লাগে নহয়তো লাইন কৰি লৈ প্ৰিমিয়াম আদায় কৰি প্লেন ওৱাইজ ঘৰ বনাব দি পট্টন দিব লাগে। আমাৰ ডিচপুৰৰ ওচৰতেই যি খন বজাৰ আছে সেই বজাৰৰ কাষত এটা নলা আছে আৰু সেই নলাটো প্ৰায় দুই ফুটমান দ হব। তাৰ ওপৰত যিখন প্লেট আছে সেইখন ভাঙি এটা ডাঙৰ গাত হৈ আছে। ৰাতিৰ আন্ধাৰত যদি কোনোবাই আহে তেনেহলে দূৰ্ঘটনা হোৱাৰ

* Speech not corrected

সম্ভাৱনা আছে। আমাৰ মিউনিচিপালিটিৰ কৰ্ত্তব্য আছে নে নাই কব নোৱাৰো। আচৰিত কথা আজি গুৱাহাটীত পানীৰে প্লাবিত হৈ আছে কিন্তু মই দেখিলো এই নলাটোত পানী নাই। ঠিকাদাৰ বিলাকেনো এই বিলাক নলা কেনেকৈ বনাইছিল আমি নাজানো। পানী বাগৰি যোৱাৰ কাৰণে প্লেন ড্ৰেইজ নলা বিলাক বনাব লাগে। যদি এই ধৰণে টকা খৰচ কৰা হয় তেনেহলে উৰবন ডেভেলপমেণ্ট আৰু ক'ত হব। গতিকে আমাৰ চকুৰ আগত স্পষ্ট হৈছে যে আচনি বিলাকত টকা খৰচ কৰিছে কিন্তু কাম হলে একো হোৱা নাই আৰু ইয়াৰ দ্বাৰা ৰাইজ উপকৃত হোৱা নাই। গতিকে এই ক্ষেত্ৰত বেলেগ ধৰণে চিন্তা কৰিব লাগিব। ঘৰৰ মুৰব্বী জনেই যদি ঠিক নাথাকে পৰিয়ালটো কেনেকৈ ঠিকে থাকিব। ঠিক সেই ধৰণে চৰকাৰেই যদি ঠিক নাথাকে তেনে-হলে অমাৰ ৰাইজ কেনেকৈ ঠিকে থাকিব কাৰণ চৰকাৰেই হ'ল ৰাইজৰ মুৰব্বী। ৰাজধানী চিলঙত থাকোতেও গুৱাহাটীত বহুতো এম, এল এ, এম, পি, মন্ত্ৰী আৰু বহুতো ডাঙৰ ডাঙৰ মানুহ আছিল। কিন্তু তেওঁলোকৰ নিজা ঘৰ ইয়াত থকা স্বত্বেও তেওঁলোকে গুৱাহাটী খন পৰিষ্কাৰ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলে। গুৱাহাটীৰ ৰাস্তা বিলাকৰ ওপৰত ময়লা আবৰ্জনা বিলাক পৰি থাকে কিন্তু সেইবিলাক চিন্তা কৰাৰ কাৰণে তেওঁলোকৰ অৱকাশ নাই। সকলোৱে আওকাণ কৰি গুচি যায়। পল্টন বজাৰৰ গৌৰিয় মঠৰ ওঁৱান ওৱে ৰাস্তাত ডবল ওয়ে গাড়ী চলে। তাৰ পাচত মেঘদূত চিনেমা হললৈকে সেই ঠাই দোখৰত ইমান দুৰ্গন্ধ যে নাকত ৰুমাল নোলোৱাকৈ যাব নোৱাৰি। অকল তাতেই নহয় গুৱাহাটীৰ বিভিন্ন ঠাইত জেইলৰ ওচৰত আৰু আন আন ঠাইত নাকত ৰুমাল নোলোৱাকৈ এখোজো যাব নোৱাৰি। সেয়েহে গুৱাহাটীত বোধ হয় ইমান ৰুমাল বিক্ৰি হয়। এই বিলাক সাধু কথা যেন লাগে। আমাৰ ইঞ্জিনীয়াৰ সকলৰ বাহাদুৰি তাতেই। মোৰ এচেম্বলি থকা বাসভৱনতেই চেনিটাৰী লেটবিণৰ গোন্ধত থাকিব নোৱোৰি কমপ্লেইন দিয়াত অফিচৰ মানুহ কেইবা বাৰো আহি সেই গেচৰ গোন্ধ কমাব নোৱাৰিলে। সন্মুখৰ কোৱাৰ্টাৰৰ পৰাও গোন্ধ আহে। পিচত মই কলো যে পাইপ ডাল টিঙত লাগি থকাৰ কাৰণে গেচ ওলায়। পাইপডাল ওপৰলৈ তুলিবলৈ দিলো। যেতিয়া দুয়োটা কোৱাৰ্টাৰৰ পাইপ দুডাল ওপৰলৈ উঠাই দিলে তেতিয়া যেনিবা গোন্ধ নাইকিয়া হ'ল। এইদৰে অবাধে জধেমধে কণ্ট্ৰাকচন বিলাক চলি থকাৰ কাৰণে এটা ভৈয়াবহ অৱস্থাৰ সৃষ্টি হৈছে। ডেভেলপমেণ্ট কৰি-

ৰৰ কাৰণে বানপানী এলেকা বিলাকত চাঙ বাঙলা কৰাৰ কাৰণে টকা দিব লাগে। চাঙঘৰ সাজিলে কিছু সুবিধা হব আৰু তেতিয়া ৰিলিফও দিব নালাগে। তেতিয়া ৰাইজৰ উপকাৰ হব। আমাৰ বেপাৰ বাণিজ্য বাঢ়ি গৈছে। মটৰ গাড়ী বাঢ়ি গৈছে। এতিয়া এনেকুৱা হৈছে যে গোটেই গুৱাহাটীখনেই মটৰ গেৰেজ গৈছে। গতিকে চৰকাৰ কঠোৰ হব লাগে। আমাৰ ৰাস্তা ঘাটৰ অৱস্থা অত্যন্ত শোচনীয়। ফলত আন আন ৰাজ্যতকৈ আমাৰ ইয়াতেই বেছি ভঙা চিঙা হয় আৰু দুৰ্ঘটনা হয়। এইখিনিকে কৈ মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিছাৰিছো।

আমাৰ ডেকা ডাঙৰীয়াই যি উদ্বেগ প্ৰকাশ কৰিছে তাত মই একমত। আমাৰ ষ্টেট বাজেটত ১৯৮৪-৮৫ চনত ২৪ লাখ টকা আছিল। তাৰে যিটো টাৰগেত আছিল সেইটো আমি টুৱেনটি পইন্ট প্ৰগ্ৰেমত ফুল ফিল কৰিছো। তাৰে ১৪ লাখ টকা চেণ্ট্ৰেলে দিছে। সেইটো বাজেটত সোমাব পৰা নাই। সুতৰাং চৰকাৰে খুচি হৈ দিছে, ১০ লাখ শিলচৰ, তিনচুকীয়া আৰু শিৱসাগৰৰ কাৰণে দিছে। এইটো বাজেটত সোমাব পৰা নাই। সেই কাৰণে পৰিপূৰক মঞ্জুৰী হিচাবে আহিছে। আমাৰ মথুৰা ডেকা ডাঙৰীয়াই যিটো উদ্বেগ প্ৰকাশ কৰিছে গুৱাহাটীৰ ক্ষেত্ৰত সেইটো সচাঁ। কলিকতাৰ নিচিনা মেট্ৰোপলিটন চিটিতো হেপাৰ্জাৰ গ্ৰোথ হৈছে। তাত এজাক বৰষুণ দিলেই চাৰিওফালে বানপানীৰ সৃষ্টি হয়। অকল গুৱাহাটীতে নহয় এনে সমস্যা আন আন চহৰতো হৈছে। যোৱা বছৰ ফেব্ৰুৱাৰী মাহত দিল্লীলৈ যাওঁতে তাত বহি আলোচনা কৰিছিলো কেনেকৈ ওৱৰ্লড বেঙ্কৰ পৰা সাহায্য লৈ গুৱাহাটীকে ধৰি অসমৰ আন আন চহৰবিলাক ডেভেলপ কৰিব পাৰি। সেই বিষয়ে মিটিং পাতিছিলো। এই মিটিংত সিদ্ধান্ত হ'ল যে আচনি কৰি ওৱৰ্লড বেঙ্কৰ পৰা ১০০ কোটি টকা অনা হব। আমি আশা কৰো গুৱাহাটীতেই নহয় অন্যান্য ঠাইতো ডেভেলপ কৰা হব। আমি ভাবো গুৱাহাটী, ডিব্ৰুগড়, তিনচুকীয়া আৰু অন্যান্য ঠাইত ড্ৰেইনেজ, চিউৰেজ ইত্যাদি কামত কিছু আগ বাঢ়িব পাৰিম। এই ক্ষেত্ৰত ওৱৰ্লড বেঙ্কৰ পৰা কিছু এচিচষ্টেচ্ পাম বুলি আশা কৰিছো। সেই বুলি আমাৰ ইয়াত বোম্বেৰ নিচিনাকৈ প্লেন চিটি কৰাতো সম্ভৱ নহয় কাৰণ সেই বিলাক ঠাইত প্লেন কৰি কনট্ৰাকচনৰ কাম কৰা হয়। আমাৰ ইয়াত আনকি পাব্লিকৰ ব্যৱহাৰৰ কাৰণে থকা ড্ৰেইনৰ ওপৰতো বিল্ডিং বান্ধি পেলায়। ফলত ড্ৰেইন বিলাক বন্ধ হৈ যায়। গতিকে এই

বিলাক দেখি শুনি আমাৰ যাতে সমস্যা বিলাক আৰু বাঢ়ি নাযায় তাৰ কাৰণে যত্ন কৰি আছো। ইয়াকে কৈ মাননীয় সদস্য মথুৰা ডেকা ডাঙৰীয়াক পৰিপূৰক দাবীটো মঞ্জুৰ কৰিবলৈ অনুৰোধ জনালো।

Shri Binoy Kumar Basumatary : Sir, two years ago, Hon'ble Minister assured the House about the master plan of Udalguri. But so far nothing tengible has come up.

Shri Jagannath Sinha, Minister : It is under process.

Hon'ble Speaker : Leave is granted and cutmotion is withdrawn. Now, I put before the House that an additional amount of Rs. 27, 50, 000 be granted to the Minister in-charge to defray certain charges which will come in course of payment during the year ending the 31st March, 1986 in respect of "Urban Development".

The Grant No. 38 is passed.

Now, it is 5 PM, I gullotine all the remaining cut motions. I put the supplementary demands for grant No. 43, 46, 54, 56, 57, 65 & 67 before the August House.

Supplementary demand for Grant No. 43, 46, 54 56, 57, 65 & 67 be passed.

The motion is passed.

Supplementary demand for grant Nos. 43, 46, 54, 56, 57, 65 & 67 are passed. Now, the House will stand adjourned for 20 minutes. Hon'ble Ministers, Hon'ble Members of the House, representatives and the officers in the officers gallary and reporters are requested to go to room No. I for refreshment.

The House stands adjourned till 5.20 PM today.

**Introduction, Consideration and Passing of the Assam Appropriate (No. III) Bill, 1985.**

( The House reassembled at 5.20 p. m. on 18. 7. 85 after the tea break with hon'ble Mr. Speaker in the Chairs).

Mr. Speaker : Now the Assam Appropriation (No. III) Bill, 1985 will be circulated.

Now item No. 4 (a) Hon'ble Minister, Finance.

Shri Mohammad Indris (Minister) : Mr. Speaker, Sir, I beg leave to introduce the Assam Appropriation (No. III) Bill, 1985.

Mr. Speaker : It is the pleasure of the august House to grant leave to introduce the Bill ?

Leave is granted. There is a message from the Governor.

RAJ BHAVAN

Dated Guwahati, the 9th July, 1985.

Under the provision of Article 207 (1) of the Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend the introduction in the Assam Lagislative Assembly of the Assam Appropriation ( No. III ) Bill, 1985.

Bhishma Narain Singh
Governor of Assam.

Shri Mohammad Indris (Minister) : Sir, I beg to introduce the Bill.

Secretary, Assam Legislative Assembly : The Assam Appropriation ( No. III ) Bill, 1985 is introduced.

Mr. Speaker : Now item No. 4 (b). There is a message from the Governor.

RAJ BHAVAN

Dated Guwahati, the 9th July, 1985.

Under the provision of Article 207 (3) of the Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend that the Assam Appropriation (No. III)

Bill, 1985 be taken up for consideration by the Assam Lagislative Assembly.

Bhishma Narain Singh
Governor of Assam.

Shri Mohammad Idris (Minister): Sir, I beg to move that the Assam Appropriation (No. III) Bill, 1985 be taken up for consideration.

* শ্ৰীহেমেন দাস : চাৰ, মই এই বিলখনৰ বিষয়ে কবলৈ যোৱাৰ আগতে এটা কথা কব খুজিছোঁ, যিটো কথা অলপ আগতে ওলাইছিল যে চৰকাৰৰ টকা বিলাক চৰকাৰী বিভাগবিলাকে নি সায়ত্ব শাসিত লোকল বডি বিলাকক দিয়ে। এইবিলাক টকাৰ খৰচ হৈছে নে নাই সেই হিচাব কিন্তু কোনেও নাজানে। ১৯৮২–৮৩ চনৰ আদিত ৰিপৰ্টত লিখিছে ..............................

" In 1982-83 Government paid Rs. 22,54,49,000 as grant to Panchayats, Municipalities, Cooperative Societies, Educational Institutions etc. The Education, Cooperation, Social Welfare, Agriculture, Health & Family Welfare, Panchayat and CD, public Works (R&B), Transport Departments under the rules certify to the effect that the amounts had been utilised for the purpose for which they were paid, are required to be furnished by the Departmental Officers to the Audit within a reasonable time. The Public Accounts Committee repeatedly expressed its dis-satisfaction over the slow progress of submission of utilisation certificate and recommended that departments should take special efforts for its submission within time. Out of 2839 outstanding utilisation certificates for Rs. 46,47,71,000 in respect of grants paid from 1961 to 1982, only 202 certificates amounting to Rs. 47,9,000 had been sent by 30th September, 1983, leaving 2637 certificates for Rs. 46m 23,52, 000 in arrear as shown below. "

এই হৈছে চাৰ, আমাৰ বিভিন্ন বিভাগৰ খৰচৰ ওপৰত চৰকাৰৰ যিটো নিয়ন্ত্ৰণ তাৰ ছবি। আপুনি ভাবি চাওক, এই দেশত চৰকাৰ আছে নে নাই? আপুনি চাৰ, ভাবি চাওক অৰাজক এটা ৰাজত্ব চলিছে। ১৯৬১ চনৰ পৰা ১৯৮২ চনলৈকে কোনো কাৰো কথা নুশুনে। প্ৰত্যেক বিভাগতে একোটা ফিনানচিয়েল একউন্টচ্ অফিচাৰ থাকে। কিন্তু ফিনানচিয়েল ৰুল কোনেও মনা নাই। আজি ৪৬ কোটি ৭০ লক্ষ ৭১ হেজাৰ টকা বিভিন্ন সংগঠণে কোনে কি কামত খৰচ কৰিছে তাৰ কোনো হিচাৰ নাই। মই এতিয়াও সুধিব বিচাৰিছোঁ যে আপুনি টকা দিছে কিন্তু তাৰ ব্যৱহাৰ হৈছে নে নাই? প্ৰতিটো বিভাগকে একোটা উদ্দেশ্যৰে টকা দিয়া হয়, সেই উদ্দেশ্যত টকা খৰচ হৈছে নে তাৰ ইউটিলাইজেশ্যন চাৰ্টিফিকেট কিয় নিদিয়ে? আপুনি চাৰ, ভাবি চাওক ২,৮৩৯ খন উটিলাইজেশ্যন চাৰ্টিফিকেটৰ ভিতৰত এতিয়ালৈকে মাত্ৰ পাইছে ২০২ খন। আচল কথা হৈছে।

উপাধ্যক্ষ মহোদয় আচল কথা হল যি উদ্দেশ্যৰে টকা নিয়ে সেই উদ্দেশ্যৰে খৰছ কৰা নহয়। অন্য ঠাইত খৰছ কৰা হয় সেয়ে হিচাব এতিয়া দিব নোৱাৰা অৱস্থা। চৰকাৰৰ তেওঁলোকৰ ওপৰত কোনো কতৃত্ব নোহোৱা হৈ পৰিছে। আমি বছৰি ৰাজহুৱা কোষৰ পৰা টকা দি আছোঁ, সেইবিলাক সঠিকভাৱে খৰছ হৈছেনে নাই সেইটো জনাৰ অধিকাৰ সদনৰ আছে। এইটো এটা অতি ক্ষতিকাৰক অভ্যাস, সেই অভ্যাস দূৰ কৰাৰ কাৰণে মই বিত্ত-মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ। বিত্ত-মন্ত্ৰী মহোদয়ৰ বিভাগ বিলাকত বহুতো কৰ্ম্মচাৰী আছে সেই সকলক নিয়ম নীতি মানি কাম কৰিবলৈ দিয়ক অনিয়-মকৈ একো কৰিব নালাগে।

কিছুমান মিউনিচিপেলিটী আছে টকা তেওঁলোকে নিয়েই আছে একেবাৰে হৰলুকী ব্যৱস্থাৰে নি আছে। কিন্তু যি কাৰণত টকা নিছে সেই কাৰণত খৰছ কৰা নাই। উদ্দেশ্য বেলেগ খৰছ হৈছে বেলেগ। এনেকৈ ৰাজহুৱা ধনৰ অপব্যয় সদায়ে চলি থাকিবলৈ দিব নোৱাৰি। এই কাৰণেই বিত্ত-মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে বিভাগৰ কৰ্ম্মচাৰী সকলক সতৰ্ক কৰি দিয়ক। একাউন্টেন জেনেৰেল অফিছো ভাগৰি পৰিছে। পাব্লিক একাউন্টচ কমিটীও ভাগৰি গৈছে। কিয়নো মূল ক্ষমতা আছে বিত্ত-মন্ত্ৰী মহোদয়ৰ হাতত। এই ক্ষমতা অকল থাকিলেই নহব, ইয়াক প্ৰয়োগ কৰিব লাগিব।

---

* Speech not corrected.

এই ক্ষমতা পয়োগ নকৰাৰ কাৰণেই আজি সঠিক ভাৱে একোৰে হিচাৱ দিব নোৱাৰা অৱস্থা হৈছে। এতিয়াৰ পৰা অন্ততঃ টকা পইচা যি উদ্দেশ্যৰে দিয়া হয় সেই উদ্দেশ্যত যাতে খৰছ হয় তাৰ কাৰণে প্ৰত্যেক বিভাগত বিত্ত সম্পৰ্কীয় যি কৰ্ম্মচাৰী আছে তেওঁলোকক এটা নিৰ্দিষ্ট সীমা কৰি দিয়ক। সিদিনা বাতৰি কাকতত ওলাইছে ডি, এফ, অ এজনে ডেৰ কোটি টকা এক্সট্ৰা এক্সপেণ্ডিচাৰ দেখুৱাইছে। যি বিভাগৰ টকা যি উদ্দেশ্যে দিয়া হয় সেই উদ্দেশ্যৰ বাহিৰে আনত খৰছ কৰিব নালাগে বিভাগৰ একোটা আছে সেই বিভাগে নিয়ম নীতি অনুসৰি দৃঢ়তাৰে ধাৰ্য্য কৰি কাৰ্য্যকৰী কৰিব বুলি মই আশা কৰি বক্তৃতাৰ সামৰণী মাৰিলোঁ।

* Shri Binoy Kumar Basumatary : Sir, before I proceed any further I have a question. What is the punishment for misleading the House or what would be the punishment for breaking the norms laid down by the Government itself ? Sir, I ask these two questions because just before our eyes this Government has managed to take us for a ride. How ? Sir, you were absent yesterday, but yesterday we had passed the Bill augmenting the corpus of the contingency fund. Till yesterday the corpus of the contingency fund was limited to Rs. 5 crores and today this supplementary demand for grants for which this Appropriation Bill has come, here in the last page in Appendix I the statement showing regularisation of advance sanctioned from contingency fund amounts Rs. 1,48,02,300 and this amount of Rs. 1, 48, 02, 300 pertains to the previous year, that is last year. Sir, this is the last supplementary demand that this House had passed in the month of March and here in the same statement in appendix at last page the amount of supplementary demand appropriated on this supplementary demand was Rs. 15, 25, 00, 000. Sir, therefore, without the sanction of this

House last year that during the last financial year when the corpus of the contingency fund stood at Rs. 5 crores the Government had used a contingency fund of Rs. 15 crores 25 lakhs plus Rs. 1 crore 48 lakhs ; that comes to Rs. 16 crores and 73 lakhs. Therefore, this Government had exceeded the limit set by this House in the corpus of the contingency fund. Now, Sir, this has come to our notice. Therefore, I ask you this question since this Government has violated a very basic norm governing the financial principle of the State, which is sanctioned by the Constitution itself, what will be the punishment now? Therefore, Sir, I am afraid I had to oppose this Appropriation Bill on a matter of principle and I regret that I have to name this Government as violators of financial principles, and, therefore, Sir, you will have to give a proper ruling and give a proper ruling and judgment whether the Finance Minister has violated the rule knowingly and whether he should resign. Thank you Sir.

* Shri Mohammad Idris, (Minister) : Sir, at about 5 PM we have voted, the august House have voted some supplementary demands which amounts to Rs. 33 crores 48 lakhs and in pursuance of this supplementary demand voted by the august House this Appropriation Bill is before the House. Sir, before I give some detail of the Appropriation Bill, I am to reply to the points raised by hon'ble member Shri Das.

* Shri Hemen Das : Sir, the discussion is not completed yet. There are many more members to speak I thought the hon'ble Minister is replying to Mr. Basumatari's

* Speech not corrected.

point. Hon'ble member Shri Basumatary asked your honour to clarify and what will be the answer.

* Shri Mohammad Idris, (Minister) : Sir, some advances had been taken from the contingency fund for some departments' expenditure and that is surely to the limit of the corpus of the contingency fund. It cannot exceed. If any demand for advance from the contingency fund exceeds the corpus limit it will automatically be dishonoured. Therefore, the apprehension about the limit of corpus does not arise. My friend's point is that last year during March session when we had come up with supplementary demand before the House the amount of advance was not sought to be regularised, and that the for which we have brought supplementary demand could be taken during that session. The recourse to taking advances from contingency fund is taken only when opportunity for taking the amount by supplementary demand is not there. Sir, some sanction of centrally sponsored scheme comes at the fag end of the year when we have no opportunity to prepare supplementary demand because supplementary demands are prepared well ahead. In such cases we have no other way but to take advance from the contingency fund. This is done only in emergent situation and that too within the limit of the corpus. The corpus was limited to 5 crores and we cannot exceed it ( voice : you have exceeded it ). How can we do it ? The bank will not allow it. The apprehension of the hon'ble member that Government took advance beyond the limit of the corpus is not correct. The amount was too small to our

* Speech not corrected.

requirement. That is why we have augmented it. As regards regularisation the first opportunity we had after taking the advance is this session. Therefore, we have come for regularisation. There is no question of misleading or crossing the limit. The A.G. is there, the Reserve Banks is there and they will not allow this to happen.

* Shri Binoy Kumar Basumatary : Sir, I have proof with documents. It is for you to scrutinise them. During March, pertaining to last year i. e. 1984-85 in the supplementary demand we have already appropriated 15. 25 crores when the corpus stood at Rs. 5 crores only. Today we have another one crore and 48 lakhs. There is the question of violation of the corpus. How this Government managed it we do not know. How the Reserve Bank allowed it we do not know. But in actual view of the House it is there. I say, the corpus has been violated, I again say, it has been violated.

* Shri Mohammad Idris, (Minister) : That is not the question. I have come for regularisation of 1. 48 crores. My corpus limit is 15 crore. Is somebody goes critically one will see that it has not exceeded the limit of the corpus. The moot point is that is it a fact that the Government of Assam has taken more than 5 crores at time? It is not so ( voice : yes ). It is not allowed Sir.

* Shri Binoy Kumar Basumatary : How then 15 crores was taken ?

Shri Mohammad Inris, (Minister) : That is the total amount.

* Shri Abdul Muhib Mazumdar, (Minister) : Sir, we

---

* Speech not corrected.

are at the stage of appropriation bill. Under Article 204 of the Constitution of India and also under Rule 154 of our Rules there is limitation of discussion of the grants passed by the House. Under Rule 154 (3) "the debate on an Appropriation Bill shall be restricted to matters of public importance or administrative policy implied in the grants covered by the Bill which have not already been raised while the relevant demands for grants were under consideration". Again under Rule 154 (4) "the Speaker may, in order to avoid repetition of debate, require members desiring to take part in discussion on an Appropriation Bill to give advance intimation..............". So at this stage discussion only on matters of public importance can be allowed which were not discussed earlier. General discussion on budget cannot be allowed. There should be democracy and it should not be used in this way and by obstructing the passing of the Bill.

Shri Binoy Kumar Basumatary : Sir, with due apology, I may point out that I have not spoken on a single cut motion or on Supplementary Demands. I have spoken about exceeding the limit of the Corpus by the Government. I refer to the statement of the Finance Minister yesterday when he stated that such matter could be discussed while we would take up the Supplementary Demands for Grants under the Rule. Now the Hon'ble Minister says that under this Rule or that, this cannot be discussed now. Sir, they can use the Rules according to their sweet will. Sir, they cannot do it like that. I have raised a partinent question that they have exceeded limit of the Corpus.

* Speech not corrected.

Therefore, this Government is responsible for this lapse.

Shri Mohammad Idris (Minister): Sir, my statement could not be taken that way. You will remember that during many occasions in the past, we augmented the Contingency Fund temporarily. Sir, in 1984 itself we augmented it by about 20 crores, and in 1983 it was augmented by 5 crores. Therefore, augmentation by 10 crores then 15 crores was there. So we have followed the Corpus limit. Last year it was enhanced to 20 crores sir. Therefore taking all these augmentation into account, it cannot be said that we have ever exceeded the Corpus limit. I am saying that because if we crossed the limit any time, no payment would have been made by the bank.

Mr. Speaker : I should like to say that the Appropriation Bill (No. III), 1985 represents the sum total of all the Grants included in the List of Supplementary Demands for Grants. Article 204 of the Constitution provides that when the Grants are made either in the Annual Financial Statement or included in the Supplementary Demands for Grants, an Appropriation Bill is required to be introduced and passed by the House authorising the Government to spend the money. It is this stage now. All the Grants were properly moved and passed by the House. And this is the stage where only appropriation of all these grants that were introduced and passed by the House is to be allowed to the Government to spend the money. Therefore the present appropriation Bill is introduced for approval of the House. I quite agree with the views expressed by the Hon'ble Minister of Finance and the Hon'ble Minister of Parliamentary Affairs about

Contingency Fund (Augmentation) Bill, and regarding the other point, if any Hon'ble Minister or any Hon'ble Member would prove that the have been misled or they have misled the House, that is a separate thing. But in this stage, this does not come, and I say that the Appropriation ( No. III) Bill in order.

* শ্ৰীপূৰ্ণ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, এই বিনিয়োজন বিধেয়কখনৰ প্ৰসঙ্গত মই দুষাৰ মান কব বিচাৰিছো। ঠিকেই যে কোটি কোটি টকা এইদৰে ধৰা হৈছে আৰু খৰচো কৰা হৈছে । বিভিন্ন বিভাগৰ কাৰণে এই টকা খৰচ কৰা বুলি কোৱা হৈছে কিন্তু কথা হ'লযে আমি গুৱাহাটী উন্নয়ণৰ কথা আনো আৰু এই সদনতে তেতিয়া কোৱা হয় যে গুৱাহাটী আমূক চহৰতকৈ ভাল ইত্যাদি কথা । আৰবান ডেভেলাপমেণ্টৰ নামত যি ধন দিয়া হৈছে তাৰ কোনো ইউটিলাইজেশ্বন চাৰ্টিফিকেট দিয়া হোৱা নাই। এই বিলাক কথা বাৰে বাৰে উত্থাপন কৰা হৈছে। যিবিলাক ড্ৰেইন আছে সেই ড্ৰেইন বিলাকেদি পানী নোলোৱাৰ ফলত গুৱাহাটী চহৰত বানপানী হৈছে । অথচ মন্ত্ৰী সকলে কয় যে আমাৰ চহৰখন আন বহু চহৰতকৈ ভাল । কলিকতা দিল্লী ভাল হব পাৰে বা দিল্লী কলিকতাতকৈও ভাল হব পাৰে কিয়নো দিল্লী চহৰ পৰিকল্পনা কৰি তৈয়াৰ কৰা হৈছে । গুৱাহাটী চহৰো ভাল হলহেতেন, গুৱাহাটী চহৰৰ জনসংখ্যা অনুপাতে আচনি লোৱা হলে। কলিকতা চহৰৰ কথা কৈছে । তাত কিমানটা ৰাস্তা আছে কি হৈছে কি নহৈছে সেইবিলাক নকওঁ । আমি দেখিছো টকা যিমানেই দিয়া হৈছে খৰচ হৈ আছে । কিন্তু সেই হিচাবে উন্নয়ণ হৈছে নে ? আৰবান ডেভেলাপমেণ্টৰ নামত সাতাইশ লাখ পঞ্চাশ হাজাৰ টকা ধৰা হৈছে। গুৱাহাটী বা আন আন মিউনিচিপাল এৰিয়াৰ কাৰণে ।

(ভইচ : মাত্ৰ শিলচৰৰ কাৰণে)

শিলচৰৰ কাৰণে হলেও তাত এক ইঞ্চিও ফুটপাথ নাপায় । ড্ৰেইন নাই । পানী কেৱল সকলোতে পানী । মই কৈছো যে যি ধন আচলতে ৰবাদ্দ কৰা হৈছে সেই হিচাবে খৰচ হোৱা নাই । মই ফৰেষ্টৰ কথাকে কৈছো । এই বিভাগত টকা কেনেকৈ অপব্যৱহাৰ হৈছে । ডি-এফ-অ অফিচৰ ওচৰত এটা পুখুৰী আছে। তাত মাছ জীয়াবৰ কাৰণে সেই ডি-এফ-অ

জনে চল্লিচ হাজাৰ টকাৰ চেক কাটি দিছে অথচ মাছৰ পোনা আহিল নে নাই তাৰ খবৰ নাই। এই ডি-এফ-অ' জনে তামুলপুৰ চেক গেটৰ ওচৰত বুঢ়ী এগৰাকী খৰি বিক্ৰী কৰি থকা অৱস্থাত পাই তিনি হাজাৰ টকাৰ চেক এখন কাটি অন্য ব্যৱসায় কৰিবলৈ উপদেশ দিলে । খৰি বিক্ৰি কৰা কাম এৰি দিব লাগে। সেই সহানুভূতি দেখুৱাৰ কাৰণে ভাল পাইছো কিন্তু টকা পাইছে ক'ত ঠিকাদাৰ এজনে চাৰ চাৰ বুলি আগবাঢ়ি আহিলক চৰ এটা মাৰি পঠিয়ালে আৰু পিচদিনা আহোতে এক লাখ টকাৰ চেক কাটি দিলে । এই ধৰণে ধনৰ অপচয় হৈছে । তেওঁ এই ধৰণে ধন খৰচ কৰিবলৈ ক'ৰ পৰা পাইছে। এই ডি-এফ-অ' জনক অৱশ্যে স্থানান্তৰ কৰা হৈছে কিন্তু তেওঁক ৰাখিবৰ কাৰণে কিছুমান লোক মন্ত্ৰীৰ ওচৰলৈ আহিব । আজি আমাৰ সামাজিক বননীকৰণ কৰিছে । মই এই বিষয়ে কৰ খুজিছো ।

(ভইচ : সামাজিক বননী কৰণ ইয়াত নাহে।)

চইল কনচাৰ্ভেশ্বনৰ কাৰণে টকা দুই লাখ ধৰা হৈছে । এই শিতান আলোচনা কৰিবলৈ আগতে সুবিধা পোৱা নাই । এইবিলাক ধন অপচয় কৰিবলৈহে ব্যৱস্থা কৰা হৈছে । কৃষি বিভাগৰ বিষয়ে আমাৰ কমৰেড হেমেন দাস ডাঙৰীয়াই আগতেই কৈছে। আমাৰ বৰপেটা জিলাৰ গোবৰ্দ্ধনা ৱকত দিয়া আহুবীজ নগজিল । এইবিলাক চাৰ্টিফাইড্ চীড আছিল । তেনেহলে কিয় নগজিল । অথচ তেনেকুৱা বিলাক ধনেই আমি বিধান সভাত পাচ কৰি দি আহিছো। মিনিকীটৰ কথা নকও। সকলোৱে জানে। তেনে স্থলতো বিনিয়োজন বিলত যথেষ্ট টকাই বিচৰা হৈছে কিন্তু ধনবিলাক যাতে অপচয় নহয় তাৰ চেষ্টা কৰিব লাগে । ইউটিলাইজেশ্বন চাৰ্টিফিকেট পোৱা নাই অথচ আৰবান ডেভেলাপমেণ্টৰ নামত মঞ্জুৰী দি থকা হৈছে । আজি বিভিন্ন পৌৰ কৰ্ম্মচাৰী সকলৰ অৱস্থা কি হৈছে। তেওঁলোকে দৰ্মহা নাপায় । ফলত তেওঁলোকে প্ৰভিডেণ্ট ফাণ্ডত ধন জমা দিব নোৱাৰে । এই ৰিলাক অপচয়ৰ নমুনা । গতিকে চৰকাৰ সজাগ হব লাগে । যাতে এনে ধৰণৰ অপচয় বিলাক নহয় । এইখিনিকে কৈ মই শেষ কৰিলো ।

* শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, বিনিয়োজন বিলৰ সম্পৰ্কত মই দুষাৰমান কব বিচাৰিছো। আমাৰ যেতিয়াই টকাৰ অভাৱ হয় তেতিয়াই বিধান সভা আহ্বান কৰা হয় আৰু বিভিন্ন বিভাগত টকাৰ মঞ্জুৰীৰ বাবে

* Speech not corrected.

বিল উত্থাপন কৰি মঞ্জুৰী দিয়া হয়। এইটো বিধান সভা আৰু লোক সভাৰ নীতি। কিন্তু আজি আমাৰ এই টকাবোৰ এনেভাবে বৃদ্ধি হৈছে যে তাৰ পৰা কিছুমান মানুহৰ অৱস্থা চাই থাকিব নোৱাৰা হৈছে। মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই ইতিমধ্যে এটা কথা কৈছে যে এজন ডি, এফ, অ'ই আগদিনা এজন মানুহক মাতি আনি কিবা কাৰণত তৰ্ক-বিতৰ্ক কৰি এক-চৰ মাৰে। আকৌ পিচদিনা সেইজন মানুহকেই ডি, এফ, অ' জনে মাতি আনি ১০ হেজাৰ টকাৰ এখন চেক্ দিয়ে। এই ডি, এফ, অ' জনৰ ইমান টকা বৃদ্ধি হৈছে যে তেওঁ এজন কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ ভাগিনীয়েকক ৭৫ হেজাৰ টকা আৰু ভায়েকক ৬০ হেজাৰ টকা দিয়ে। এই বিষয়া জনে ইমানবোৰ টকা ক'ৰ পৰা দিব পাৰিছে ? এতিয়া শুনিবলৈ পাইছো এই বিষয়া জনে বহুতো ভেজাল চেক্ দিয়াৰ কাৰণে সেইবোৰ বেংকে গ্ৰাহ্য নকৰি ঘূৰাই পঠাইছে।

মাননীয় অধ্যক্ষ : মাননীয় সদস্যজনক মই এটা কথা কওঁ যে এপ্ৰপ্ৰি-য়েচন বিলৰ ক্ষেত্ৰত এই কথাবোৰ নাহে। তেখেতে যিবোৰ অভিযোগ আনিৰ বিচাৰিছে সেই অভিযোগবোৰ অনাৰ লগে লগে তাৰ প্ৰমাণো সদনত দাখিল কৰিব লাগে।

* শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, আমাৰ এই পৱিত্ৰ সদনে যিবোৰ টকা মঞ্জুৰী দিয়ে সেই টকাবোৰ কেনেকৈ খৰচ কৰা হৈছে সেই বিষয়েহে মই কবলৈ গৈছো। এই বিষয়াজনে কংগ্ৰেছ সম্পাদকৰ ভায়েক-ভাগিনীয়েকক যিবোৰ টকাৰ চেক্ দিছে সেইবোৰৰ নম্বৰ আমাৰ হাতত আছে। ইয়াৰ বাহিৰেও কিছুমান অভিযোগ আছে যিবোৰৰ প্ৰমাণ আমি কিয় কোনেও দিব নোৱাৰে। কিন্তু কথাবোৰ হলে সচা। অধ্যক্ষ মহোদয়, সৌ সিদিনা বিমান দুৰ্ঘটনাত বিমানখন ধ্বংশ হোৱাৰ লগতে বহুতো মানুহ নিহত হ'ল। এই বিমানখন ধ্বংশ হোৱাৰ কাৰণ প্ৰমাণ হোৱাৰ আগতেই সেইখন বোমা ফুটি ধ্বংশ হ'ল বুলি সকলোৱে কবলৈ ধৰিছে। গতিকে প্ৰমাণ নোহোৱাকৈ বহুতো ঘটনা ঘটে আৰু যিবোৰ সচা ঘটনা। অধ্যক্ষ মহোদয়, এই ডি, এফ, অ' জনে প্লেণ্টেশ্বনৰ নামত কিছুমান বাহৰ মুঢ়া কিনিছিল যিবোৰ বুঢ়া বাহৰ আছল আৰু শেষত সেইবোৰ খৰি কৰি পেলাবলগীয়া হৈছিল।

অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এ আচনিৰ নামত চৰকাৰে যথেষ্ট ধন খৰচ কৰিছে। আমি এইটো নকওঁ যে এই আচনিৰ জৰিয়তে কোনো কাম

হোৱা নাই। এই আচনিৰ জৰিয়তে বহুতো ৰাস্তা ঘাট নিৰ্মাণ কৰা হৈছে কিন্তু যিবোৰ ৰাস্তা বন্ধা হৈছিল সেই ৰাস্তাবোৰত পানী ওলাই যোৱাৰ কাৰণে যি হিউম পাইপৰ ব্যৱস্থা কৰিব লাগিছিল কৰা নহ'ল। ফলত বাৰিষা হোৱাৰ লগে লগে পানী ওলাই যাব নোৱাৰাৰ কাৰণে ৰাইজে সেই ৰাস্তাবোৰ কিছু-মান ঠাইত কাটি দিয়ে। এতিয়া ৰাইজে সেই ৰাস্তাবোৰ কাটি দিয়াৰ ফলত যি ক্ষতি হ'ল সেই ক্ষতিবোৰৰ কাৰণে যিবোৰ বিষয়া কৰ্ম্মচাৰী দায়ী তেওঁ-লোকৰ পৰা সেই ক্ষতিপূৰণ লোৱাৰ ব্যৱস্থা কৰিবনে ? আনহাতে আমাৰ কৃষি বিভাগতো যথেষ্ট ধন খৰছ কৰা হৈছে। আমাৰ কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এটা কথা গৌৰবেৰে ঘোষণা কৰিছে যে তেওঁৰ দিনত হেনো অসমত হাতী তল যোৱাকৈ ধানখেতি হৈছে। এই কথাত নিজে আচৰিত হৈছো আৰু হয়তো সকলোৱে আচৰিত হব কাৰণ অসমত হাতী তল যোৱা ধান-খেতি হোৱা ঠাই এতিয়া নাই। মই জনাত এই বিভাগে যোগান ধৰা বীজ-বোৰৰ শতকৰা ৫০ ভাগহে গজে আৰু যিবোৰ গজে শেষত গৈ ফচল নেলাগে। এই বিভাগৰ কৰ্ম্মচাৰী ভি, এল, ই, ডব্লিউ ক'ত থাকে কোনেও নেজানে। কেতিয়াবা পালে বীজ ক'ত পায় আৰু কেনে ধৰণৰ খেতিয়কক দিয়ে বুলি সুধিলে— তেওঁৰ তাতে পায় আৰু সকলো খেতিয়কক দিয়ে বুলি কয়। তাৰ মানে ধনী খেতিয়কেও তাৰ পৰা বীজ আনি ব্যৱসায় কৰে। আজি বিলিফৰ কাৰণে যিবোৰ টকা দিয়া হৈছে সেই টকাবোৰৰ আধা ভাগো প্ৰকৃত প্ৰপীড়িত লোকে নাপায়। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে যদি প্ৰত্যেকটো ব্লকৰে একো-খনকৈ হিচাবৰ তালিকা প্ৰস্তুত কৰে তেতিয়া এই আটাইবোৰ কথা ওলাই পৰিব আৰু আপোনালোকে দেখিবলৈ পাব কিছুমান বিষয়াৰ মাজত কাজিয়াৰ সৃষ্টি হব। সেয়ে মই কব খুজিছো যে আমাৰ দেশখন এখন গণতান্ত্ৰিক দেশ হৈ থকা নাই। ইয়াত কিছুমান টোগলকৰ শাসন চলিছে।

অধ্যক্ষ মহোদয়, আমাৰ আৰু কিছুমান দুখৰ কথা আপোনাৰ আগত ব্যাখ্যা কৰো। আজি আমি যি সকল বিৰোধী পক্ষৰ সদস্য তেওঁলোকৰ কতোৱেই স্থান নোহোৱা হৈছে। আমি যদি ক'ৰবালৈ ভ্ৰমণ সংক্ৰান্তত যাওঁ তেনেহলে কোনো আৱৰ্ত্ত গৃহতেই থাকিবলৈ সুবিধাকণো নেপাওঁ। মই অল-পতে দিল্লীলৈ যাওতে তাত থকা যিটো আমাৰ অসম ভৱন আছে তাতো মোক থাকিবলৈ সুবিধা দিয়া নাছিল। কিন্তু মই যেতিয়া বাৰান্দাতে ৰাতিটো

* Speech not corrected.

কটাও বুলি বিচনা পাৰি ললো তেতিয়া কোনোবা এজনে মোক এটা ৰুমৰ সুবিধা কৰি দিয়ে। অলপতে মই পৰিয়ালবৰ্গ লৈ শিলচৰলৈ গৈছিলো তাতো সেই একেই অৱস্থা আমাৰ ক'তো স্থান নাই। সৌভাগ্যক্ৰমে আমাৰ আইন মন্ত্ৰী সেই সময়ত তাত আছিল কাৰণে তেখেতেই মোক থকাৰ এটা সুবিধা কৰি দিলে। গতিকে এই চৰকাৰৰ বিৰোধী সদস্য সকলৰ প্ৰতি এনে আচ-ৰণ বৰ দুখজনক।

অধ্যক্ষ মহোদয়, আমাৰ জাগীৰোডত থকা স্পান মিলটো আজি মৰো মৰো হৈছে। কিন্তু আমাতকৈ পিচত বাঙ্গালোৰত যি দুটা স্পান চিল্ক মিলচ্ প্ৰতিষ্ঠা কৰিছিল তেওঁলোকে এতিয়া বিদেশতো কাপোৰ বিক্ৰী কৰিব পৰা অৱস্থা হৈছেগৈ। আজি আমাৰ ৰাজ্যত যিফালেই চাও সেই ফালেই দুৰ্নীতি, আনকি চোৰাংচোৱা বিভাগেও টকা খাবলৈ ললে। গতিকে এই আটাই-বোৰ কথা লৈ আমি লক্ষ্য কৰিবলগীয়া হৈছে। আমি কেৱল বাজেট পাছ কৰিয়েই বহি থাকিব নেলাগে। বাজেটৰ এই টকাবোৰৰ খৰচ ঠিক মতে হৈছেনে নাই তাৰ প্ৰতি সকলোৱে চকু দিয়া উচিত। বিনিয়োজন বিলৰ ওপৰত মই এই খিনিকে কৈ সামৰণি মাৰিলো।

*মহম্মদ ইদ্ৰিছ (বিত্ত মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য বন্ধু সকলে এই সদনত যিখিনি কথা কৈছে, তেখেত সকলে প্ৰতিবাৰেই এপ্ৰ' প্ৰিয়েচন বিল অনাৰ সময়তেই তেওঁলোকৰ উদ্বেগ প্ৰকাশ কৰে আৰু এই উদ্বেগৰ দ্বাৰা গোটেই চৰকাৰটোৱেই যেন অপব্যয়ত লাগি গৈছে তেনে এটা ধাৰণা হয়। কিন্তু ঠিক নহয়। এতিয়া বিভিন্ন বিভাগত বিভিন্ন আচনিৰ সম্পৰ্কে এটা এটাকৈ আলোচনা কৰাৰ সময় এইটো নহয়। কিন্তু এইটো কথা ঠিক যে আজি চৰকাৰে যিখন বিধান সভাত অনুদান যোগে যিখিনি টকা বিচাৰিছে সেইখিনি টকাৰ যাতে সৎ ব্যৱহাৰ হয় তাৰ প্ৰতি আমি চকু ৰাখিব লাগিব। আজি আমাৰ মাননীয় বন্ধু দাস ডাঙৰীয়াই অডিটৰ জেনেৰেলৰ ৰিপোৰ্ট পি, এ, চিৰ মন্তব্য দি সদনত পঢ়ি শুনাইছে। তাত ১৯৬২ চনৰ পৰা ১৯৮২ চনলৈ এটা হিচাব দিয়া আছে। ইমান সুদীৰ্ঘ বছৰৰ হিচাবত নিশ্চয় দুই এটা খেলি মেলি ওলাব। আমাৰ লোকেল অডিট আছে, বিভাগীয় অডিট আছে, ইয়াৰোপৰি মহা গাণনিক আছে যি এই খৰচবোৰৰ হিচাব তন্নকৈ পৰীক্ষা কৰে আৰু তাক কম্প্ৰটোলাৰ আৰু অডিটৰ জেনেৰেললৈ পঠায়।

---

* Speech not corrected.

ইয়াৰ পিচতো এই বিষয়ে আমি এই বিধান সভাত আলোচনা কৰিবলৈ সুবিধা পাওঁ। এই ক্ষেত্ৰত বিধান সভাৰ দুই এজন মাননীয় বন্ধুয়ে দুই এটা কথা আঙুলিয়াই দিয়াত আমি ভাল পাইছো ।

তাৰ প্ৰতিকাৰ কৰিবৰ কাৰণে না না ৰকমৰ পন্থা আছে । আজি চৰকাৰ থকা অৱস্থাত যি কোনো অভিযোগ যি কোনো বেয়া কাম কোনো বিষয়াই কৰিলে তাক দৃষ্টি গোচৰ কৰিবৰ কাৰণে ৰিভাগ আছে, বিভাগীয় মন্ত্ৰী আছে। বিত্ত বিভাগে তীক্ষ্ণ দৃষ্টি ৰাখিব বুলি কোৱা কথাটো সমিচীন হৈছে। বিত্ত বিভাগৰ মানুহে বিভিন্ন বিভাগৰ অপিনিয়ন যেনে এফ, এ, একাউনটেণ্ট, দিভি-জনেল একাউনটেণ্টৰ পৰা লবৰ বাবে না না ধৰণৰ বিষয়া আছে। এই বিষয়া সকলে ব্যক্তিগত ভাবে মত দিয়ে । এনেকৈয়ে ফৰেষ্ট বিভাগত, ইঞ্জিনিয়াৰিং ৱিভাগত বিভিন্ন বিষয়া আছে। কেতিয়াবা এই বিষয়া সকলক বদলি কৰিবৰ কাৰণে বহুত মানুহৰ পৰা আপত্তি আহে। কাৰণ এওঁলোক নিজে ষ্ট্ৰঙ হবলৈ যাওঁতে ৰাইজৰ অপ্ৰিয়ভাজন হব লগা হয়। কিন্তু সেই মানুহখিনিয়ে তেওঁ-লোকৰ কৰ্ত্তব্য পালন কৰি আছে। কেতিয়াবা কোনো জুনিয়ৰ একাউন্টটেণ্টে ইৰেগুলাৰ মন্তব্য বা ভুল কৰিলে তাৰ নিশ্চই ব্যৱস্থা কৰিম। তেনে ধৰণৰ ত্ৰুটি আমাৰ ওচৰলৈ এতিয়ালৈকে অহা নাই । যিবিলাক গ্ৰেণ্ট লৈছে ১৯৬১ চনৰ পৰা লোকেল বোডিবিলাকক দিয়া হৈছে, মহকুমা পৰিষদ, মিউনি-চিপালিটি, টাউন কমিটি আৰু আন আন কো-অপাৰেটিভ বিলাককো গ্ৰেণ্ট বা অনুদান চৰকাৰৰ ফালৰ পৰা দিয়া হয় । তেওঁলোকে ইউটিলাইজেশ্বন চাৰটিফিকেট দিব লাগে আৰু তেতিয়া ৰিভাগে সেইবিলাক চায় । তেনে চাৰটিফিকেট বহু ঠাইৰ পৰা অহা নাই । এইটো কথা সচা যে আমাৰ বিভাগ ৰিলাকে তৎপৰতাৰে কাম কৰি আছে যাতে এনেধৰণৰ কথা আমাৰ চলিত বছৰত নহয় তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। কিন্তু অতীতত এনে ধৰণৰ যিবিলাক কাম হৈছিল তাৰ বাবে আমি কাকো জগৰীয়া নকৰো, ভৱিষ্যতলৈ যাতে তেনে ধৰণৰ ভুল ত্ৰুটি নহয় তাৰ কাৰণে সচেতন হোৱাটো উচিত বুলি ভাবো । মই আশ্বাস দিব পাৰো যে আমাৰ বিভগৰ পৰা এই কথাবিলাকলৈ দৃষ্টি ৰাখিম আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ অনুদানৰ টকা খিনি যাতে বিভাগ বিলাকে নিজ নিজ উদ্দেশ্যত খৰচ কৰিব পাৰে তাৰ কাৰণে সতৰ্কতা অৱলম্বন কৰা হব । আমাৰ পূৰ্ব বৰো ডাঙৰীয়াই কৈছে যে এগ্ৰিকেলচাৰ বিভাগে যিবিলাক বীজ দিছিল সেইবিলাক গজা নাই ।

তেনে ধৰণৰ দৰখাস্ত ৰাইজে মাজে মাজে দিয়ে। কৃষিৰ ক্ষেত্ৰতেই হওক বা কুটিৰ শিল্পৰ অনুদানেই হওক বা ফিছাৰি ইত্যাদিৰ কাৰণে বা পুখুৰী আদি কৰাৰ কাৰণে যি টকা দিয়া হয় সেই টকা খৰছ কৰিছে নে নাই সেইটো চেক কৰিব পৰা বিভাগো আছে। আমাৰ পঞ্চায়ত আছে, কো-অপাৰেটিভ আছে তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ কোৱা হব কাৰণ পুখুৰীৰ কাৰণে অনুদান লৈ যাতে ঘৰ বনোৱা নহয়। চৰকাৰে সকলো ফালৰ পৰা ৰাইজক অৰ্থনৈতিক সুবিধা দিয়াৰ কাৰণে চেষ্টা কৰিছে। তাৰোপৰি দুখীয়া ৰাইজক সহায় কৰিবৰ কাৰণে গাৱঁ ভুঁইয়ে ডি, আৰ, ডি, এৰ আচনিৰ দ্বাৰা আৰু অন্যান্য আচনিৰ দ্বাৰা কো-অপাৰেটিভৰ পৰা লোন দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৰাইজক সকলো প্ৰকাৰে অৰ্থনৈতিক দিশত সহায় কৰিবলৈ আমি চেষ্টা কৰিছো। গাওঁ বিলাকৰ কাৰণে এবৈকাজনকৈ বি, ডি, ও, থাকে। সকলো ক্ষেত্ৰতে বি, ডি, ও, বা গ্ৰাম সেৱকৰ ওপৰত নিৰ্ভৰ কৰিলে নহব আমাৰো দায়িত্ব আছে। আমাৰ ডেকা ডাঙৰীয়াই কৈছে যে এজন মানুহে এইদৰে ৰীণ লৈ টকা খাই পেলাইছে কাম কৰা নাই। গতিকে আজি উন্নয়নৰ ক্ষেত্ৰত টকা বেছিকৈ অনাত মোৰ বন্ধু সকলে বেয়া পাইছে। আৰু ৫ কোটি টকা বেছি লৈ লোৱা হৈছে। এইটো চাবলগীয়া কথা। ১৯৭২ চনত যেতিয়া আমি এই সদনত আছিলো মন্ত্ৰী হৈ আছিলো আৰু তেতিয়া যি গৰাকী বিত্ত মন্ত্ৰী আছিল তেখেত মূখ্য মন্ত্ৰীও আছিল। তেখেতে সদস্য সকলক বুজাব পাৰিছিল কাৰণ সদায় তেখেতে সদস্য সকলৰ লগত ক্লাচ লোৱাৰ নিছিনা হৈছিল। আজি এই কথা বিলাক মাননীয় বন্ধুক অনুৰোধ কৰো তেখেতে ইমপ্ৰেশ্ব ক্ৰিয়েট নকৰি যদি কিবা ভুল ত্ৰুটি হৈছে বা প্ৰেছ মিছটেক হৈছে তেনেহলে আঙুলিয়াই দিলে ভাল হয়। আজি আমি টকা বিছাৰিছো সদনে অনুদান দিছে আৰু মাননীয় সদস্য সকলে পাছ কৰি দিছে। এই টকা বিভাগ অনুযায়ী কৰা হব। প্লেনৰ ৩০ কোটি মান টকা বৃদ্ধি পাইছে। আৰু ১ কোটি ৮০ লাখ টকা ৰেগুলাৰ কৰিব লাগে। আমাৰ এই বছৰত এনুৱেল প্লেনত ৩৬০ কোটি টকা আছিল আৰু এতিয়া ৪১০ কোটি কৰা হৈছে। এই টকা খৰছ কৰিবৰ কাৰণে বিভিন্ন আঁচনি কৰা হৈছে। শতকৰা ৭০ ভাগ টকা আমি ধৰা হিচাবে অনুদান দিওঁ। এই টকা যাতে অপব্যৱহাৰ কৰা নহয় আমি তাৰ প্ৰতি দৃষ্টি ৰাখিম। নহলে প্লেনৰ কোনো মূল্যই নাথাকিব।

এই সকলোবিলাক বিভাগ ভালকৈ তৎপৰতাৰে আমি চাম। তাৰ বাবে

আপোনালোকৰ সহযোগিতাৰ অৱেশ্যক। গাৱেঁ ভূঁইয়ে ভালধৰণে কাম হৈ আছে। ডি, আৰ, ডি, এ, ৰ ফালৰ পৰাও ঋণ দিয়া হৈছে, বেংকৰ ফালৰ পৰাও ঋণ দিয়াত অসুবিধা হোৱা নাই। কিন্তু দুখৰ কথা যে আজি এই টকা প্ৰকৃত উদ্দেশ্যত ব্যৱহাৰ নকৰি কোনোৱে চাইকেল কিনিছে, কোনোৱে ৰেডিও কিনিছে। গতিকে টকা লৈ কামত খটুৱাব লাগে। আমি চাব লাগিব যাতে আমাৰ পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনাত আমি কৃতকাৰ্য্যতা লাভ কৰিব পাৰো। মোৰ নিজৰ বিভাগৰ বিষয়া সকলক এই বিষয়ে তত্‌পৰ হবলৈ কৈছো আৰু টকা খৰছ কৰাৰ পাছত ইউটিলাইজেশ্বন চাৰ্টিফিকেটৰ বিষয়ে দৃষ্টি দিবলৈ কৈছো। এই সকলোবিলাকৰ কাৰণে আপোনালোকৰ সহযোগিতাৰ প্ৰয়োজন। মাননীয় সদস্য দাস ডাঙৰীয়াই কৈছিল যে এই ক্ষেত্ৰত বহুতো খেলি মেলি দেখা গৈছে। মই বিভাগীয় বিষয়া সকলক এই বিষয়ে তৎপৰ হবলৈ অনুৰোধ কৰিছো। আৰু আশা কৰিছো যে আপোনালোকৰ সহায় সহযোগিতা হলে আমি আমাৰ উদ্দেশ্যত উপনীত হব পাৰিম। আৰু এই বছৰৰ আমাৰ যি আঁচনি হাতত লোৱা হৈছে সেইও কাৰ্য্যকৰী কৰিব পাৰিম। আমাৰ আগৰ পৰিকল্পনাত টকাৰ পৰিমাণ আছিল ২১ শ কোটি টকা আৰু এতিয়া সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাত দুই লাখ ১১শ ২৫ কোটি টকা হৈছে। অসমৰ যথেষ্ট পৰিকল্পনা আঁচনি গ্ৰহণ কৰা হৈছে আৰু অসমৰ উন্নতিৰ কাৰণে আপোনালোকৰ আগত এই চাপ্লিমেণ্টৰী দিমাণ্ড আপোনালোকৰ অনুমোদনৰ বাবে পেছ কৰা হৈছে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Item No. 4. :

Mr. Speaker : Now, I put the motion that the Assam Appropriation (No. III) Bill, 1985 be taken into consideration.

After a pause—

The motion is adopted.

Now, Item No. 4 (c) : As there is no amendment, I put the Clause 2, 3 and the schedule of the Bill. Clause 2, 3 and the schedule do form part of the bill.

After a pause—

Clause 2, 3 and schedule form part of the bill.

Now, I put Clause— 1 preamble enacting formula and short title of the bill. Clause-1 preamble enacting formula and the short title do form part of the bill.

After a pause—

Clause 1, preamble enacting formula and the short title form part of the bill.

Now Item No. 4 (b)—

Shri Mohammad Idris (Minister, Finance): Mr. Speaker Sir, I beg to move that the Assam Appropriation (No. III) Bill, 1985 be passed.

Mr. Speaker: Now, I put that the Assam Appropriation (No. III) Bill, 1985 be passed.

After a pause—

The motion is adopted and the bill is passed.

**Statement Regarding General Situation in Assam**

Mr. Speaker: Now, the Hon'ble Chief Minister will make a statement.

* Shri Hiteswar Saikia, (Chief Minister): Mr. Speaker Sir, I propose to bring to the notice of the Hon'ble Members of the House certain matters pertinent to the general situation of the State. The Hon'ble Members will perhaps recall that as a result of the protracted agitation over the issue of foreign nationals, the state had to pass through a spell of very agonising times. The situation had at one stage deteriorated to such an extent tnat the state administration had to invoke the Assam Disturbed Areas Act 1955 and the Armed Forces ( Special Powers ) Act 1958 to arrest further worsening of the situation. Notifications were issued under the two Acts covering a total of 110 police station areas in different districts. The

measure was called for in view of the seriousness of the situation which had even threatened the state's long cherished values of national integration. The forces of destruction and division were marauding up and down the state pushing the creative and the well meaning forces to the background.

The restoration of democratic life in the State through the general elections in 1983 and the installation of a popular government however ushered in new hope for the creative and well meaning forces which started gredually asserting themselves under the leadership of the democratic government. The situation started showing signs of improvement as the forces indulging in violence and communal activities were gradually isolated and contained. However, the notifications under the Assam Disturbed Areas Act and the Armed Forces (Special Powers) Act were kept operative through extension of the terms of operation to ensure complete stabilisation of the welcome changes in the situation.

The Hon'ble Members will be happy to know that the state is now completely back on the rails and there has been no reason to harbour any apprehension. The people have fully realised the necessity of maintaining complete peace and normality in the state and that has proved to be the best guarantee for peace and normal conditions in the state. The people have also fully rediscovered the values of communal harmony and have been giving proper stress on the enhancement of these values. It is also ressuring to see the enthusiastic participation of the people in the creative and developmental activities.

* Speech not corrected.

The change in the people's psychology is also evident in their total disapproval of the path of protracted agitation and their opposition to any attempt to disrupt the normal life of the state. The State Government is fully convinced that a positive approach and outlook has struck deep roots again in the people's psychology and the state is back on its road to peace and progress, to a new era of harmony and emotional integration.

The state government have reviewed the notifications under the said Acts against the backdrop of the situation and have come to the conclusion that the notifications are no longer necessary. The State Government have therefore decided to revoke the said notifications with immediate effect which also reflects the government's total confidence in the collective wisdom of the people and their genuine urge for peace and progress. The revocation will mean withdrawl of the said Acts from all the areas in the state which had been declared as disturbed areas except a 3 kilometre strip all along the state's border with Bangladesh, the oil and power installations and small strips along the oil pipelines and the railway lines. However, this order for revocation will not cover the reserved forest areas of Sibsagar, Jorhat and Karbi Anglong districts, which have been declared as distrubad areas under the aforesaid Acts last 3 decades.

Hon'ble Members were aware about setting up of Special Courts by a Government notification dated 19.1.1994. Government have decided to abolish these Courts also.

The State Government hopes that all sections of the Hon'ble Members of the House will associate themselves

with this important step and will cooperate with the Government in their efforts to take the state into a new era of peace and progress.

Shri Binoy Kumar Basumatary : I am very happy to learn the Statement of the Hon'ble Chief Minister that some of the stiff Rules have been revoked for bringing normalcy in our State. I thank the Hon'ble Chief Minister for this.

শ্ৰীহেমেন দাস : চাৰ, যিটো কাম কিছুদিন আগতে কৰা হলে কোনো ক্ষতি নহলহেতেন সেইটো কাম পলমকৈ কৰাৰ কাৰণে হলেও সুখী হৈছো।

শ্ৰীমথুৰা ডেকা : এই অধ্যাদেশখন বাতিল কৰাত আমাৰ দলৰ ফালৰ পৰা সুখী হৈছো আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো।

Hon'ble Speaker : Shri Borgaram Deuri, Minister of State, Flood Control is to make a statement before the House.

শ্ৰীবৰ্গৰাম দেউৰী (ৰাজ্যিক মন্ত্ৰী) : মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে হাইলাকান্দি বন্যানিয়ন্ত্ৰণ বিভাগে নিবিদা আহ্বান কৰি কাটলীছড়া বজাৰ ৰক্ষাৰ বাবে নদীৰ পাৰত স্পাত সাজিবলৈ অৰ্ডাৰ দিয়ে। এই নিবিদাসমূহ গোপনে লোৱা হৈছিল বুলি কোৱা হৈছে। এই অৰ্ডাৰসমূহৰ মাধ্যমত কোনো কাম নকৰাকৈ ধন আত্মসাৎ কৰা বুলিও কোৱা হৈছে। এই বিষয়টো অনুসন্ধান কৰি যাৱতীয় ব্যৱস্থা লোৱা হব। আকৌ অৰুণোদয় কাকতত অভিযোগ কৰা মতে যি তিনিটা আচনিত ১,৪৯,০০,০০০.০০ টকা ব্যয় হোৱা বুলি কোৱা হৈছে আচলতে পৰ্য্যাপ্ত পৰিকল্পনা মঞ্জুৰীৰ অভাৱত আচনি কেইটা হাতত লবই পৰা নাই। গতিকে তাত টকা খৰচ কৰাৰ প্ৰশ্নই নুঠে।

মাননীয় সদস্য শ্ৰীআলতাফ হুচেইন মজুমদাৰ ডাঙৰীয়াই কৈছে যে মঠাউৰী ওখ আৰু শক্তিশালী কৰা সংক্ৰান্তত প্ৰাক্কলনৰ Section বিলাকৰ level বৰ্তমানে থকা level অৰ তলত বুলি দেখুওৱা হয়। বৰ্ত্তমান কাৰ্য্য পদ্ধতি অনুসৰি কাম হাতত লোৱাৰ আগতেই Quality Control অৰ বিষয়াৰ

* Speech not corrected.

যোগেদি কামৰ প্ৰাথমিক জোখ-মাখ সমূহ যথাসম্ভৱ পৰীক্ষা কৰি চোৱা হয়। গতিকে প্ৰাক্কলনত কিবা আসোৱাহ থাকিলেও কাৰ্য্যকৰণৰ সময়ত প্ৰকৃত জোখ-মাখ পৰীক্ষা কৰিহে কাম হাতত লোৱা হয়।

মঠাউৰীৰ আৱশ্যকীয় Free board ভৰ অভাৱৰ বিষয়টো এই বিভাগে ইতিমধ্যে গঠন কৰা তদন্ত কমিটিয়ে পৰীক্ষা কৰি চাব।

অসম্পূৰ্ণ শ্লুইচ সমূহৰ সংক্ৰান্তত কব পাৰি যে আৱন্তণীতেই আৱশ্যকীয় বিলাতী মাটি আৰু লোহাৰ অভাৱৰ বাবে আৰু কিছু ক্ষেত্ৰত মাটি অধিগ্ৰহণত কিছু সময় লগা বাবে কাম সম্পূৰ্ণ কৰাত কিছু পলম হৈছে যদিও এই কামসমূহ যথাশীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে।

বৰাক মঠাউৰীৰ অসম্পূৰ্ণ হৈ থকা অংশৰ ভিতৰত নৈৰ সোঁপাৰে ৰংপুৰত ৰাইজৰ আপত্তিৰ হেতু মঠাউৰী সম্পূৰ্ণ কৰিব পৰা নাই। শিলচৰ নগৰৰ ভিতৰত অন্নপূৰ্ণা বাটৰ পৰা ৰেলষ্টেচনলৈকে এইচোৱা ৰেলবিভাগৰ লগত মীমাংসাত উপনীত হৈহে সম্পূৰ্ণ কৰিব পৰা যাব।

এই বিভাগে গঠন কৰি দিয়া কমিটিৰ অনুসন্ধানৰ বিষয়ে ৰাজপত্ৰৰ যোগেদি জণসাধাৰণৰ জ্ঞাতাৰ্থে জাননী দিয়া হব।

## ( CALLING ATTENTION NOTICE )

Hon'ble Speaker : Now, item No. 5. Shri Mathura Deka is to call the attention of the Minister, Municipal Administration.

* শ্ৰীমথুৰা ডেকা : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালন নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ ১০ জুলাই তাৰিখৰ চেণ্টিনেল কাকতত প্ৰকাশিত 'জি, এম, চি মজদুৰ ইউনিয়ন ষ্টিৰ কণ্টিনিউজ' শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰীৰ মনযোগ আকৰ্ষণ কৰিলো।

এই সন্দৰ্ভত মই অলপ কব বিচাৰিছো। গুৱাহাটীৰ যি হৰিজন মজদুৰ ইউনিয়ন আছে তেওঁলোকৰ কিছুমান দাবী আছিল। সেই দাবীসমূহৰ সম্পৰ্কত পৌৰ নিগমে তেওঁলোকৰ দাবী সমূহ নমনাৰ কাৰণে এই হৰিজন ইউনিয়নে ধৰ্ম্মঘট কৰিছে। এইটো কথা ঠিক যে ধৰ্ম্মঘট কৰাতো ভাল কথা নহয়। কোনো নীতিৰ বিৰুদ্ধে কাম কৰিলে অনীতি হয়। ভাৰত চৰকাৰে এইবিলাক নিষিদ্ধ কৰিছে। হৰিজন সকলৰ দাবী আছিল তেওঁলোকক বোনাচ দিব

* Speech not corrected.

লাগে আৰু পেনচনৰ সুবিধাখিনি দিব লাগে। আজি আমাৰ ৰাজ্যিক চৰকাৰৰ বিষয়া বা কৰ্ম্মচাৰীয়ে পেনচনৰ সুবিধাখিনি ভোগ কৰি আছে কিন্তু এই হৰিজন যি সকলে মানৱ সমাজৰ আটাইতকৈ জঘন্যতম কামখিনি কৰি আছে আজি তেওঁলোককেই কিয় অবহেলা কৰিব লাগে। তেওঁলোকক দৰমহা দিব লাগে আৰু অন্যান্য সুবিধাৰ লগত যিবিলাক পেনচন ইত্যাদি আছে সেইবিলাক দিব লাগে। গতিকে এই সংক্ৰান্ততেই মই কৰ্পোৰেচনৰ বিষয়ে কেইটামান প্ৰয়োজনীয় কথা কব বিচাৰিছো।

Hon'ble Speakes : No, you are to call the attention of the Minister and the Minister is to reply to your call attention motion. So, you need not say more.

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী) : গুৱাহাটী পৌৰ নিগমৰ হৰিজন মজদুৰ ইউনিয়নৰ একেৰাহে চলি থকা ধৰ্ম্মঘট সম্বন্ধে চেণ্টিনেল বাতৰি কাকতত যোৱা ১০ জুলাই তাৰিখৰ বাতৰিৰ প্ৰতি দৃষ্টি আকৰ্ষক প্ৰস্তাৱৰ সন্দৰ্ভত কব পাৰি যে গুৱাহাটী পৌৰ নিগমৰ হৰিজন মজদুৰ সকলে যোৱা ৪ জুলাই তাৰিখৰ পৰা তলত দিয়া দাবীসমূহৰ অপূৰণত অনিৰ্দ্দিষ্ট কাললৈ ধৰ্ম্মঘট আৰম্ভ কৰে। দাবীসমূহ হ'ল :—

১। বোনাচ বৰ্ত্তমানৰ শতকৰা ৮·৩৩ ৰ ঠাইত শতকৰা ২০ ভাগ।
২। চাৰি বছৰৰ মূৰে মূৰে প্ৰত্যেক বনুৱাৰ ভাৰত ভ্ৰমণৰ ভ্ৰমণ বানচ।
৩। বনুৱাৰ পেঞ্চনৰ সুবিধা।

যোৱা ১১।৭।৮৫ তাৰিখত সংশ্লিষ্ট বিষয়াসকল আৰু হৰিজন মজদুৰ ইউনিয়নৰ লগত আলোচনা হৈছিল।

আলোচনাত বোনাচ শতকৰা ৮·৩৩ ৰ পৰা শতকৰা ১০·৫৩ লৈ বৃদ্ধি আৰু অহা পূজাৰ আগতে এককালীন সাহায্য মঞ্জুৰৰ আশ্বাস দিয়া হৈছে। আন দুটা দাবীৰ সম্পৰ্কত আৰু অধিক পৰীক্ষা কৰি সিদ্ধান্ত লোৱা হ'ব বুলি কোৱা হৈছে।

মজদুৰ ইউনিয়নৰ সভ্য সকলৰ ওপৰত পুন কোনো শাস্তিমূলক ব্যৱস্থা লোৱা নহব বুলিও আশ্বাস দিয়া হয় আৰু এই সূত্ৰে পৌৰ নিগমৰ কৰ্ত্তৃপক্ষই অত্যাৱশ্যকীয় সেৱা আইনৰ ধাৰা অনুযায়ী লোৱা সকলো ব্যৱস্থা উঠাই লয়। এই আলোচনাৰ পৰিপেক্ষিতত মজদুৰ ইউনিয়নৰ সভ্যসকলে যোৱা ১১ জুলাই আবেলি তেওঁলোকৰ ধৰ্ম্মঘট উঠাই লয় আৰু কামত যোগ দিয়ে।

* Speech not corrected.

Mr. Speaker : Now, item No. 6.

শ্রীপূৰ্ণ বড়ো : মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ ২ জুলাই তাৰিখৰ 'সাপ্তাহিক জনজীৱন' কাকতত প্ৰকাশিত "অসমৰ শিক্ষা মন্ত্ৰীলৈ এখন চিঠি" শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত শিক্ষা মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to lay the statement on each members' table.

শ্ৰীপূৰ্ণ বড়ো : চাৰ, মই এটা স্পষ্টীকৰণ বিছাৰিছো। শিক্ষামন্ত্ৰীলৈ এখন চিঠি আছিল আৰু এই চিঠিৰ বিষয়টো আছিল এল, পি স্কুলৰ পৰীক্ষা সম্পৰ্কে। যেনেকৈ হাইস্কুলৰ শেষান্ত পৰীক্ষা নিৰ্দ্দিষ্ট দিনত হোৱা নাছিল ঠিক তেনেকৈ এল, পি স্কুলৰ পৰীক্ষাও যিদিনা হব লাগে সেইদিনাখন হোৱা নাছিল। কিন্তু অন্যান্য সকলোবে স্কুলৰে হৈ গৈছে। পিচৰ দিনা একে প্ৰশ্ন কাকতৰেই পৰীক্ষা লোৱা হ'ল। এই সম্পৰ্কত কথাটো প্ৰকাশ পাইছে। এখেত সকলে বিভাগৰ লগত যোগাযোগ কৰিছে। এই বিষয়টোৰ ওপৰত কোনো নজৰ দিয়া নাই আৰু কোনো ব্যৱস্থাও লোৱা নাই। ইয়াত কোৱা হৈছে যে তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হব। গতিকে এই প্ৰতিশ্ৰুতিটো কাৰ্য্যকৰী কৰা হব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্যমন্ত্ৰী) : সদনত যেতিয়া কোৱা হৈছে নিশ্চয় ব্যৱস্থা লোৱা হব।

## LAYING OF REPORT

Mr. Speaker : Item No. 7.

Shri Abdul Muhib Mazumdar (Minister) : Sir, I beg to lay the report of the Comptroller and Auditor General of India for the year 1983-84 (Revenue Receipts), Government of Assam.

## PRESENTATION OF COMMITTEE REPORT

Mr. Speaker : Item No. 8.

Shri Nabin Chandra Kath Hazarika (Chairman, Committee on Subordinate Lagislation) : Sir, I beg to present the Twentieth Report of the Committee on Subor-

dinate Lagislation on the Assam State Electricity Duty Rule, 1964.

MOTION FOR FURTHER EXTENSION OF TIME

Mr. Speaker : Item No. 9.

Shri Nabin Chandra Kath Hazarika (Chairman, Committee of Previleges) : Sir, I beg to move that this Assembly agrees to the extension of time till the next Session of the Assembly 1985 or for a further period of three months whichever is earlier for submission of the Report of the Committee of Privileges relating to complaint of breach of Previleges made by the Hon'ble Minister, Parliamentary Affairs, Shri Abdul Muhib Mazumdar against the Editor, Printer, Publisher and Reporter of newspaper "The Sentinel".

Mr. Speaker : Now, I put the motion before the House "that this Assembly agrees to the extension of time till the next Session of the Assembly 1985 or for a further period of three months whichever is earlier for submission of the Report of the Committee of Privileges relating to complaint of breach of privileges made by the Hon'ble Minister, Parliamentary Affairs, Shri Abdul Muhib Mazumdar, against the Editor, Printer, Publisher and Reporter of newspaper "The Sentinel".

The motion is passed. The time is extended.

**Discussion Under Rule 50**

Mr. Speaker : Now item No. 10.

* শ্ৰীহেমেন দাস : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ৫০নং নিয়ম অনুসৰি ১৯৮৫ চনত প্ৰস্তুত কৰা আৰু প্ৰকাশ কৰা ভোটাৰ তালিকাৰ পৰা প্ৰকৃত ভোটাৰৰ নাম বাদ পৰা সম্পৰ্কে বাজহুৱা গুৰুত্বপূৰ্ণ বিষয় এটিৰ ওপৰত আলোচনা উংথাপন কৰিব বিচাৰিছোঁ। বিষয়টো

ইয়াৰ আগৰ যিটো বাজেট অধিবেশন হৈছিল সেই সময়তেই কৈছিলো। আজি আকৌ কবলগীয়া হ'ল। কাৰণ ইতিমধ্যে অসমৰ ভোটাৰ তালিকা প্ৰায় সকলো ঠাইতেই প্ৰকাশ হৈছে আৰু এই বিলাকত কিছুমান গুৰুত্বপূৰ্ণ ক্ৰুটি দেখা গৈছে। কৰবাত দুই এজনৰ নাম বাদ পৰিছে সেইটো বেলেগ কথা কিন্তু এইটোহে আচৰিত কথা কিছুমান ঠাইত সম্পূৰ্ণ গাওঁৰ মানুহৰেই নাম ভোটাৰ লিষ্টৰ পৰা বাদ পৰিছে। বহু ঠাইত বহু ভাৰতীয় নাগৰিকৰ নাম বাদ পৰিছে। ইয়াৰ কাৰণেই ভোটাৰ লিষ্ট যতেই পাবলিচ্ হৈছে তাতেই ৰাইজে প্লেইন ফৰ্ম লৈ ভোটাৰ লিষ্টত নাম ভৰ্ত্তি কৰাৰ কাৰণে হুল-স্থুল লগাইছে। নিৰ্ব্বাচন কমিচনে যিবিলাক নিৰ্দেশ দিছিল সেই বিলাক গোপনে দিছে, নেকি কব নোৱাৰো কিন্তু নতুন দিল্লীত নিৰ্ব্বাচন কমিচনক যেতিয়া লগ ধৰিছিলো তেতিয়া জানিব পাৰিছিলো এইটো ১৯৭১ চনৰ ভিত্তিটো নহয় আৰু ১৯৭৯ চনৰ ভিত্তিটো নহয়, তেওঁলোকে কোৱামতে ঘৰে ঘৰে গৈ ভোটাৰ লিষ্ট তৈয়াৰ কৰিব আৰু তাৰ পাচত আমাক প্ৰতিশ্ৰুটি দিছিল কি নীতি লোৱা হব, সেইটো ৰাজনৈতিক দল সমূহক জনোৱা হব। কিন্তু আজিও সেই কথা অমাক নজনালে। এই আলোচনাত মই আছিলো, আমাৰ পাৰ্টিৰ নন্দেশ্বৰ তালুকদাৰ আছিল আৰু সমৰ মুখাৰ্জিও আছিল।

আমি যি বিলাক প্ৰস্তাৱ দিছিলো সেইবিলাক কাৰ্যকৰী নকৰি কোনো নিয়ম নমনাকৈ ভাৰতীয় মানুহৰ নাম বাদ পৰিছেযে পৰিছেই কিছুমান গাৱঁৰ নামো বাদ পৰি গৈছে। এইটো বৰ আচৰিত হৰলগীয়া ঘটনা। এইবিলাক কি নীতি মতে কৰিছে ? যদি ১৯৭১ চনক ভিত্তি বছৰ বুলি ধৰিছে তেতিয়া হলেও যি বিলাক মানুহৰ নাম ১৯৭১ চনৰ ভোটাৰ তালিকাত আছিল সেই বিলাক মানুহৰ নাম বাদ পৰিব নালাগিছিল। কিন্তু দেখা গৈছে যে ১৯৭১ চনত ভোট দিয়া মানুহৰ নামো এই খন ভোটাৰ তালিকাত নাই। এজন মানুহ কোকৰাঝাৰলৈ গ'ল। তেখেতে ১৯৭১ চনত ভোট দিছিল মোৰ সমষ্টিৰ পৰা। সিদিনা মোক আহি কৈছে যে তেওঁক এখন চাৰ্টিফিকেট দিব লাগে ১৯৭১ চনত তেখেত তাত আছিল বুলি। নহলে তেওঁৰ নাম ভোটাৰ লিষ্টত সোমোৱাব নোৱাৰে। এই ধৰণেৰে কিমানযে মানুহৰ জুলুম হৈছে কব নোৱাৰি। আজি সমগ্ৰ অসমতেই ভোটাৰ সকলৰ মনত আশংকাই দেখা দিছে। এইবাৰ আৰু এটা কথা হৈছে যে কিছুমান মানুহে ধৰি লৈছে যে

* Speech not corrected.

এইবাৰ যদি কোনো মানুহৰ নাম ভোটাৰ লিষ্টত নাথাকে তেন্তে তেওঁ আৰু অসমত থাকিব নোৱাৰিব। কালি এটা খবৰ পালো যে মোৰ সমষ্টিৰ এখন গাৱঁৰ নাম ভোটাৰ লিষ্টত নাই। এখন গাৱঁৰ মাত্ৰ এজন মানুহৰ নামহে ভোটাৰ তালিকাত আছে কিন্তু এখন গাৱঁৰ সম্পূৰ্ণ মানুহৰ নাম ভোটাৰ তালিকাত নাই। ভোটাৰ তালিকা প্ৰস্তুত কৰোতে আমাৰ বিষয়া সকলে কেতিয়াও সাম্প্ৰদায়িক দৃষ্টিভংগী লব নালাগে। এই সাম্প্ৰদায়িক মনোভাব বিলাক কেনেকৈ বিষয়াসকলৰ মাজত সোমোৱাই দিলে? কোনে সোমোৱাই দিলে? এইবিলাক আমি সমূলে দূৰ কৰিব লাগিব। মূখ্যমন্ত্ৰী ইয়াত আছে কাৰণেই এই বিষয়টোৰ ওপৰত জোৰ দিবলগীয়া হৈছো। আজি সাধাৰণ মানুহৰ মাজত প্ৰচাৰ চলিছে যে ভোটাৰ তালিকাত নাম নাথাকিলে এই বাৰ কাৰো ৰক্ষা নাই। এইবিলাক প্ৰচাৰ চলাই কিছুমান দুষ্ট চৰিত্ৰৰ লোকে পইচা ঘটাৰ সুযোগ ওলিয়াই লৈছে। কিছুমান দুষ্ট চৰিত্ৰৰ মানুহে গাৱেঁ গাৱেঁ পইচা তুলি ফুৰিছে ভোটাৰ তালিকাত নাম সোমোৱাবৰ কাৰণে। আজি যেনেকৈ সাধাৰণ মানুহৰ মাজত ভয় হৈছে সেইদৰে কিছুমান দুষ্ট চৰিত্ৰৰ মানুহৰ পইচা ঘটাৰ সুযোগ ওলাইছে। বিদেশী লোকৰ নাম ভোটাৰ তালিকাত থাকিব নোৱাৰে সেইটো সচাঁ কথা। কিন্তু কোন বিদেশী, কোন স্বদেশী সেইটো বিচাৰ নকৰাকৈ তেওঁলোকৰ নাম ভোটাৰ লিষ্টৰ পৰা কেনেকৈ বাদ দিব? ১৯৭১ চনত ভোট দিয়া মানুহেও আজি ক্লেইম ফৰ্ম পূৰণ কৰি দিব লগীয়া হৈছে। এইবিলাক ফৰ্মৰ দাম এক টকা। সিদিনা এজন বুঢ়া মানুহে কলে যে এতিয়া দুই টকা হৈছে।

(ভইচ— মানুহজন মিয়া নেকি?)

অকল মিয়াৰেই যে নাম বাদ পৰিছে সেইটো নহয় অনামিয়াৰো নাম বাদ পৰি গৈছে। মিয়ায়েই হওক বা অনামিয়ায়েই হওক এইবিলাক সাম্প্ৰদায়িক দৃষ্টিভংগী কোনেও লব নালাগে। ১৯৭১ চনত গোটেই পৰিয়ালে ভোট দিয়াৰ পিচত এতিয়া তেওঁলোকৰ নাম কেনেকৈ বাদ পৰি যাব পাৰে আমি ভাবি নাপাওঁ। আপোনালোকে যদি বিদেশীৰ নাম বাদ দিব খুজিছে তেতিয়াহলে বিদেশী চিনাক্তকৰণ কৰক। চিনাক্তকৰণ নকৰাকৈ কাৰো নাম বাদ দিয়া উচিত নহব। ইমানদিন আন্দোলন চলিল বিদেশী চিনাক্তকৰণৰ কাম আৰম্ভ কৰিব নোৱাৰিলে। আজি অসমত যিটো অৱস্থা হৈছে ইয়াৰ ফলত পূৰ্বাঞ্চলৰ সকলোবিলাক ৰাজ্যৰ মাজতেই সন্ত্ৰাসৰ সৃষ্টি হৈছে। ইয়াৰ কাৰণে

কেন্দ্ৰীয় চৰকাৰৰ ৰাজনৈতিক সৎ উদ্দেশ্য থকা হলে মাত্ৰ দুই কোটি মানুহৰ ভিতৰত কিমানজন বিদেশী নাগৰিক আছে সেইটো চিনাক্তকৰণ কৰিবলৈ দুই মাহৰ বেচি সময় নালাগিলহেতেন। সেইটোকে নকৰি জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। আজি কিছুমান বিধান সভাৰ সদস্যয়ো গাৱে গাৱে কৈ ফুৰিছে যে কেৱল মিয়াৰ নাম বাদ পৰিছে। কিন্তু কিমান খাচ হিন্দুৰ নামৰ কথাই নাই, কিমান খাচ হিন্দু গাৱৰ নাম বাদ পৰিছে তাৰ হিচাব কোনে ৰাখিছে ? কেৱল এই বিলাক কথা কৈ সাম্প্ৰদায়িক ভাব জগাই ফুৰিছে। ইয়াৰ দ্বাৰা আমাৰ মানুহৰ মাজত কাজিয়াৰ সৃষ্টি কৰোৱাৰ বাহিৰে কাৰো একো লাভ হোৱা নাই। আজি অসমীয়া জাতিয়ে নিজকে পাহৰি গৈছে। আমাৰ অধ্যক্ষ মহোদয়ৰ সমষ্টিতে বহুত মানুহৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ পৰিছে। এইটো অত্যন্ত আচৰিত কথা। এই বিলাক ওপৰৰ পৰা লগাই দিছে। এইটোৰ আমি বিৰোধীতা কৰিব লাগিব। আমি কওঁ বিদেশীৰ নাম বাদ দিবলৈ হলে আগতে চিনাক্তকৰণ কৰিব লাগিব। এনেয়ে মানুহৰ মাজত সন্ত্ৰাসৰ ভাব বিয়পাই থাকিলে নহব। ক্লেইম দিলেই নহব। বিচাৰ ভাল হব লাগিব। বিচাৰবিলাক যাতে প্ৰহসন নহয় সেইটো চাব লাগিব।

ইয়াৰ বিচাৰৰ নামত প্ৰহসন নকৰিব। নিৰ্বাচনৰ জুতিৰ কাৰণে যিসকলে উত্তেজনাৰ সৃষ্টি কৰিবলৈ বিচাৰিছে সেইসকলক বাধা দিব। এই অশুভ শক্তিক বাধা দিয়াৰ কাৰণে এই দেশৰ শুভ বুদ্ধি সম্পন্ন সকলো মানুহৰ সহায় সহযোগ বিচাৰিব। নিৰ্বাচন কমিচনৰ সকলোৰে সহায় সহযোগ বিচৰাটো কৰ্ত্তব্য। এইখন দেশৰ বিদেশী নাগৰিকক চিনাক্তকৰণ কৰাত সকলোৰে সহায় সহযোগ লওক। যিসকলে সিদিনা বিদেশী বিতাৰণ কৰাৰ কাৰণে আন্দোলন কৰিছিল সেইসকলে বিদেশী খেদাত নাই। ইয়াত থাকিবলৈ দিয়া হৈছে। চৰকাৰৰ ইয়াতকৈ আৰু ভাল দিন কেতিয়া আহিব ? সেইসকলে বিদেশী নেখেদে, বিধান সভা ভাঙি দিব লাগে, এম, এল, এ মন্ত্ৰী হব লাগে। তেওঁলোক এম, এল, এ হোৱাত আপত্তি নাই। এই চৰকাৰৰ সুযোগ সুবিধা আহিছে। যিসকলে বিদেশী খেদা হৈছিল, সেইসকলে বিদেশী নেখেদে মাত্ৰ ভোট দিব নালাগে, এই পৰ্য্যায়লৈ নামি গৈছে। তেনেস্থলত চৰকাৰে কামত আগ নাবাঢ়ে কিয় ? মুখ্যমন্ত্ৰীয়ে কৈছে কংগ্ৰেছ চৰকাৰে বিদেশী খেদিছিল আৰু ভবিষ্যতেও খেদিব। আজি কিয় সাহস নাই ? কিহৰ ভয় ? কেন্দ্ৰত অভাৰ হুৱেলমিং মেজৰিটি আছে, ইয়াতো ৯৮ জন আছে। গতিকে বিদেশী

খেদাত কিহৰ ভয় ? কিন্তু এই পদ্ধতিত নহয়। নিৰ্বাচন কমিচনক ইয়াৰ দায়িত্ব দিয়াটো বন্ধ ৰাখি বিদেশী খেদক। ভাৰতীয় মানুহ আছে, শান্তিত থাকিব বিচাৰে। ভোটৰ অধিকাৰ দিব লাগে। অমুক মানুহৰ ভোট পালে আমি এম, এল, এ হব নোৱাৰিম। ধৰ্ম্ম আৰু সম্প্ৰদায়ৰ নামত এই দেশৰ সাধাৰণ মানুহে মৰামৰি কৰি থাকিব আৰু বদমাচে নেতৃত্ব কৰিব, মানুহ সামূহিক ভাবে ইমান মূৰ্খ নহয়। সংগ্ৰামৰ মাজেদি ঠেকা খাই খাই মানুহৰ ৰাজনৈতিক চেতনাৰ ক্ৰমবিকাশ হোৱা দেখিছো। মানুহে ঐক্য বিচাৰিছে, বিভেদ বিচৰা নাই। সংহতি আৰু ঐক্য প্ৰত্যেক মানুহৰ কাম্য এইখিনিৰ বিনাশ হবলৈ নিদিয়ে তাৰ বাবে আমি সকলো সচেতন হোৱা উচিত। আজি চৰকাৰে এই ক্ষেত্ৰত নিজৰ দায়িত্ব পালন কৰা উচিত। মই আশা কৰো ভোটাৰ তালিকাৰ ক্লেইমচ্ এণ্ড অবজেকচনত সাধাৰণ মানুহক অযথা প্ৰশ্ন কৰি জুলুম আদি নকৰে, তাৰ পৰা বিৰত থাকিবৰ বাবে নিৰ্দ্দেশ দিয়া উচিত।

* Shri Binoy Kumar Basumatari : Sir, we have been engrossed in this particular issue for many years and the opposition has discussed about this issue together and we have decided to make hon'ble member Shri Das responsible to move under Rule 50. There was a discussion and from some quarters I was asked if we can discuss this issue. Since doubts persist I want to refer to Article 328 of the Cconstitution of India which says "Power of Legislature of a State to make provision with respect to elections to such Legislature - Subject to the provisions of this Constitution and in so far as provision in that behalf is not made by Parliament, the Legislature of a State may from time to time by law make provision with respect to all matters relating to, or in connection with, the elections to the House or either House of the Legislature of the State including the preparation of electoral rolls and all other matters necessary for securing the due constitution

* Speech not corrected.

of such House or Houses." Therefore, Sir, the Constitution allows this House to discuss it.

Mr. Speaker : This is why you are discussing it.

* Shri Binoy Kumar Basumatary : But there are doubts. Our main issue is Article 325 which says "No person to be ineligible for inclusion in or to claim to be included in a special electoral roll on grounds of religion, race, caste or sex. There shall be one general electoral roll for every territorial constituency for election to either House of Parliament or to the House or either House of the Legislature of a State and no person shall be ineligible for inclusion in any such roll or claim to be included in any special electoral roll for any such constituency on ground only of religion, race, caste, sex or any of them". Sir, the electoral roll that is being prepared is under the authority of Article 325 of the Constitution of India. Therefore, Sir, I declare that this electoral roll prepared now is unconstitutional. Sir, we are so siezed with the matter and we called on the Election Commission on 9th of this month and when we had discussion we brought before the Election Commission the W. T. messages issued by the Chief Electoral Officer, Assam dated 18/3/85 through which signal (No. TEE 128/84) he categorically instructed all officers under him that the people in the forest areas who are encroachers should not be included in the electoral roll. When we knew all this we discussed with the State Government and the Leader of the House and the Government was very kind to order modification of this signal dated 18/3/85. But the signal dated 25/3/85 was so ambiguous that it is difficult to understand the real meaning of the signal

* Speech not corrected.

